www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

মানুহৰ এই জীৱন অনন্ত আৰু প্ৰেম অমৰ। কিন্তু মৃত্যু? আমাৰ দৃষ্টিৰে ঢুকি পোৱা দিগন্তই হ'ল মৃত্যু। — ৰজিটাৰ ৰেমণ্ড

প্ৰথম বছৰ | সংখ্যা- ৩৩৯ | শনিবাৰ | ১৭ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 339 | Friday | 17th October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা হ'ল দেৱী দুৰ্গাৰ প্ৰাণ ■

## আজি মহাসপ্তমী ঃ কালৰাত্ৰিৰ ৰূপত পূজিত হ'ব দুৰ্গতিনাশিনী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** আজি মহাসপ্তমী। নৱ পত্ৰিকাৰে দেৱীৰ প্ৰাণ প্ৰতিষ্ঠা কৰি আৰম্ভ হ'ল মহাসপ্তমী পূজা। সমগ্ৰ দেশত দেৱ আৰাধনাত ব্যস্ত শক্তিৰ উপাসকসকল। বিলুবোধনৰ পিছতে শুকুৰবাৰে পৰম্পৰাগত ৰীতি-নীতিৰে বেদীত প্ৰতিষ্ঠা হ'ল দেৱী দুৰ্গা। কালৰাত্ৰি ৰূপত ৰূপত পূজিত হ'ব দেৱী দশভুজা। বৈদিক ৰীতি নীতিৰে দেৱী দুৰ্গাৰ নৱপত্ৰিকা প্ৰৱেশ, স্থাপন আৰু সপ্তমাদি কল্পাৰম্ভ আৰম্ভ হ'ব। সপ্তমী পূজা উপলক্ষে ৰাজ্যৰ শক্তিপীঠ, দেৱীপীঠ, দেৱালয়সমূহত ভিন্ন প্ৰকাৰৰ বলিও সম্পন্ন হ'ব। শক্তিপীঠ কামাখ্যা ❑ ৬ পৃষ্ঠাত



মমতা বেনাৰ্জীৰ কেন্দ্ৰীয় চৰকাৰ, দিল্লী আৰক্ষীক তীব্ৰ সমালোচনা

### ক্ষমতাৰ অপব্যৱহাৰে গণতান্ত্ৰিক ভাৱনাক পদদলিত কৰিব নোৱাৰে ঃ মমতা বেনাৰ্জী



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰঃ** দিল্লীৰ ত্ৰিৰংগা মাৰ্চৰ ঘোষণা কৰা চিজেপি নেতা অভিজিৎ দীপকক দিল্লী আৰক্ষীয়ে জিম্মাত লোৱাৰ পিছতে পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু দিল্লী আৰক্ষীক তীব্ৰ ❑ ৬ পৃষ্ঠাত

## দিল্লীত চিজেপি নেতা অভিজিৎ দীপকেক আটক



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** শুকুৰবাৰে দিল্লী আৰক্ষীয়ে ক'কৰোচ্ছ জনতা পাৰ্টী (চিজেপি)ৰ নেতা অভিজিৎ দীপকক আটক কৰে। দিল্লীৰ চেণ্ট্ৰেল পাৰ্কত 'লেহৰা দ্যো ত্ৰিৰংগা' নামৰ প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ যাওঁতে আৰক্ষীয়ে তেওঁক আটক কৰে। চিজেপিৰ এই কাৰ্যসূচী কনাট প্লেচৰ চেণ্ট্ৰেল পাৰ্কত অনুষ্ঠিত হ'বলগীয়া আছিল। আৰক্ষী সূত্ৰ অনুসৰি, ❑ ৬ পৃষ্ঠাত

জুবিন গাৰ্গ মৃত্যু গোচৰ ঃ অভিযুক্তৰ জামিনক লৈ প্ৰতিক্ৰিয়া

### উচ্চ ন্যায়ালয়ৰ ৰায়ত অসন্তুষ্টি ঃ উচ্চতম ন্যায়ালয়লৈ যোৱাৰ আহ্বান গৰিমা শইকীয়া গাৰ্গৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ অক্টোবৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অন্যতম অভিযুক্ত সন্দীপন গাৰ্গ আৰু অমৃতপ্ৰভা মহন্তই জামিন লাভ কৰাৰ ঘটনাক লৈ তীব্ৰ অসন্তুষ্টি আৰু ক্ষোভ প্ৰকাশ কৰিছে গৰিমা শইকীয়া গাৰ্গে। উচ্চ ন্যায়ালয়ে অভিযুক্তসকলক জামিন প্ৰদান কৰাৰ সিদ্ধান্তৰ প্ৰতি প্ৰতিক্ৰিয়া জনাই তেওঁ সামাজিক মাধ্যমত এক পোষ্ট প্ৰকাশ কৰে। সেই পোষ্টত গৰিমাই ❑ ৬ পৃষ্ঠাত



"গণতান্ত্ৰিক অধিকাৰ অৰাজকতাৰ অনুজ্ঞাপত্ৰ নহয়"

### মুখ্য নিৰ্বাচনী আয়ুক্তক লৈ বিৰোধীৰ আন্দোলনক তীব্ৰ সমালোচনা ৰাজনাথ সিঙৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ অপসাৰণৰ দাবীত বিৰোধী INDIA মিত্ৰজোঁটে চলাই থকা ধাৰাবাহিক প্ৰতিবাদৰ বিৰুদ্ধে এতিয়া কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং সৰৱ হৈ পৰিছে। শুকুৰবাৰে উত্তৰ ❑ ৬ পৃষ্ঠাত

■ ভাৰত এৰাৰ জাননীৰ পিছতেই ইমৰাণ খানৰ প্ৰতিক্ৰিয়া ■

### ৪৩ বছৰীয়া জীৱনৰ ৪০ বছৰ ভাৰততে কটাইছোঁ ঃ ইমৰাণ খান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** অভিনেতা ইমৰাণ খানক আগন্তুক ২৮ অক্টোবৰৰ ভিতৰত ভাৰত এৰি যাবলৈ নিৰ্দেশ দি জাননী প্ৰেৰণ কৰা হৈছে। মুম্বাইস্থিত বিদেশী আঞ্চলিক পঞ্জীয়ন কাৰ্যালয়ে তেওঁলৈ এই জাননী জাৰি কৰিছে। অভিনেতাগৰাকীৰ হাতত আমেৰিকান পাছপ'ৰ্ট আৰু অভাৰছিজ চিটিজেন অফ ইণ্ডিয়া (OCI) কাৰ্ড আছে। ১০ অক্টোবৰত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত অনুষ্ঠিত প্ৰতিবাদত অংশগ্ৰহণ কৰাৰ পিছতে তেওঁ এই জাননী লাভ কৰে। ❑ ৬ পৃষ্ঠাত



দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লক্ষ্য

### ১১-১২ ডিচেম্বৰত কানাডা ভ্ৰমণ কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** অটোৱাস্থিত ভাৰতীয় উচ্চায়ুক্তই শুকুৰবাৰে জানিবলৈ দিয়া অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০২৬ চনৰ ১১-১২ ডিচেম্বৰত কানাডা ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ মূল লক্ষ্য হৈছে ভাৰত আৰু কানাডাৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক ইতিবাচক কৰি তোলা তথা দুয়োখন দেশৰ কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰা। কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্ণিৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ ❑ ৬ পৃষ্ঠাত



জুবিন গাৰ্গ মৃত্যু গোচৰত সন্দীপনৰ জামিনৰ পাছত আছুৰ প্ৰতিক্ৰিয়া

### অসমবাসীয়ে অসহায় হৈ চাই ৰ'বলগীয়া হৈছে ঃ উৎপল শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সন্দীপন গাৰ্গে জামিন লাভ কৰাৰ পাছতে এই ঘটনাক লৈ সদৌ অসম ছাত্ৰ সন্থা (আছু) সক্ৰিয় হৈ পৰিছে। গোচৰটোৰ অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিনৰ সিদ্ধান্তক উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান ❑ ৬ পৃষ্ঠাত



### বিজেপিৰ প্ৰতিবাদী কাৰ্যসূচী 'শতিকাৰ শ্ৰেষ্ঠ কৌতুক' ঃ লুৰীণজ্যোতি গগৈ

"শাসনত থকা দলে ৰাজপথলৈ ওলাই বিৰোধীৰ বিৰুদ্ধে প্ৰতিবাদ কৰাটো গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ বিড়ম্বনা"



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ অক্টোবৰ ঃ** গণতান্ত্ৰিক আন্দোলন কৰা শান্তিপূৰ্ণ প্ৰতিবাদকাৰীসকলৰ ওপৰত আৰক্ষীৰ অত্যাচাৰ চলোৱাৰ অভিযোগৰ প্ৰেক্ষাপটত বিজেপিয়ে সমগ্ৰ ৰাজ্যজুৰি বিৰোধী ❑ ৬ পৃষ্ঠাত

পেছাদাৰী আচৰণ, ব্যক্তিগত সুৰক্ষা আৰু নৈতিক সাংবাদিকতাত গুৰুত্ব

## প্ৰতিবাদ-বিক্ষোভৰ বাতৰি কৰা সাংবাদিকৰ সুৰক্ষাৰ বাবে পিচিআইৰ নিৰ্দেশনা জাৰি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** সংঘাতপূৰ্ণ পৰিস্থিতিত সংবাদ মাধ্যমৰ কৰ্মীসকলৰ সুৰক্ষা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়া (পিচিআই)য়ে প্ৰতিবাদ আৰু বিক্ষোভৰ বাতৰি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত এক বিস্তৃত নিৰ্দেশনা প্ৰকাশ কৰিছে। এই নিৰ্দেশনাত পেছাদাৰী আচৰণ, ব্যক্তিগত সুৰক্ষা আৰু নৈতিক সাংবাদিকতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। পিচিআয়ে লক্ষ্য কৰিছে যে এই নিৰ্দেশনাই সংবাদ মাধ্যমৰ কৰ্মীসকলৰ সুৰক্ষা, দায়িত্বশীলভাৱে প্ৰতিবেদন প্ৰস্তুত কৰা আৰু সাংবাদিক, সংবাদ মাধ্যমৰ সংস্থা তথা আইন প্ৰয়োগকাৰী কৰ্তৃপক্ষৰ মাজত উন্নত সমন্বয়ক প্ৰসাৰিত কৰিব। ইয়াৰ লগতে সাংবাদিকতাৰ কৰ্তব্য ফলপ্ৰসূভাৱে নিষ্পত্তি কৰাতো এই নিৰ্দেশনাই সহায় কৰিব বুলি পিচিআয়ে মত প্ৰকাশ কৰিছে। চিনাক্তকৰণ আৰু পেছাদাৰী আচৰণৰ ক্ষেত্ৰত পৰিষদে সাংবাদিকসকলক তেওঁলোকৰ সংবাদ মাধ্যম অথবা পিআইবি !ডিআইপিআৰৰ দ্বাৰা জাৰি কৰা বৈধ পৰিচয় পত্ৰ লগত লৈ যাবলৈ নিৰ্দেশ দিছে। সকলো সময়তে পৰিচয় পত্ৰ দৃশ্যমানভাৱে প্ৰদৰ্শিত কৰি ৰাখিবলৈ কোৱা হৈছে, কিয়নো ইয়াৰ ফলত জটিলতাৰ আশংকা কম হয়। নিৰপেক্ষতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি পিচিআইৰ নিৰ্দেশনাত কোৱা হৈছে, "নিৰপেক্ষতা আৰু পেছাদাৰিত্ব ❑ ৬ পৃষ্ঠাত



৭১ কোটিৰো অধিক ব্যয়েৰে ১৬,০০০ বৰ্গ মিটাৰত নিৰ্মিত চাৰিমহলীয়া ভৱন

### বেংগালুৰুত নৱনিৰ্মিত 'অসম ভৱন' উদ্বোধন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** প্ৰবাসী অসমীয়াৰ সুবিধা আৰু সুৰক্ষাৰ কথা বিবেচনা কৰি বেংগালুৰুত নৱনিৰ্মিত 'অসম ভৱন' শুকুৰবাৰে উদ্বোধন কৰে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। দূৰৈত থকা অসমীয়া লোকসকলে যাতে আশ্ৰয়, সহায় আৰু আপোনত্বৰ অনুভৱ লাভ কৰে, তাৰ বাবেই এই ভৱনটো নিৰ্মাণ কৰা হৈছে। উদ্বোধনী ❑ ৬ পৃষ্ঠাত



৫৯ পৰিয়ালক ঘৰ খালী কৰাৰ নিৰ্দেশ

### নেঘেৰীবিলত পুনৰ উচ্ছেদৰ জাননী



**অসম বাৰ্তা, মেৰাপানী, ১৬ অক্টোবৰ ঃ** মেৰাপানী সীমান্তৰ ২নং নেঘেৰীবিলত পুনৰ উচ্ছেদ অভিযানক কেন্দ্ৰ কৰি অঞ্চলটোত নতুনকৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। উচ্ছেদৰ স্থগিতাদেশ লাভ কৰা ৫৯টা পৰিয়ালক ঘৰ-বাৰী খালী কৰিবলৈ বন বিভাগে নিৰ্দেশ জাৰি কৰা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, শুকুৰবাৰে বন বিভাগে মাইকযোগে প্ৰচাৰ চলাই সংশ্লিষ্ট পৰিয়ালসমূহক নিজৰ বয়-বস্তু সামৰি ঘৰ খালী কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ মাজতে ১৭ অক্টোবৰ শনিবাৰে ❑ ৬ পৃষ্ঠাত

### নতুন পৰ্যটন বৰ্ষৰ বাবে মুকলি আগৰাতলী বনাঞ্চল

চহলা বিলৰ পক্ষী বৈচিত্ৰ্য আৰু বন্যপ্ৰাণীৰ অনন্য সৌন্দৰ্য উপভোগ কৰিবলৈ সাজু পৰ্যটক



**অসম বাৰ্তা, নুমলীগড়, ১৬ অক্টোবৰ ঃ** পৰ্যটকৰ বাবে মুকলি কৰা হ'ল কাজিৰঙাৰ অগৰাতলী ৰেঞ্জৰ মনোৰম পক্ষী ভূমি। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য, বিস্তীৰ্ণ জলাশয়, সেউজীয়া ঘাঁহনি আৰু পৰিভ্ৰমী চৰাইৰ বিচিত্ৰ সমাহাৰেৰে পুনৰ পৰ্যটকক আদৰিবলৈ সাজু হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত আগৰাতলী বনাঞ্চল। আজি নতুন পৰ্যটন বৰ্ষৰ বাবে বনাঞ্চলখন পৰ্যটকৰ বাবে মুকলি কৰা হয়। বাৰিষাৰ সময়ছোৱাত বন্ধ হৈ থকা এই ❑ ৬ পৃষ্ঠাত

■ চৰ্ত সাপেক্ষে জামিন; এবছৰতকৈও অধিক সময় কাৰাবন্দী সন্দীপন ■

## অমৃতপ্ৰভাৰ পিছতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সন্দীপন গাৰ্গলৈও জামিন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ সৈতে জড়িত থকাৰ অভিযোগত কাৰাবন্দী সন্দীপন গাৰ্গে অৱশেষত জামিন লাভ কৰিছে। গুৱাহাটী উচ্চন্যায়ালয়ে তেওঁক চৰ্ত সাপেক্ষে জামিন প্ৰদান কৰে। এই ঘটনাৰ পিছতে জুবিন গাৰ্গ হত্যা গোচৰৰ আইনী প্ৰক্ৰিয়াত নতুন গতি সৃষ্টি হোৱা বুলি চৰ্চা চলিছে। জানিব পৰা মতে, জুবিন গাৰ্গৰ সন্দেহজনক হত্যাৰ গোচৰত সন্দীপন



গাৰ্গ যোৱা এক বৰ্ষতকৈ অধিক সময় ধৰি বাক্সা জিলাৰ নিকাচীস্থিত কাৰাগাৰত বন্দী হৈ আছিল। এই দীঘলীয়া সময়ছোৱাত তেওঁ জামিনৰ বাবে অপেক্ষা কৰি আছিল। অৱশেষত গুৱাহাটী উচ্চ ন্যায়ালয়ে তেওঁৰ জামিনৰ আবেদনত সন্মতি জনায়। উল্লেখ্য, এই একেই গোচৰত কাৰাবন্দী হৈ থকা অমৃতপ্ৰভা মহন্তই মাত্ৰ ছয় দিনৰ পূৰ্বে জামিন লাভ ❑ ৬ পৃষ্ঠাত

শেষ দুখন এদিনীয়াত শ্ৰেয়াস আয়াৰ অধিনায়ক

### নিউজিলেণ্ড ভ্ৰমণলৈ ভাৰতীয় দল ঘোষণা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** নিউজিলেণ্ড ভ্ৰমণৰ বাবে বিচিচিআয়ে এদিনীয়া আৰু টেষ্ট দলৰ ভাৰতীয় স্কোয়াড ঘোষণা কৰিছে। এই ভ্ৰমণসূচীত টীম ইণ্ডিয়াই তিনিওটা ফৰ্মেটতে শৃংখলা খেলিব। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে পাঁচখন মেচৰ টি-২০ শৃংখলা সমাপ্ত হোৱাৰ পিছত ভাৰতীয় দলে নিউজিলেণ্ডৰ দীঘলীয়া ভ্ৰমণলৈ যাত্ৰা কৰিব। ইয়াৰ বাবে বিচিচিআয়ে টি-২০ শৃংখলাৰ স্কোয়াড পূৰ্বেই ঘোষণা কৰিছিল; তাৰ পিছত এদিনীয়া আৰু টেষ্ট স্কোয়াডো ঘোষণা কৰা হয়। নিউজিলেণ্ডৰ বিৰুদ্ধে পাঁচখন এদিনীয়া মেচৰ শৃংখলাত প্ৰথম তিনিখন মেচত অধিনায়কত্বৰ দায়িত্ব শুভমন গীলে বহন কৰিব। কিন্তু শেষৰ দুখন এদিনীয়া মেচত ❑ ৬ পৃষ্ঠাত



# যোৰহাটত ফিল্ড কাৰ্যকৰ্তাসকলৰ বাবে লোকপিয়ল ২০২৭ৰ 'জিলা লোকপিয়ল হাতপুথি' (DCHB) সম্পৰ্কীয় দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ

**অসম বাৰ্তা, নকছাৰি, ১৫ অক্টোবৰ ঃ** আজিৰে পৰা যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত লোকপিয়ল ২০২৭ ৰ 'জিলা লোকপিয়ল হাতপুথি' (District Census Handbook- DCHB) প্ৰস্তুতিৰ বাবে ফিল্ড কাৰ্যকৰ্তাসকলৰ (Field Functionaries) দুদিনীয়া এক গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হয়। ১৫ আৰু ১৬ অক্টোবৰ লৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ তিতাবৰ গ্ৰাম্য চক্ৰ, পশ্চিম গ্ৰাম্য চক্ৰ, যোৰহাট পৌৰসভা, টীয়ক পৌৰসভা, তিতাবৰ পৌৰসভা আৰু মৰিয়নি পৌৰসভাৰ মুঠ ৪৮ গৰাকী ফিল্ড কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰিছে। এই কাৰ্যসূচীত ফিল্ড কাৰ্যকৰ্তাসকলক জিলা লোকপিয়ল হাতপুথিৰ (District Census Handbook -DCHB) প্ৰস্তুতি আৰু লোকপিয়লৰ সঠিক তথ্য সংগ্ৰহ প্ৰক্ৰিয়া তথা কাৰ্যপদ্ধতিৰ বিষয়ে বিশদভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই প্ৰশিক্ষণ কাৰ্যসূচীত গুৱাহাটীস্থিত লোকপিয়ল সঞ্চালকালয়ৰ পৰা সহকাৰী সঞ্চালক সুৰজিৎ দে' আৰু পৰিসংখ্যা প্ৰশিক্ষক ঋতিক ৰাজ ডাঙৰীয়াই মূল প্ৰশিক্ষক হিচাপে উপস্থিত থাকি ফিল্ড কাৰ্যকৰ্তাসকলক প্ৰশিক্ষণ প্ৰদান কৰে। আজিৰ এই শুভাৰম্ভণি কাৰ্যসূচীত যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানী ডাঙৰীয়া আৰু অতিৰিক্ত জিলা আয়ুক্ত (লোকপিয়ল) বিপাঞ্চী দত্ত ডাঙৰীয়ানী উপস্থিত থাকি সকলো প্ৰশিক্ষাৰ্থী ফিল্ড কাৰ্যকৰ্তাক উষ্ম আদৰণি জনায়। জিলা আয়ুক্তগৰাকীয়ে তেওঁৰ ভাষণত লোকপিয়ল প্ৰক্ৰিয়াৰ গুৰুত্ব প্ৰকাশ কৰি ফিল্ড কাৰ্যকৰ্তাসকলক এই প্ৰশিক্ষণত সক্ৰিয় আৰু মনোযোগেৰে অংশগ্ৰহণ কৰি সমগ্ৰ প্ৰক্ৰিয়াটো সফলতাৰে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। প্ৰশিক্ষণ কাৰ্যসূচীটোত অতিৰিক্ত জিলা লোকপিয়ল বিষয়া জ্যোতিকণা চেতিয়া, সংশ্লিষ্ট চক্ৰসমূহৰ চাৰ্জ অফিচাৰ, চাৰ্জ এছিষ্টেণ্টসকল আৰু লোকপিয়ল বিভাগৰ অন্যান্য সংশ্লিষ্ট বিষয়া তথা কৰ্মচাৰীসকল উপস্থিত থাকে।

## ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ঘাগৰ নগৰ নামঘৰ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৬ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ বগীনদী উন্নয়ন খণ্ডৰ অন্তৰ্গত পদুমণি গাঁও পঞ্চায়তৰ ঘাগৰ নগৰ ৬ নং ৱাৰ্ডত আজি ১৬ অক্টোবৰত এটা গুৰুত্বপূৰ্ণ পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ঘাগৰ নগৰ নামঘৰলৈ ৪৪ লাখ টকাৰ ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া পথটোৰ আধাৰশিলাৰ ফিতা কাটি শুভাৰম্ভ কৰে লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকাৰ হৈ বগীনদী মণ্ডল বিজেপিৰ সভাপতি ধীৰেণ সোণোৱালে। ২০২৬-২৭ বৰ্ষৰ VB-GRAM-G আঁচনিৰ অধীনত চি চি পেভাৰৰ দ্বাৰা নিৰ্মাণ হ'ব গুৰুত্বপূৰ্ণ পথটো। অতি গুৰুত্বপূৰ্ণ পথটো আবণ্টন দিয়াৰ বাবে বিধায়ক মানৱ ডেকাক ধন্যবাদ জ্ঞাপন কৰে ঘাগৰ নগৰবাসীয়ে। এই আধাৰশিলা স্থাপন অনুষ্ঠানত পদুমণি গাঁও পঞ্চায়তৰ সভাপতি যদু চুতীয়া, ৱাৰ্ড সদস্য প্ৰেম কুমাৰ(পাপলু) পায়েং, ঘাগৰ নগৰ বুথৰ সভাপতি নাৰায়ণ বৰুৱাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## জেংৰাইমুখ মহাবিদ্যালয়ত সদৌ অসমভিত্তিক আন্তঃ মহাবিদ্যালয়/ বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতা সম্পন্ন

**শ্ৰেষ্ঠ তাৰ্কিক কটনৰ প্ৰজ্ঞানজ্যোতি**



**অসম বাৰ্তা, উজনী মাজুলী, ১৬ অক্টোবৰ ঃ** জেংৰাইমুখ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত চতুৰ্থ বাৰ্ষিক অসমভিত্তিক আন্তঃ মহাবিদ্যালয়/বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি আজি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ বিষয় হ'ল সদনৰ মতে, "সামাজিক মাধ্যমৰ বিস্তাৰ আৰু সহজলভ্যতাই গণতন্ত্ৰক শক্তিশালী কৰাৰ পৰিৱৰ্তে সংকটাপন্ন আৰু নিশকতীয়াহে কৰিছে।" বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ পেগুৱে। মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালীন শুভদৰ্শিনীয়ে উদ্বোধন কৰা প্ৰতিযোগিতাখনিত অধ্যক্ষৰ দায়িত্ব পালন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জিতু বৰাই। বাহনা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক অজিত বৰা, মাজুলী বিশ্ববিদ্যালয়ৰ সহকাৰী পঞ্জীয়ক ক্ষীৰসিন্ধু শইকীয়া, কুৰিখনৰো অধিক তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিক শতাব্দী হাজৰিকাই প্ৰতিযোগিতাখনিৰ বিচাৰকৰ দায়িত্ব পালন কৰে। অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যোগদান কৰা প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা লাভ কৰে কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ প্ৰজ্ঞানজ্যোতি ভূএগ্ৰাই। আনহাতে দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা লাভ কৰে বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ ছাত্ৰ দিব্যজ্যোতি নাথ আৰু ইষ্টাৰ্ন এছ এছ স্কুলৰ ছাত্ৰী তৰংগনা প্ৰিয়ম ফুকনে। প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয় আইলেণ্ড একাডেমি, মাজুলী আৰু দ্বিতীয় শ্ৰেষ্ঠ দল ঘোষিত হয় কটন বিশ্ববিদ্যালয়। প্ৰতিযোগিতাখনৰ বিজয়ী প্ৰতিযোগীসকলক নগদ ধন, ট্ৰফী আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। এই বঁটা বিতৰণী অনুষ্ঠানতে সেৱা সংকল্প অভিযানৰ অন্তৰ্গতভাৱে আয়োজিত মাজুলীভিত্তিক তৰ্ক প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত আৰু ৰাজ্যিক ভিত্তিৰ তৰ্ক প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত জেংৰাইমুখ মহাবিদ্যালয়ৰ ছাত্ৰ ডিকেন্স দলে, মাজুলীভিত্তিক কুইজ প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত নিবিড় হাজৰিকা আৰু পংকজ লাগাচু তথা স্বাধীনতা দিৱসৰ মাৰ্চ পাছ প্ৰতিযোগিতাত মাজুলীৰ ভিত্তিত প্ৰথম স্থান লাভ কৰা জেংৰাইমুখ মহাবিদ্যালয়ৰ নাইন আছাম এন চি চি দলৰ এ এন অ' ড° হৰকান্ত পেগুক জেংৰাইমুখ মহাবিদ্যালয় পৰিয়ালে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটি পৰিচালনা কৰে তৰ্ক আৰু সাহিত্য বিভাগৰ 'অধ্যাপক প্ৰতিনিধি' দেৱজিত শইকীয়াই আৰু অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপক পৰীস্মিতা বৰাই।

# শিৱসাগৰৰ আমগুৰিত উলহ-মালহেৰে বিশ্ব হাত ধোৱা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, গেলেকী, ১৬ অক্টোবৰ ঃ** প্ৰতি বছৰৰ দৰে এইবাৰো ১৫ অক্টোবৰত বিশ্বজুৰি পালন কৰা হয় 'বিশ্ব হাত ধোৱা দিৱস'। এই দিৱসৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলাৰ আমগুৰিতো বিভিন্ন কাৰ্যসূচীৰে দিনটো উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। আমগুৰি বৰবাম চাহ বাগিচাত সামাজিক মঞ্চ 'পোহৰ'ৰ উদ্যোগত বিশ্ব হাত ধোৱা দিৱসটি অত্যন্ত তাৎপৰ্যপূৰ্ণভাৱে পালন কৰা হয়। অনুষ্ঠানটিত উপস্থিত থকা কণ কণ শিশুসকলক সঠিকভাৱে হাত ধোৱাৰ নিয়ম আৰু স্বাস্থ্যসন্মত অভ্যাসৰ গুৰুত্ব সম্পৰ্কে বিস্তৃতভাৱে বুজাই দিয়া হয়। সামাজিক মঞ্চ 'পোহৰ'ৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানটি সুন্দৰভাৱে পৰিচালনা আৰু আঁত ধৰে পল্লৱ জ্যোতি গগৈয়ে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে স্থানীয় শিক্ষক, সমাজকৰ্মী তথা ক্ৰীড়া সংগঠক নিৰ্মল নন্দি। মঞ্চটোৰ তৰফৰ পৰা অনুষ্ঠানত মাধুৰ্য গগৈ, ঋতুপৰ্ণ নেওগ আৰু সাংবাদিক ৰাহিদ আলী উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তুলাত সহযোগ কৰে। ইফালে, সমান্তৰালকৈ চামগুৰিতো বৃহত্তৰ চামগুৰি শিল্পী অনুৰাগী মঞ্চ আৰু আদ্যগুৰু শিল্পী সমাজৰ যুটীয়া উদ্যোগত বিশ্ব হাত ধোৱা দিৱসটি পালন কৰাৰ লগতে এখনি সজাগতামূলক সভা আয়োজন কৰা হয়। ৯৪ নং চামগুৰি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এই সজাগতামূলক সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক কেশৱ বৰুৱা আৰু শিক্ষক মণ্টু গগৈ। উপস্থিত অতিথিসকলে ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ মাজত হাত ধোৱাৰ জৰিয়তে বিভিন্ন ৰোগৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ উপায়সমূহৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে।

## জাগীৰোডত অসম চৰকাৰৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ চেক বিতৰণ

**অসম বাৰ্তা, ধৰমতুল, ১৬ অক্টোবৰ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ উদ্যোগত শিক্ষাৰ্থীসকলক উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আৰ্থিকভাৱে সাহায্য কৰাৰ উদ্দেশ্য ৰূপায়ণ কৰা মুখ্যমন্ত্ৰীৰ 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ প্ৰথম কিস্তিৰ চেক বিতৰণৰ অনুষ্ঠানটি ১৫ অক্টোবৰ বৃহস্পতিবাৰে সফলতাৰে সম্পন্ন হয়। জাগীৰোড মহাবিদ্যালয়ৰ (স্বতন্ত্ৰ) কনভেনচন হলত সাজু কৰা এই অনুষ্ঠানত শিক্ষাৰ্থীসকলৰ হাতত আৰ্থিক সাহায্যৰ চেকসমূহ তুলি দিয়া হয়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভৱেন চন্দ্ৰ নেওগ, জাগীৰোড উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ দিব্যজিত নেওগ, মায়ং ৰাজহ চক্ৰ বিষয়া দীপা তালুকদাৰ, জাগীৰোড থানাৰ উপ-পৰিদৰ্শক প্ৰাঞ্জল শৰ্মা আৰু এচ'ই ধৰমতুলৰ মডেল শিক্ষক ড° গাৰ্গী ফুকন, মিণ্ডাৰ এংটি, অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# আঠখেল মৌজাত নতুন মৌজাদাৰ নিয়োগৰ বাবে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বিজ্ঞাপন প্ৰকাশ

**অসম বাৰ্তা, গেলেকী, ১৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ নাজিৰা সম-জিলাৰ অধীনস্থ আঠখেল মৌজাৰ মৌজাদাৰগৰাকীৰ আকস্মিক মৃত্যুৰ পাছত খালি হোৱা মৌজাদাৰ পদৰ বাবে যোগ্য প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ে। জিলা আয়ুক্তৰ তৌজি নবিচ (ৰাজহ) শাখাৰ পৰা প্ৰকাশিত এক এক বিবৃতি অনুযায়ী, "অসম ভূমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬"ৰ ১১৫ নং নিয়মৰ ধাৰা অনুসৰি এই বিজ্ঞাপন জাৰি কৰা হৈছে। বিজ্ঞাপনত উল্লেখ কৰা মতে, আবেদনকাৰী প্ৰাৰ্থীগৰাকী ভাৰতীয় নাগৰিক তথা অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে আঠখেল মৌজাৰ স্থানীয় আৱাসী হ'ব লাগিব। ইয়াৰ উপৰিও মৌজাৰ সাধনী তথা বকেয়া ৰাজহৰ জামিন হিচাপে প্ৰাৰ্থীজন আৰ্থিকভাৱে সচ্ছল হোৱা আৰু নিৰ্ধাৰিত স্থাৱৰ সম্পত্তি তথা নগদ ধন জামিন হিচাপে আগবঢ়াব পৰা ক্ষমতা থাকিব লাগিব। শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত মেট্ৰিক বা তাতোতকৈ উচ্চ শিক্ষা লাভ কৰা তথা মৌজা পৰিচালনাৰ পূৰ্ব অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। মনোনীত মৌজাদাৰজনে চলিত বৰ্ষৰ ৰাজহ সংগ্ৰহৰ উপৰিও ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ ৰাজহ বছৰৰ বাকী পৰি থকা সংগ্ৰহৰ সম্পূৰ্ণ দায়িত্ব বহন কৰিব লাগিব। ইচ্ছুক প্ৰাৰ্থীসকলে অহা ৩০ অক্টোবৰ, ২০২৬ তাৰিখৰ ভিতৰত প্ৰয়োজনীয় নথি-পত্ৰ, চৰিত্ৰৰ প্ৰমাণ পত্ৰ আৰু অৰ্হতাৰ সবিশেষ তথ্যসহ শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ তৌজি নবিচ (ৰাজহ) শাখাত আবেদন দাখিল কৰিব পাৰিব।

**সভাপতি শ্বেখ আব্দুল্লাহ, উপ-সভানেত্ৰী মাছুমা খাতুন নিৰ্বাচিত**

# লোচনাবৰী মজলীয়া বিদ্যালয়ৰ পূৰ্ণাংগ পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, মৈৰাবাৰী, ১৬ অক্টোবৰ ঃ** লোচনাবৰী মজলীয়া বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰা, শিক্ষাৰ গুণগত মান বৃদ্ধি কৰা আৰু বিদ্যালয়খনৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে আজি বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। ১৮ জনীয়া এই পৰিচালনা সমিতিখনৰ সভাপতি নিৰ্বাচিত কৰা হয় শ্বেখ আব্দুল্লাক, বিপৰীতে উপ-সভানেত্ৰী হিচাপে নিৰ্বাচিত কৰা হয় মাছুমা খাতুনক। সভাখনত সভাপতিত্ব কৰে নিজাম উদ্দিনে। আনহাতে, সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু পূৰ্বৰ খতিয়ান ৰাইজৰ আগত দাঙি দৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক হবিবুৰ ৰহমানে। সভাত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ ভূমিকা আৰু দায়িত্বৰ বিষয়ে আলোচনা কৰে আকতাৰুল হকে। উল্লেখ্য যে, ইয়াৰ তিনিদিন পূৰ্বে বিদ্যালয়খনত স্থানীয় অভিভাৱকসকলৰ উপস্থিতিত পৰিচালনা সমিতিৰ সদস্য নিৰ্বাচনৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হৈছিল। উক্ত সভাত অভিভাৱকসকলৰ অংশগ্ৰহণেৰে সমিতিৰ সদস্য বাছনিৰ প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। পৰৱৰ্তী সময়ত আজি ১৮ জনীয়া পৰিচালনা সমিতিখন পূৰ্ণাংগ ৰূপত গঠন কৰা হয়। স্থানীয় অভিভাৱক আৰু বিদ্যালয়ৰ সৈতে জড়িত সচেতন মহলে নৱগঠিত পৰিচালনা সমিতিখনে বিদ্যালয়খনৰ শৈক্ষিক উত্তৰণৰ দিশত দায়িত্বশীল ভূমিকা পালন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ অধিক উজ্জ্বল কৰি তোলাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি আশা প্ৰকাশ কৰা হৈছে।

## দেৰগাঁৱৰ ৯ নং ৱাৰ্ডৰ ধৰ্মপ্ৰাণা মহিলা মলানী বৰাৰ বিয়োগ

**অসম বাৰ্তা, দেৰগাঁও, ১৫ অক্টোবৰ ঃ** দেৰগাঁও টাউনৰ ৯ নং ৱাৰ্ডৰ ধৰ্মপ্ৰাণা তথা সৰ্ববৰহী মহিলা মলানী বৰাৰ বিয়োগত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। যোৱা ১৪ অক্টোবৰত ৯৬ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে মহিলাগৰাকীয়ে। মলানী বৰাৰ বিয়োগত অঞ্চলবাসীয়ে এগৰাকী অমায়িক, পৰোপকাৰী আৰু সমাজহিতৈষী মহিলাক হেৰুৱালে। তেওঁৰ সৰল জীৱন-যাপন, মধুৰ ব্যৱহাৰ তথা ধৰ্মীয় আৰু সামাজিক কৰ্মৰ প্ৰতি থকা একান্ত আগ্ৰহে সকলোৰে হৃদয়ত সুকীয়া স্থান দখল কৰিছিল। তেওঁৰ জীৱনাদৰ্শ আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতা অঞ্চলবাসীৰ মাজত সদায় স্মৰণীয় হৈ ৰ'ব। তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে বিভিন্নজনে। লগতে বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক এই অপূৰণীয় ক্ষতি সহ্য কৰিব পৰাকৈ শক্তি প্ৰদান কৰিবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

**স্মাৰ্ট মিটাৰ লগাবলৈ অহা দলৰ বিৰুদ্ধে এজাহাৰ**

# নাবালিকা কন্যাক ভাবুকি দি ভাঙিলে মিটাৰ বাকচ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৬ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ কাটৰি চাপৰি বৰবালিত ১৬ অ'ৈবৰত স্মাৰ্ট মিটাৰ লগোৱাক লৈ উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। বগীনদী থানাৰ অন্তৰ্গত কাটৰি চাপৰি বৰবালি নিৱাসী পংকজ বৰাই চাউলধোৱা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক এজাহাৰ দাখিল কৰি অভিযোগ উত্থাপন কৰিছে যে স্মাৰ্ট মিটাৰ লগাবলৈ অহা এটা দলে তেওঁৰ ১৩ বছৰীয়া নাবালিকা কন্যাক ভাবুকি প্ৰদান কৰাৰ লগতে ঘৰৰ পুৰণি বিদ্যুৎ মিটাৰৰ বাকচটো ভাঙি চুৰমাৰ কৰে। গুৰুত্বৰ অভিযোগ উত্থাপিত হোৱা লোক কেইজন হৈছে সততে বৈদ্যুতিক খণ্ডত কাম কৰা বুলি চিনাকি দিয়া কাটৰি চাপৰি ধনপুৰৰ জিতু বৰুৱা, চাউলধোৱাঘাটৰ গণেশ দাহাল আৰু কাটৰি চাপৰি অঞ্চলৰ গাঁও প্ৰধান দিলীপ বৰা। এজাহাৰত উল্লেখ কৰা মতে, আজি প্ৰায় দিনৰ ২ বজাত বৰবালিৰ নিবাসী পংকজ বৰা গৃহত নথকাৰ সুযোগত অভিযুক্ত কেইজনে লগত আন দুজন যুৱকক লগত লৈ পংকজ বৰাৰ গৃহত প্ৰৱেশ কৰে। সেই সময়ত ঘৰত তেওঁৰ নাবালিকা কন্যা অকলে আছিল। দলটোৱে ঘৰখনৰ মুৰব্বী পংকজ বৰাৰ লগত যোগাযোগ নকৰাকৈয়ে বল প্ৰয়োগ কৰি স্মাৰ্ট মিটাৰ লগাব বিচৰাত কন্যাই দেউতা ঘৰত নাই, দেউতা আহিলেহে স্মাৰ্ট মিটাৰ লগাবলৈ নম্ৰভাৱে অনুৰোধ কৰে। কিন্তু অভিযুক্তসকলে কোনো কথা নুশুনি নাবালিকাক অশ্লীল গালি-গালাজ কৰাৰ লগতে ভাবুকি প্ৰদান কৰে তথা জোৰ-জবৰদস্তি পুৰণি মিটাৰতো ভাঙি পেলোৱাৰ লগতে স্মাৰ্ট মিটাৰ স্থাপন কৰে। পিছত ঘৰত নাবালক পুত্ৰ উপস্থিত হৈ এই কাৰ্যৰ বিৰোধিতা কৰাত "আৰক্ষীৰ ওচৰলৈ গ'লেও আৰক্ষীয়ে কি কৰে চাই ল'ম" বুলি অভিযুক্ত সকলে মন্তব্য কৰাৰ অভিযোগো উত্থাপন হৈছে। এই ঘটনাই এলেকাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। স্মাৰ্ট মিটাৰ স্থাপনক লৈ এনে ভাবুকি আৰু সম্পত্তি ধ্বংসৰ ঘটনাই স্থানীয় ৰাইজক উদ্বিগ্ন কৰি তুলিছে। স্মাৰ্ট মিটাৰ লগোৱাৰ নামত সন্ত্ৰাসৰ সৃষ্টি কৰা এইসকল লোকৰ বিৰুদ্ধে এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

**মৰ্ণিং ষ্টাৰ হাইস্কুলৰ ফুটবল দলক ব্যক্তিগত উদ্যোগত জাৰ্ছী প্ৰদান**

# বৰঙাবাৰীৰ যুৱ সমাজকৰ্মী প্ৰণৱজ্যোতি ভূএগ্ৰাৰ মহানুভৱতা

**অসম বাৰ্তা, গহপুৰ, ১৬ অক্টোবৰ ঃ** যুৱ প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত উৎসাহজনক পদক্ষেপ গ্ৰহণ কৰি সমাদৰ বুটলিবলৈ সক্ষম হৈছে গহপুৰ সমজিলাৰ বৰঙাবাৰীৰ যুৱ সমাজকৰ্মী প্ৰণৱজ্যোতি ভূএগ্ৰাই। নিজৰ ব্যক্তিগত উদ্যোগত বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ ফুটবল দলৰ খেলুৱৈসকলক জাৰ্ছী প্ৰদান কৰি মহানুভৱতাৰ পৰিচয় দিছে যুৱ সমাজকৰ্মীগৰাকীয়ে। উল্লেখ্য যে, এইবাৰ অসম চৰকাৰৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া 'খেল মহাৰণ' কাৰ্যসূচীত মৰ্ণিং ষ্টাৰ হাইস্কুলৰ ফুটবল দলটোৱে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখনত অংশগ্ৰহণৰ পূৰ্বে দলটোৰ খেলুৱৈসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰণৱজ্যোতি ভূএগ্ৰাই নিজা প্ৰচেষ্টাৰে জাৰ্ছীসমূহৰ ব্যৱস্থা কৰে। আজি বিদ্যালয়খনত উপস্থিত হৈ যুৱ সমাজকৰ্মীগৰাকীয়ে ফুটবল খেলুৱৈসকলৰ মাজত নিজ হাতে জাৰ্ছীসমূহ বিতৰণ কৰে। এই উপলক্ষে বিদ্যালয়খনৰ পৰিচালন সঞ্চালক যাদৱ চলিহা আৰু অধ্যক্ষ দিনেশ কুমাৰ কেচিয়ে প্ৰণৱজ্যোতি ভূএগ্ৰাক ফুলাম গামোচাৰে আদৰণি জনোৱাৰ লগতে তেওঁৰ এই মহানুভৱতাক আন্তৰিকতাৰে শলাগ লয়। যুৱ খেলুৱৈসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ ক্ৰীড়া যাত্ৰাত সহায়ৰ হাত আগবঢ়োৱা প্ৰণৱজ্যোতি ভূএগ্ৰাৰ এই পদক্ষেপক শিক্ষানুৰাগী মহলৰ লগতে ক্ৰীড়াপ্ৰেমী ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। এনে পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তোলাতো সহায় কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, যুৱ প্ৰজন্মক ইতিবাচক দিশেৰে আগুৱাই নিয়াৰ লক্ষ্যৰে প্ৰণৱজ্যোতি ভূএগ্ৰাই বিভিন্ন সামাজিক আৰু জনকল্যাণমূলক পদক্ষেপ গ্ৰহণ কৰি আহিছে। সমাজৰ নৱপ্ৰজন্মৰ প্ৰতিভা বিকাশ আৰু তেওঁলোকৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত এনেধৰণৰ সহযোগিতাই বিশেষ গুৰুত্ব বহন কৰে। তেওঁৰ এনে প্ৰচেষ্টাই ইতিমধ্যে অঞ্চলটোৰ ৰাইজৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

**ধূপগুৰী প্ৰেক্ষাগৃহত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠান; আৰম্ভ ধন্যবাদ যাত্ৰা**

# ডুমডুমীয়া মণ্ডলৰ উদ্যোগত নৱ-নিৰ্বাচিত সাংসদ দেৱাশিস শৰ্মাক সম্বৰ্ধনা



**অসম বাৰ্তা, বটদ্ৰৱা, ১৬ অক্টোবৰ ঃ** নগাঁও জিলাৰ থিঙৰ ডুমডুমীয়া মণ্ডলৰ উদ্যোগত আজি ধূপগুৰী প্ৰেক্ষাগৃহত ৯ নং নগাঁও লোকসভা সমষ্টিৰ নৱনিৰ্বাচিত সাংসদ দেৱাশিস শৰ্মাক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ভাৰতীয় জনতা পাৰ্টিৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে ধন্যবাদ যাত্ৰাৰো আৰম্ভ কৰা হয়। উক্ত অনুষ্ঠানত নৱনিৰ্বাচিত সাংসদ দেৱাশিস শৰ্মাৰ লগতে ডুমডুমীয়া মণ্ডলৰ সভাপতি আছাদুল হক চৌধুৰী আৰু মণ্ডলৰ বিভিন্ন বিষয়ববীয়া উপস্থিত থাকে। ইয়াৰ উপৰি মণ্ডলৰ অন্তৰ্গত বিভিন্ন মৰ্চাৰ সভাপতি আৰু বিষয়ববীয়া, শক্তি কেন্দ্ৰৰ আহ্বায়ক, বুথ সভাপতি-সম্পাদকৰ লগতে দলীয় কাৰ্যকৰ্তাসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অন্যতম উল্লেখযোগ্য কাৰ্যসূচী হিচাপে ধনীয়াভেটী গাঁও পঞ্চায়তৰ শক্তি কেন্দ্ৰৰ আহ্বায়ক তথা ইঞ্চাৰ্জ মহম্মদ আশিক হুছেইনে নৱনিৰ্বাচিত সাংসদ দেৱাশিস শৰ্মাক এখনি অভিনন্দন-পত্ৰ প্ৰদান কৰে। লগতে এখনি চেলেং চাদৰেৰে উষ্ম আদৰণি জনাই সাংসদগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। নিৰ্বাচনত লাভ কৰা সফলতাৰ পাছত সাংসদগৰাকীক অভিনন্দন জনোৱাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়োৱা দলীয় কাৰ্যকৰ্তা আৰু ৰাইজৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাই এই কাৰ্যসূচীৰ অন্যতম উদ্দেশ্য। ডুমডুমীয়া মণ্ডলৰ উদ্যোগত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে দলীয় কৰ্মীসকলৰ মাজত উৎসাহ আৰু উদ্দীপনাৰ পৰিৱেশৰ সৃষ্টি হয়।

## ডুমডুমাত সেৱা সংকল্প অভিযানৰ অধীনত পথ সুৰক্ষা সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অংশ হিচাপে তিনিচুকীয়া জিলা পৰিবহণ বিভাগৰ উদ্যোগত আজি ডুমডুমাৰ মাৰোৱাৰী পঞ্চায়তী ভৱনত পথ সুৰক্ষা সজাগতা এখন সভা অনুষ্ঠিত হয়। হেলমেট পৰিধান কৰা, ছিটবেল্ট পৰিধান কৰা, নিৰ্ধাৰিত গতিবেগ মানি চলা আৰু সুৰাপান কৰি বাহন চলোৱাৰ পৰা বিৰত থকা আদি বিষয়বোৰৰ সম্পৰ্কে ৰাইজ তথা প্ৰতিজন বাহন চালকক সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা এই সভাখনত বাহন চলোৱাৰ সময়ত ম'বাইল ফোন ব্যৱহাৰ নকৰিবলৈও আহ্বান জনায়। ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, জিলা পৰিবহণ বিষয়া কানাই মহন্ত, ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত কৃতাৰ্থ নেওগ, সমজিলা আৰক্ষী অধীক্ষক দিগন্ত দত্ত, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোজ্জ্বল গগৈকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে অঞ্চলটোৰ ভালেসংখ্যক বাহন চালক আৰু সাধাৰণ ৰাইজ আজিৰ সভাত উপস্থিত আছিল।

**NAME CORRECTION**

My actual and correct name is MONIRA KHATUN which has been recorded in my relevant all documents including Aadhar Card, vide No. 6941 9608 7065, PAN Card vide no GGPPK2770A but my Name has erroneously been recorded MANIRA BIBI in my bank passbook of Assam Gramin Vikash Bank having A/C no. 7150026009140 of Lakhiganj Branch as MANIRA BIBI instead of correct name MONIRA KHATUN. That , both MANIRA BIBI and MONIRA KHATUN signifies the same and one identical person. i,e. my self.

Sd/-
MONIRA KHATUN
C/O: Bellal Uddin,
VVill: Khudigaon Pt.II,
P.O.: Lakhiganj Bazar,
Pin: 783345, SD: Bilasipara,
Dist: Dhubri, Assam

AB-195/2026

# দশভুজাৰ প্ৰতীকী শক্তি আৰু আধুনিক নাৰীৰ বহুমাত্ৰিক জীৱন সংগ্ৰাম

কানুপ্ৰিয়া ডেকা

শৰতৰ স্নিগ্ধ নীলিমাত যেতিয়া কঁহুৱাৰ শুভ্ৰ আভাই ধৰাৰ বুকুত এক মায়াময় সৌন্দৰ্যৰ সৃষ্টি কৰে, শেৱালিৰ সুৰভিয়ে যেতিয়া নিয়ৰসিক্ত প্ৰভাতৰ প্ৰতিটো প্ৰহৰক পৱিত্ৰতাৰ পৰশেৰে জীপাল কৰি তোলে, তেতিয়াই আগমন ঘটে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ। শংখৰ মাংগলিক ধ্বনি, উৰুলিৰ মধুৰ অনুৰণন আৰু ধূপ-ধূনাৰ সুবাসেৰে মুখৰিত হৈ পৰে ধৰাৰ প্ৰতিটো প্ৰান্ত। মণ্ডপৰ মাজত প্ৰতিষ্ঠিত দশভুজা দেৱীৰ প্ৰতিমাখন যেন কেৱল এক মৃণ্ময়ী শিল্পকৰ্ম নহয়, বৰঞ্চ নাৰীশক্তি, সাহস, আত্মবিশ্বাস আৰু অন্যায়ৰ বিৰুদ্ধে সংগ্ৰামৰ এক চিৰন্তন প্ৰতীক।

দেৱী দুৰ্গাৰ দশভুজা ৰূপৰ অন্তৰালত নিহিত হৈ আছে গভীৰ দাৰ্শনিক তাৎপৰ্য। দহখন হাতত ধাৰণ কৰা বিভিন্ন অস্ত্ৰই যেন জীৱনৰ ভিন্ন প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজ দিয়াৰ দহোটা পৃথক সামৰ্থ্যৰ প্ৰতিনিধিত্ব কৰে। পৌৰাণিক আখ্যানত দেৱীয়ে মহিষাসুৰৰ অহংকাৰ আৰু অত্যাচাৰৰ অৱসান ঘটাই ধৰাৰ বুকুত ন্যায় আৰু শান্তি প্ৰতিষ্ঠা কৰিছিল। সেই শক্তিৰ প্ৰতীকী তাৎপৰ্যক আধুনিক সমাজৰ পৰিপ্ৰেক্ষিতত বিশ্লেষণ কৰিলে দেখা যায় যে আজিৰ নাৰীৰ জীৱনো এক বহুমাত্ৰিক সংগ্ৰামৰ প্ৰতিচ্ছবি। তেওঁৰ প্ৰতিটো দিনতে থাকে নতুন প্ৰত্যাহ্বান, নতুন দায়িত্ব আৰু নিজস্ব অস্তিত্ব প্ৰতিষ্ঠাৰ এক নীৰৱ প্ৰয়াস।

*দশভুজাৰ প্ৰতীক আৰু নাৰীৰ বহুমুখী সত্তা ঃ*

দেৱীৰ দহখন হাতক আধুনিক নাৰীৰ বহুমুখী জীৱনযাত্ৰাৰ এক প্ৰতীকী ৰূপ হিচাপে কল্পনা কৰিব পাৰি। এগৰাকী নাৰীয়ে একে সময়তে পাৰিবাৰিক দায়িত্ব, কৰ্মজীৱন, সামাজিক সম্পৰ্ক, ব্যক্তিগত আকাংক্ষা আৰু আত্মপ্ৰতিষ্ঠাৰ মাজত এক সামঞ্জস্য ৰক্ষা কৰিবলৈ চেষ্টা কৰে। তেওঁ কেতিয়াবা মাতৃৰ স্নেহময়ী প্ৰতিমূৰ্তি, কেতিয়াবা এগৰাকী কন্যাৰ স্বপ্নময় সত্তা, কেতিয়াবা কৰ্মক্ষেত্ৰৰ দৃঢ় ব্যক্তিত্ব, আকৌ কেতিয়াবা অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদী কণ্ঠ। এই সকলোবোৰ পৰিচয়ৰ সমাহাৰেই আধুনিক নাৰীৰ বহুমাত্ৰিক জীৱন।

দেৱীৰ এখন হাতত থকা ত্ৰিশূলক অন্যায় আৰু অসত্যৰ বিৰুদ্ধে প্ৰতিবাদৰ প্ৰতীক হিচাপে চাব পাৰি। সেইদৰে আধুনিক নাৰীৰ হাতত থকা শিক্ষা, যুক্তিবোধ আৰু আত্মবিশ্বাস হৈছে সামাজিক কুসংস্কাৰ আৰু বৈষম্যৰ বিৰুদ্ধে যুঁজ দিয়াৰ শক্তিশালী আহিলা। আনহাতে, দেৱীৰ পদ্মফুলে পৱিত্ৰতা আৰু কোমলতাৰ যি বাৰ্তা বহন কৰে, সেয়া নাৰীৰ মানৱীয় অনুভূতি, সহানুভূতি আৰু সৃষ্টিশীলতাৰ সৈতে একাত্ম হৈ পৰে। অৰ্থাৎ নাৰীৰ শক্তি কেৱল কঠোৰতাৰ মাজতেই সীমাবদ্ধ নহয়; তেওঁৰ কোমলতাতো নিহিত হৈ থাকে এক অপৰিসীম শক্তি।

*শিক্ষা আৰু আত্মপ্ৰতিষ্ঠাৰ নতুন দিগন্ত ঃ*

সময়ৰ পৰিৱৰ্তনৰ লগে লগে নাৰীৰ জীৱনদৰ্শনতো আহিছে এক বৈপ্লৱিক ৰূপান্তৰ। এসময়ত যি নাৰীৰ জীৱন পাৰিবাৰিক পৰিসীমাৰ মাজতেই সীমাবদ্ধ কৰি ৰখাৰ প্ৰৱণতা আছিল, আজি সেই নাৰীয়েই জ্ঞান-বিজ্ঞানৰ বিশাল ক্ষেত্ৰখনত নিজৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে।

শিক্ষা হৈছে নাৰীৰ আত্মপ্ৰতিষ্ঠাৰ প্ৰথম আৰু অন্যতম শক্তিশালী ভেটি। শিক্ষাই তেওঁক কেৱল জীৱিকাৰ পথেই দেখুৱাই নিদিয়ে, বৰং নিজৰ অধিকাৰ, কৰ্তব্য আৰু সামাজিক অস্তিত্ব সম্পৰ্কে সচেতন কৰি তোলে।

আজিৰ নাৰীয়ে চিকিৎসা, অভিযান্ত্ৰিক, প্ৰশাসন, সাহিত্য, ৰাজনীতি, ক্ৰীড়া, উদ্যোগ আৰু প্ৰযুক্তিৰ দৰে বিভিন্ন ক্ষেত্ৰত নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিছে। তেওঁ কেৱল আনৰ সফলতাৰ কাহিনী শুনি থকা এগৰাকী দৰ্শক নহয়, বৰঞ্চ নিজৰ অধ্যৱসায়েৰে সফলতাৰ নতুন ইতিহাস ৰচনা কৰা এগৰাকী নিৰ্মাতা। তেওঁৰ সাফল্যই প্ৰমাণ কৰে যে প্ৰতিভাৰ কোনো লিংগভিত্তিক সীমাৰেখা নাই। সুযোগ আৰু উপযুক্ত পৰিৱেশ লাভ কৰিলে নাৰীয়েও সমাজৰ প্ৰতিটো ক্ষেত্ৰতে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব পাৰে।

*সামাজিক বৈষম্য আৰু মানসিকতাৰ মহিষাসুৰ ঃ*

কিন্তু নাৰীৰ এই অগ্ৰগতিৰ মাজতো সমাজৰ বুকুত আজিও কিছুমান অদৃশ্য শিকলি বৰ্তি আছে। নাৰীক শিক্ষিত কৰাৰ কথা কোৱা হয়, কিন্তু বহু সময়ত তেওঁৰ স্বাধীন সিদ্ধান্তক সহজভাৱে গ্ৰহণ কৰা নহয়। নাৰীৰ সফলতাক প্ৰশংসা কৰা হয়, অথচ তেওঁৰ ব্যক্তিগত স্বাধীনতা আৰু মতামতৰ ক্ষেত্ৰত আৰোপ কৰা হয় অলিখিত সীমাৰেখা। এয়া যেন আধুনিকতাৰ উজ্জ্বল আৱৰণৰ আঁৰত লুকাই থকা এক পুৰণি মানসিকতাৰ প্ৰতিচ্ছবি।

মহিষাসুৰৰ বিনাশৰ পৌৰাণিক কাহিনীয়ে আমাক অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ বাৰ্তা প্ৰদান কৰে। কিন্তু বৰ্তমান সমাজত মহিষাসুৰৰূপী কিছুমান প্ৰৱণতা আজিও বিভিন্ন ৰূপত বিদ্যমান। নাৰীৰ প্ৰতি বৈষম্য, কু-দৃষ্টিভংগী, নিৰাপত্তাহীনতা, শিক্ষাৰ অসম সুযোগ আৰু সামাজিক অৱমূল্যায়ন- এইবোৰেই যেন আধুনিক যুগৰ অদৃশ্য অসুৰ। এই অসুৰৰ বিনাশ কেৱল আইন প্ৰণয়ন কৰিলেই সম্ভৱ নহয়; ইয়াৰ বাবে প্ৰয়োজন মানুহৰ মানসিকতাৰ পৰিশুদ্ধি, পাৰিবাৰিক শিক্ষাৰ সংস্কাৰ আৰু সামাজিক সচেতনতাৰ ব্যাপক বিস্তাৰ।

*নাৰীৰ কোমলতা আৰু শক্তিৰ সহাৱস্থান ঃ*

নাৰীৰ শক্তিক কেৱল তেওঁৰ সংগ্ৰামৰ সামৰ্থ্যৰে বিচাৰ কৰাটো উচিত নহয়। তেওঁৰ স্নেহ, মমতা, সহনশীলতা, সৃষ্টিশীলতা আৰু সংবেদনশীলতাও তেওঁৰ ব্যক্তিত্বৰ অবিচ্ছেদ্য অংশ। তেওঁ যিদৰে প্ৰয়োজনত বজ্ৰসম কঠোৰ হ'ব পাৰে, সেইদৰে স্নেহৰ পৰশত ফুলৰ পাহিৰ দৰে কোমলো হ'ব পাৰে। এই দুই বিপৰীতধৰ্মী গুণৰ সহাৱস্থানেই নাৰীৰ ব্যক্তিত্বক অধিক মহিমামণ্ডিত কৰি তোলে।

এগৰাকী নাৰীয়ে সদায় ত্যাগৰ প্ৰতিমূৰ্তি হৈ থাকিব লাগিব বুলি আশা কৰাটোও একপ্ৰকাৰৰ সামাজিক অন্যায়। তেওঁৰো আছে নিজস্ব সপোন, ব্যক্তিগত সময়, অনুভূতি আৰু আত্মবিকাশৰ আকাংক্ষা। তেওঁক কেৱল আনৰ সুখৰ বাবে জীয়াই থাকিবলৈ কোৱাৰ পৰিৱৰ্তে নিজৰ সুখ আৰু সপোনৰ অধিকাৰো প্ৰদান কৰিব লাগিব। কাৰণ নাৰীৰ আত্মপ্ৰতিষ্ঠা আৰু ব্যক্তিগত সন্তুষ্টি কোনো স্বাৰ্থপৰতাৰ পৰিচয় নহয়; ই তেওঁৰ স্বাভাৱিক মানৱীয় অধিকাৰ।

*নাৰীৰ সন্মান ঃ এখন সুস্থ সমাজৰ প্ৰকৃত পৰিচয়*

এখন সমাজৰ সভ্যতা কেৱল তাৰ ভৌতিক উন্নতি, প্ৰযুক্তিগত উৎকৰ্ষ অথবা অৰ্থনৈতিক সমৃদ্ধিৰে নিৰ্ধাৰিত নহয়। সেই সমাজে নাৰীক কিমান মৰ্যাদা, স্বাধীনতা আৰু সমঅধিকাৰ প্ৰদান কৰিছে, তাৰ ওপৰতহে প্ৰকৃত সভ্যতাৰ পৰিচয় নিৰ্ভৰ কৰে। নাৰীক সন্মান জনোৱাৰ অৰ্থ কেৱল উৎসৱৰ দিনত তেওঁৰ বন্দনা কৰা নহয়; বৰঞ্চ প্ৰতিটো দিনতে তেওঁৰ মতামতক গুৰুত্ব দিয়া, তেওঁৰ স্বাধীনতাক স্বীকাৰ কৰা আৰু তেওঁৰ প্ৰতিভাৰ যথোচিত মূল্যায়ন কৰাহে।

দুৰ্গাপূজাৰ মণ্ডপত দশভুজা দেৱীৰ সন্মুখত অঞ্জলি আগবঢ়োৱাৰ সময়ত যদি আমি নাৰীৰ প্ৰতি থকা বৈষম্যমূলক মানসিকতা পৰিত্যাগ কৰিব নোৱাৰোঁ, তেন্তে সেই আৰাধনাৰ পূৰ্ণতা ক'ত? দেৱীৰ হাতত অস্ত্ৰ দেখি শক্তিৰ বন্দনা কৰোঁ, অথচ জীৱন্ত নাৰীয়ে নিজৰ অধিকাৰৰ কথা ক'লে কিয় সমাজৰ একাংশই অস্বস্তি অনুভৱ কৰে? এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে প্ৰথমে নিজৰ চিন্তাধাৰাৰ মাজত আত্মসমালোচনাৰ এক নতুন দুৱাৰ মুকলি কৰিব লাগিব।

দশভুজা দেৱীৰ প্ৰতিখন হাত যেন একোটা শক্তিৰ প্ৰতীক, একোটা আদৰ্শৰ প্ৰতিফলন আৰু একোটা নতুন জীৱনদৰ্শনৰ বাৰ্তাবাহক। আধুনিক নাৰীৰ জীৱনতো এই দশভুজাৰ প্ৰতীকী তাৎপৰ্য বিভিন্ন ৰূপত প্ৰতিফলিত হয়। তেওঁ জ্ঞানৰ জ্যোতিৰে অজ্ঞানতাৰ অন্ধকাৰ আঁতৰায়, আত্মবিশ্বাসেৰে প্ৰত্যাহ্বান অতিক্ৰম কৰে, কৰ্মদক্ষতাৰে সমাজৰ ভেটি সুদৃঢ় কৰে আৰু মানৱীয়তাৰে জীৱনৰ সৌন্দৰ্য অক্ষুণ্ণ ৰাখে। দেৱী দুৰ্গাৰ আৰাধনা কেৱল ধৰ্মীয় পৰম্পৰাৰ মাজতেই সীমাবদ্ধ নাথাকক; ই হওক নাৰীৰ প্ৰতি সন্মান, সমতা আৰু ন্যায় প্ৰতিষ্ঠাৰ এক সামাজিক সংকল্প। প্ৰতিগৰাকী নাৰীয়ে নিজৰ সামৰ্থ্যক উপলব্ধি কৰাৰ লগতে সমাজেও তেওঁৰ অন্তৰ্নিহিত শক্তিক স্বীকৃতি দিব লাগিব। যিদিনা নাৰীৰ প্ৰতিভা, স্বাধীনতা আৰু আত্মসন্মানৰ ওপৰত কোনো কৃত্ৰিম সীমাৰেখা নাথাকিব, সেইদিনাহে দশভুজাৰ প্ৰতীকী শক্তিয়ে বাস্তৱ সমাজত প্ৰকৃত অৰ্থ লাভ কৰিব। কাৰণ দশভুজা কেৱল দহখন হাতৰ এক ঐশ্বৰিক প্ৰতিমূৰ্তি নহয়; ই হৈছে অসংখ্য নাৰীৰ অপ্ৰকাশিত শক্তি, অলিখিত সংগ্ৰাম আৰু আত্মপ্ৰতিষ্ঠাৰ এক চিৰন্তন মহাকাব্য।



*আত্মনিৰ্ভৰশীলতাৰ বাটত নাৰীৰ অৰ্থনৈতিক স্বাধীনতা ঃ*

নাৰীৰ আত্মপ্ৰতিষ্ঠাৰ যাত্ৰাত অৰ্থনৈতিক স্বাধীনতা এক অন্যতম গুৰুত্বপূৰ্ণ স্তম্ভ। শিক্ষা আৰু প্ৰতিভাই নাৰীক সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিয়ে, কিন্তু অৰ্থনৈতিক স্বাৱলম্বিতাই তেওঁক নিজৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত অধিক আত্মবিশ্বাসী কৰি তোলে। নিজৰ পৰিশ্ৰমেৰে উপাৰ্জন কৰা সামান্য ধনখিনিতো এগৰাকী নাৰীয়ে বিচাৰি পায় আত্মমৰ্যাদাৰ এক অনন্য অনুভূতি। এই স্বাধীনতা কেৱল আৰ্থিক সামৰ্থ্যৰ পৰিচায়ক নহয়, ই নিজৰ অস্তিত্বক নিজস্ব চৰ্তত প্ৰতিষ্ঠা কৰাৰ এক শক্তিশালী মাধ্যম।

দেৱী দুৰ্গাৰ হাতত থকা বিভিন্ন অস্ত্ৰৰ দৰে আধুনিক নাৰীৰ হাততো আছে জ্ঞান, দক্ষতা, অধ্যৱসায় আৰু কৰ্মস্পৃহাৰ দৰে অমূল্য সম্পদ। এই সম্পদসমূহৰ যথাৰ্থ প্ৰয়োগৰ জৰিয়তে তেওঁ নিজৰ লগতে পৰিয়াল আৰু সমাজৰো অৰ্থনৈতিক ভেটি সুদৃঢ় কৰিব পাৰে। অৱশ্যে নাৰীৰ সফলতাক কেৱল উপাৰ্জনৰ মাপকাঠিৰে জুখিব নোৱাৰি। তেওঁৰ চিন্তা, সৃষ্টিশীলতা, সামাজিক অৱদান আৰু মানৱীয় মূল্যবোধো সমানেই গুৰুত্বপূৰ্ণ।

*মাতৃত্বৰ পৰিধিৰ বাহিৰতো আছে নাৰীৰ নিজস্ব পৰিচয় ঃ*

সমাজত নাৰীক প্ৰায়ে মাতৃত্ব, ত্যাগ আৰু মমতাৰ প্ৰতিমূৰ্তি হিচাপে উপস্থাপন কৰা হয়। নিঃসন্দেহে মাতৃত্ব এক মহিমান্বিত অনুভূতি, কিন্তু নাৰীৰ সমগ্ৰ অস্তিত্বক কেৱল মাতৃত্বৰ পৰিধিৰ মাজত আবদ্ধ কৰি ৰখাটো তেওঁৰ ব্যক্তিত্বৰ প্ৰতি এক সংকীৰ্ণ দৃষ্টিভংগী। এগৰাকী নাৰী মাতৃ হোৱাৰ আগতেও এগৰাকী স্বতন্ত্ৰ ব্যক্তি; তেওঁৰো আছে নিজস্ব চিন্তা, আকাংক্ষা, প্ৰতিভা আৰু জীৱনবোধ।

তেওঁৰ পৰিচয় কেৱল কোনো সম্পৰ্কৰ পৰিচয়পত্ৰ নহয়। তেওঁ নিজেই এক সম্পূৰ্ণ সত্তা। তেওঁৰ সপোনবোৰো সমানেই মূল্যৱান, তেওঁৰ আকাংক্ষাবোৰো সমানেই মৰ্যাদাৰ যোগ্য। সেয়েহে নাৰীক কেৱল আনৰ জীৱন আলোকিত কৰা এগৰাকী সত্তা হিচাপে নহয়, নিজৰ জীৱনতো পোহৰৰ সন্ধান কৰা এগৰাকী স্বতন্ত্ৰ ব্যক্তি হিচাপে স্বীকৃতি দিয়াটো সময়ৰ আহ্বান।

*ডিজিটেল যুগত নাৰীৰ নতুন সম্ভাৱনা আৰু প্ৰত্যাহ্বান ঃ*

একবিংশ শতিকাৰ প্ৰযুক্তিনিৰ্ভৰ পৃথিৱীয়ে নাৰীৰ সন্মুখত সম্ভাৱনাৰ এক নতুন দিগন্ত উন্মোচন কৰিছে। ডিজিটেল মাধ্যম, তথ্য-প্ৰযুক্তি, অনলাইন শিক্ষা, উদ্যোগশীলতা আৰু সৃষ্টিশীল কৰ্মৰ জৰিয়তে নাৰীয়ে আজি ভৌগোলিক সীমাৰেখা অতিক্ৰম কৰি নিজৰ প্ৰতিভাক বিশ্বমঞ্চলৈ আগবঢ়াই নিব পাৰিছে। এখন সৰু গাঁৱৰ পৰা আৰম্ভ হোৱা সপোনেও আজি বিশ্বৰ প্ৰান্তে প্ৰান্তে নিজৰ পৰিচয় বিস্তাৰ কৰাৰ সুযোগ লাভ কৰিছে।

কিন্তু এই সম্ভাৱনাৰ সমান্তৰালকৈ ডিজিটেল ক্ষেত্ৰতো নাৰীয়ে কিছুমান নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হয়। সামাজিক মাধ্যমত অপমানজনক মন্তব্য, ব্যক্তিগত পৰিসৰৰ প্ৰতি অসন্মান আৰু নাৰীৰ মতামতক অৱমূল্যায়ন কৰাৰ প্ৰৱণতাই এই ক্ষেত্ৰখনৰ ইতিবাচক সম্ভাৱনাক কেতিয়াবা ম্লান কৰি তোলে। সেয়েহে প্ৰযুক্তিৰ ব্যৱহাৰৰ সমান্তৰালকৈ ডিজিটেল সচেতনতা, ব্যক্তিগত গোপনীয়তাৰ সুৰক্ষা আৰু সুস্থ সামাজিক আচৰণৰ বিকাশো অত্যন্ত প্ৰয়োজনীয়।

*প্ৰজন্মৰ পৰিৱৰ্তন আৰু নতুন চিন্তাৰ উন্মেষ ঃ*

নাৰীৰ মৰ্যাদা প্ৰতিষ্ঠাৰ যাত্ৰা কেৱল এগৰাকী ব্যক্তিৰ সংগ্ৰাম নহয়; ই এক প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হোৱা চিন্তাৰ পৰিৱৰ্তন। যি মাতৃয়ে নিজৰ কন্যাক আত্মবিশ্বাসেৰে মূৰ তুলি জীয়াই থাকিবলৈ শিকায়, যি পিতৃয়ে পুত্ৰ আৰু কন্যাৰ মাজত কোনো বৈষম্য নাৰাখে, যি শিক্ষকে শিক্ষাৰ্থীক লিংগভিত্তিক সংকীৰ্ণতাৰ পৰা মুক্ত চিন্তা কৰিবলৈ উদ্বুদ্ধ কৰে— তেওঁলোকেই এখন সমতাপূৰ্ণ সমাজৰ প্ৰকৃত নিৰ্মাতা।

আজিৰ শিশুৰ মনত সমতা আৰু পাৰস্পৰিক সন্মানৰ বীজ ৰোপণ কৰিব পাৰিলেহে ভৱিষ্যতৰ সমাজত বৈষম্যৰ বিষবৃক্ষৰ শিপা দুৰ্বল হ'ব। কাৰণ মানসিকতাৰ পৰিৱৰ্তন কোনো এদিনীয়া বিপ্লৱ নহয়; ই শিক্ষা, সংস্কাৰ আৰু মানৱীয় মূল্যবোধৰ মাজেৰে লাহে লাহে বিকশিত হোৱা এক নীৰৱ সামাজিক আন্দোলন।

*নাৰীৰ আত্মবিশ্বাসেই হওক নতুন যুগৰ পৰিচয় ঃ*

দেৱী দুৰ্গাৰ সিংহবাহিনী ৰূপে যি নিৰ্ভীকতাৰ বাৰ্তা বহন কৰে, আধুনিক নাৰীৰ আত্মবিশ্বাসতো সেই একেই সাহসৰ প্ৰতিফলন দেখা যায়। কিন্তু এই আত্মবিশ্বাসৰ অৰ্থ আনক পৰাস্ত কৰা নহয়; বৰঞ্চ নিজৰ সীমাবদ্ধতাক অতিক্ৰম কৰি সম্ভাৱনাৰ নতুন পৰিসৰ সৃষ্টি কৰাহে। নাৰীয়ে নিজৰ প্ৰতিভাক চিনিব লাগিব, নিজৰ সিদ্ধান্তৰ প্ৰতি আস্থা ৰাখিব লাগিব আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজতো নিজৰ লক্ষ্যৰ পৰা বিচ্যুত নহ'বলৈ মানসিক দৃঢ়তা গঢ়ি তুলিব লাগিব।

তথাপি নাৰীৰ প্ৰতিটো সংগ্ৰামক কেৱল তেওঁৰ ব্যক্তিগত সাহসৰ ওপৰত এৰি দিব নোৱাৰি। সমাজ, পৰিয়াল, শিক্ষানুষ্ঠান আৰু ৰাষ্ট্ৰীয় ব্যৱস্থাৰো এক গুৰুত্বপূৰ্ণ দায়িত্ব আছে। নাৰীৰ বাবে সমান সুযোগ, নিৰাপদ পৰিৱেশ, ন্যায়সংগত অধিকাৰ আৰু মৰ্যাদাপূৰ্ণ জীৱন নিশ্চিত কৰাটো সামূহিক দায়বদ্ধতা।

*উপসংহাৰৰ এক নতুন উপলব্ধি ঃ*

দশভুজাৰ প্ৰতীকী শক্তিৰ প্ৰকৃত তাৎপৰ্য তেতিয়াহে উন্মোচিত হ'ব, যেতিয়া আমি দেৱীৰ দশখন হাতৰ মাজত কেৱল পৌৰাণিক মহিমা নহয়, আধুনিক নাৰীৰ দহটা সম্ভাৱনাৰ প্ৰতিচ্ছবিও বিচাৰি পাম। এখন হাতত জ্ঞানৰ দীপ, আন এখন হাতত আত্মবিশ্বাসৰ অস্ত্ৰ, আন এখনত সৃষ্টিশীলতাৰ পদুম আৰু আন এখনত ন্যায়ৰ সংকল্প— এনেদৰেই প্ৰতিগৰাকী নাৰীৰ জীৱনত শক্তিৰ নতুন সংজ্ঞা ৰচিত হ'ব পাৰে।

নাৰীক শক্তিশালী বুলি কোৱাৰ লগতে তেওঁৰ শক্তিৰ বিকাশৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰাটোও সমানেই প্ৰয়োজনীয়। তেওঁক আকাশ চুবলৈ কোৱাৰ আগতে তেওঁৰ সন্মুখৰ কৃত্ৰিম বাধাবোৰ আঁতৰাই দিব লাগিব। তেওঁক স্বাধীনতাৰ কথা কোৱাৰ আগতে তেওঁৰ মতামতক সন্মান কৰিবলৈ শিকিব লাগিব। কাৰণ স্বাধীনতা কোনো দান নহয়, ই মানুহৰ স্বাভাৱিক অধিকাৰ।

দশভুজাৰ দহখন হাতত যেন দহখন অস্ত্ৰ নহয়, দহটা সম্ভাৱনাৰ বীজ নিহিত হৈ আছে। সেই সম্ভাৱনাৰ পূৰ্ণ বিকাশেই হ'ব আধুনিক নাৰীৰ প্ৰকৃত বিজয় আৰু এখন সুস্থ, সমতাপূৰ্ণ সমাজৰ সৰ্বশ্ৰেষ্ঠ আৰাধনা।

*লেখিকাৰ ঠিকনা ঃ বৰপেটা, হাউলী*

# শৰতৰ স্নিগ্ধ বুকুত শক্তিৰ বন্দনা

ঋতুচক্ৰৰ আৱৰ্তনত শৰতৰ আগমন কেৱল মাত্ৰ এটা ভৌগোলিক বা জলবায়ুৰ পৰিৱৰ্তনেই নহয়, ই মানৱ মনন, আধ্যাত্মিক চেতনা আৰু সাম্প্ৰদায়িক বান্ধোনৰ এক গভীৰ পুনৰুজ্জীৱন। বাৰিষাৰ ধাৰাসাৰ বৰষুণ, মেঘৰ গাজনি আৰু প্লাৱিত নদী-উপত্যকাৰ সন্ত্ৰাসক বিদায় দি শৰতে লৈ আহে এক প্ৰশান্ত, নিৰ্মল আৰু স্নিগ্ধ পৰিৱেশ। অসম তথা সমগ্ৰ পূব ভাৰতৰ সমাজ-জীৱনত শৰতৰ এই প্ৰাকৃতিক পৰিৱেশটোৰ লগত ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে শক্তি-আৰাধনাৰ মহা মহোৎসৱ, শাৰদীয় দুৰ্গাপূজা। পুৱাৰ কঁহুৱা বনৰ মৃদু দোলোনি, শেৱালিৰ মনপ্ৰাণ জুৰোৱা সুবাস আৰু নীলাকাশত শুভ্ৰ মেঘৰ খণ্ডবোৰে মনত এক স্বতঃস্ফূৰ্ত আনন্দৰ শিহৰণ তোলে। শৰতৰ এই প্ৰাকৃতিক পটভূমি আৰু দুৰ্গাপূজাৰ আনন্দ এক অবিচ্ছেদ্য সমীকৰণ, য'ত প্ৰকৃতিৰ স্নিগ্ধতা আৰু মানৱীয় উল্লাস মিলি একাকাৰ হৈ পৰে।

নৃতাত্ত্বিক আৰু ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে শক্তি পূজাৰ মূল ভিত্তি নিহিত হৈ আছে প্ৰকৃতি আৰু নাৰীশক্তিক কেন্দ্ৰ কৰি গঢ়ি উঠা প্ৰাচীন কৃষিজীৱী সমাজৰ বিশ্বাসৰ মাজত। বৈদিক সাহিত্যৰ 'দেৱী সূক্ত'ৰ পৰা আৰম্ভ কৰি মাৰ্কণ্ডেয় পুৰাণৰ 'দেৱী মাহাত্ম্য'লৈকে শক্তিৰ যি বিশ্বজনীন ৰূপ ব্যাখ্যা কৰা হৈছে, তাৰ অন্তৰালত আছে সৃষ্টি, স্থিতি আৰু সংহাৰৰ চিৰন্তন চক্ৰ। পুৰাণৰ আখ্যান অনুসৰি, ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰই লংকাজয়ৰ উদ্দেশ্যে অকালতে শৰতকালত দেৱী দুৰ্গাৰ বোধন কৰিছিল, যাৰ ফলত বসন্তকালৰ বাসন্তী পূজাৰ সমান্তৰালভাৱে শাৰদীয় দুৰ্গাপূজাই এক বহুল প্ৰসাৰিত আৰু জনপ্ৰিয় সামাজিক ৰূপ লাভ কৰে। কিন্তু কেৱল শাস্ত্ৰীয় শ্লোক আৰু পুৰাণৰ কাহিনীতেই দুৰ্গা পূজাৰ তাৎপৰ্য আবদ্ধ হৈ থকা নাই। সমাজতাত্ত্বিকভাৱে দুৰ্গা কেৱল এগৰাকী অসুৰনাশিনী বা সৰ্বশক্তিমান দেৱীয়েই নহয়, তেওঁ হৈছে গৃহৰ জীয়ৰী, যি বছৰেকৰ মূৰত সন্তান-সন্ততিসহ মাকৰ ঘৰলৈ পিতৃগৃহৰ সান্নিধ্য লাভ কৰিবলৈ আহে। মহিষাসুৰমৰ্দিনীৰ এই সংহাৰী ৰূপৰ মাজত লুকাই থকা মাতৃৰূপ আৰু জীয়ৰীৰ এই আৱেগিক মাত্ৰাটোৱেই দুৰ্গাপূজাক সাধাৰণ মানুহৰ হৃদস্পন্দনলৈ ৰূপান্তৰিত কৰিছে। শৰতৰ নৈসৰ্গিক উপাদানসমূহ যেন দুৰ্গাপূজাৰ আগমনী বাৰ্তাবাহক। নদীৰ পাৰত ফুলা কঁহুৱা ফুলৰ শুভ্ৰতাই মানুহৰ মনৰ পৰা বাৰিষাৰ গধুৰতা মচি পেলায়। ৰাতিপুৱাৰ দুবৰি বনত তিৰবিৰাই থকা নিয়ৰৰ কণিকা আৰু বতাহত ওপঙি অহা নিয়ৰসিক্ত শেৱালিৰ সুগন্ধিয়ে সমাজখনক জনাই দিয়ে যে দেৱীৰ আগমন ঘটিছে। গাঁৱৰ পৰা চহৰলৈকে এই সময়ছোৱাত প্ৰকৃতিয়ে যেন এক শান্ত, ধীৰ আৰু পৱিত্ৰ ৰূপ ধাৰণ কৰে। শৰতৰ এই প্ৰাকৃতিক পৰিৱৰ্তনৰ সৈতে মানুহৰ মানসিক প্ৰস্তুতিও সমান্তৰালভাৱে আগবাঢ়ে। কমাৰশালত খড়্গ আৰু অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ শব্দ, মৃৎশিল্পীৰ গৃহত মাটি আৰু খেৰেৰে দেৱীৰ মূৰ্তি গঢ়াৰ নিৰালস্য সাধনা আৰু বাঁহ-কাপোৰৰ অস্থায়ী মণ্ডপ নিৰ্মাণৰ ব্যস্ততাই সামাজিক পৰিৱেশটোত এক অনন্য স্পন্দনৰ সৃষ্টি কৰে। শিল্পীৰ তুলিকাৰ প্ৰতিটো টানে দেৱীক কেৱল আকৃতিয়েই নিদিয়ে, সমাজৰ আশা, আকাংক্ষা আৰু সৌন্দৰ্যবোধকো প্ৰতিফলিত কৰে।

পূজাৰ আনন্দৰ প্ৰধান বৈশিষ্ট্য হৈছে ইয়াৰ সৰ্বজনীনতা আৰু অন্তৰ্ভুক্তিমূলক স্বভাৱ। পূজা কেৱল এটা নিৰ্দিষ্ট ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ মাজতে আৱদ্ধ হৈ নাথাকে, ই এখন বহল সমাজক একত্ৰিত কৰে। পুৰোহিতৰ বৈদিক মন্ত্ৰোচ্চাৰণ, ধূপ-ধূনাৰ আমোলমোল সুবাস, কাঁহ আৰু ঘণ্টাৰ সুৰৰ সৈতে ঢাকৰ ছন্দময় ধ্বনিয়ে এক গভীৰ আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰে যদিও, ইয়াৰ বাহিৰত চলা সামাজিক আদান-প্ৰদানহে এই উৎসৱৰ প্ৰাণ। পুৰণি বিভেদ, দৈনন্দিন সংগ্ৰাম আদি পাহৰি সকলো শ্ৰেণীৰ মানুহ একেখন মজিয়ালৈ নামি আহে। নৱবস্ত্ৰ পৰিধান কৰি ওলাই অহা শিশুসকলৰ হাঁহি, যুৱপ্ৰজন্মৰ অপাৰ উৎসাহ আৰু বয়োজ্যেষ্ঠসকলৰ আন্তৰিক মিলনৰ দৃশ্যই সমাজত এক অভূতপূৰ্ব সৌহাৰ্দ্যৰ বাৰ্তা বিলাই দিয়ে। বজাৰ-সমাৰ, পোহাৰীৰ আনন্দ আৰু মণ্ডপে মণ্ডপে হোৱা মানুহৰ সমাৱেশে সামাজিক বান্ধোনক অধিক কটকটীয়া কৰি তোলে। অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ পটভূমিত দুৰ্গাপূজাৰ ইতিহাস অতি সমৃদ্ধ আৰু বৈশিষ্ট্যপূৰ্ণ। আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত শিৱসাগৰৰ দেৱীদ'লত বৈদিক আৰু শক্তিপীঠৰ তান্ত্ৰিক পৰম্পৰাৰ যি সমাহাৰ ঘটিছিল, সেয়া আজিও অসমৰ ঐতিহ্যৰ অংশ হৈ আছে। কোচ ৰজাসকলৰ সময়তো দেৱী পূজাৰ বহুল প্ৰচলন আছিল। এই ঐতিহাসিক পটভূমিত আধুনিক অসমৰ দুৰ্গাপূজাই এক সমন্বয়ৰ ৰূপ ধাৰণ কৰিছে। বিভিন্ন জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ মাজত এই উৎসৱে কঢ়িয়াই আনে এক উমৈহতীয়া আনন্দৰ বতৰা। গাঁৱৰ নামঘৰৰ ভাওনাৰ পৰিৱেশ আৰু চহৰৰ পূজা মণ্ডপৰ সাংস্কৃতিক কাৰ্যসূচীৰ মাজত এক স্বাভাৱিক সামঞ্জস্য গঢ় লৈ উঠে, যিয়ে অসমীয়া সমাজৰ সমন্বয়কামী চৰিত্ৰটোক পুনৰ প্ৰতিষ্ঠা কৰে।

অৰ্থনৈতিক আৰু বাণিজ্যিক দিশৰ পৰাও দুৰ্গাপূজাৰ ভূমিকা অনস্বীকাৰ্য। শৰতৰ এই সময়ছোৱাত অৰ্থনীতি এক গতিশীল ৰূপত প্ৰৱেশ কৰে। সাধাৰণ মৃৎশিল্পী, বাঁহ-বেতৰ শিল্পী, পোহৰ সজ্জাকাৰী, ফল-মূলৰ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি বস্ত্ৰ ব্যৱসায়ী আৰু আধুনিক কৰ্পোৰেট প্ৰতিষ্ঠানলৈকে, সকলোৰে বাবে এই উৎসৱ জীৱন আৰু জীৱিকাৰ এক মহৎ অৱলম্বন হৈ পৰে। কোটি কোটি টকাৰ লেনদেনে কেৱল ব্যৱসায়িক লাভেই নিদিয়ে, বহুতো নিম্নবিত্ত আৰু মধ্যবিত্ত পৰিয়ালৰ বছৰজোৰা আৰ্থিক নিৰাপত্তাৰ বুনিয়াদ গঢ়ি তোলে। পূজাৰ বজাৰে সাধাৰণ বনুৱাৰ পৰা আৰম্ভ কৰি সৃজনশীল ডিজাইনাৰলৈকে সকলোকে নিজৰ শ্ৰম আৰু মেধাৰ বিনিময়ত উপাৰ্জনৰ সুযোগ দিয়ে।



চন্দন কুমাৰ নাথ

সাহিত্য আৰু শিল্প-সংস্কৃতিৰ জগতখনতো শৰত আৰু দুৰ্গাপূজাৰ স্থান চিৰন্তন। পূজাৰ সময়ত প্ৰকাশ পোৱা 'শাৰদীয় সংখ্যা' বা বিশেষ সাহিত্য সংকলনসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ ক্ষেত্ৰত এক ঐতিহাসিক ভূমিকা পালন কৰি আহিছে। এই সাহিত্যিক পৰম্পৰাই উৎসৱটোক কেৱল চকুজুৰোৱা বাহ্যিক আনন্দতে সীমাৱদ্ধ নাৰাখি বৌদ্ধিক আৰু নান্দনিক চেতনাৰ গভীৰতালৈ লৈ যায়। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে আধুনিক দুৰ্গোৎসৱৰ চৰিত্ৰতো কিছুমান তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন ঘটিছে, যিয়ে সমাজতাত্ত্বিক আৰু পৰিৱেশগত বিশ্লেষণৰ দাবী কৰে। আধুনিকতাৰ দ্ৰুত প্ৰভাৱত পূজাৰ আধ্যাত্মিক আৰু সামাজিক ভাৱধাৰাৰ ঠাইত প্ৰতিযোগিতা আৰু বাহ্যিক আড়ম্বৰতাই কেতিয়াবা অধিক প্ৰাধান্য পোৱা দেখা যায়। অতিমাত্ৰা আলোকসজ্জা, মণ্ডপৰ থিমৰ প্ৰতিযোগিতা আৰু প্লাষ্টিকৰ অবাধ ব্যৱহাৰে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। বিশেষকৈ দেৱী প্ৰতিমাত ব্যৱহৃত ৰাসায়নিক ৰং আৰু অপচনশীল সামগ্ৰীসমূহে নদীৰ জলপ্ৰদূষণ বৃদ্ধিত অৰিহণা যোগাইছে, যিটো শৰতৰ স্নিগ্ধ আৰু নিৰ্মল প্ৰকৃতিৰ বিপৰীতমুখী এক দৃশ্য। লগতে, শব্দ প্ৰদূষণ আৰু যান-জঁটৰ সমস্যাই উৎসৱৰ প্ৰকৃত আনন্দক কেতিয়াবা ম্লান কৰি পেলায়। উৎসৱৰ উদ্দেশ্য কেতিয়াও প্ৰকৃতি বা মানৱ স্বাস্থ্যৰ ক্ষতিসাধন হ'ব নোৱাৰে; সেয়েহে পৰিৱেশ-অনুকূল পূজা আৰু সামাজিক দায়বদ্ধতাৰ প্ৰশ্নটো আজিৰ দিনত বিশেষভাৱে প্ৰাসঙ্গিক হৈ পৰিছে।

আধ্যাত্মিক আৰু দাৰ্শনিক দৃষ্টিকোণৰ পৰা মহিষাসুৰ বধৰ কাহিনীটো কেৱল এখন পৌৰাণিক যুদ্ধৰ চিত্ৰণ নহয়; ই মানুহৰ অন্তৰ্নিহিত আসুৰিক প্ৰবৃত্তি - কাম, ক্ৰোধ, লোভ, মোহ, মদ আদিক দমন কৰি দৈৱিক বা পৱিত্ৰ গুণসমূহক জাগ্ৰত কৰাৰ এক অহৰহ সংগ্ৰাম। দেৱীৰ দশভুজাই সমাজৰ সকলো দিশৰ পৰা অন্যায়, অবিচাৰ আৰু অন্ধকাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ সামূহিক শক্তিক সূচায়। আজিৰ বৈষম্য, হিংসা আৰু মানসিক অস্থিৰতাৰে জৰ্জৰিত পৃথিৱীত মহিষাসুৰমৰ্দিনীৰ এই প্ৰতীকী তাৎপৰ্য অত্যন্ত গভীৰ। বিজয়া দশমীৰ দিনা দেৱীৰ বিসৰ্জনে আনন্দৰ মাজতো এক গভীৰ বিৰহৰ সুৰ তুলি দিয়ে। মাতৃৰ স্বগৃহলৈ প্ৰত্যাৱৰ্তন আৰু কন্যাক বিদায় দিয়াৰ যি বেদনা, সিয়েই মানুহৰ মনত এক অপূৰ্ব শূন্যতাৰ সৃষ্টি কৰে। কিন্তু সেই বিসৰ্জনৰ বেদনাৰ মাজতেই প্ৰতিধ্বনিত হয় পুনৰাগমনৰ প্ৰত্যাশা। বিজয়াৰ শুভেচ্ছা বিনিময়, কনিষ্ঠৰ দ্বাৰা জ্যেষ্ঠসকলৰ চৰণ স্পৰ্শ কৰি আশীৰ্বাদ লোৱা আৰু সমাজৰ সকলোৰে মাজত মিঠাই বিতৰণ কৰা পৰম্পৰাটোৱে সামাজিক একতা আৰু আত্মীয়তাৰ বান্ধোনক আৰু অধিক সুদৃঢ় কৰে। শৰতৰ মেঘমুক্ত আকাশৰ তলত দেৱীৰ এই বিদায়ে মানুহক সোঁৱৰাই দি যায় যে সৃষ্টিৰ নিয়মেই হৈছে আগমন আৰু প্ৰস্থানৰ এক অবিৰত ধাৰা। শৰতৰ নিৰ্মল প্ৰকৃতি আৰু দুৰ্গাপূজাৰ আনন্দ সমাজৰ সামূহিক চেতনাৰ এক অনন্য নিদৰ্শন। প্ৰকৃতিৰ শান্ত সৌন্দৰ্যই মানুহৰ মনৰ মলিনতা ধুই নিকা কৰে আৰু দুৰ্গোৎসৱৰ উদযাপনে মানৱীয় সম্পৰ্কবোৰক নতুন জীৱন দান কৰে। আধুনিক সমাজত বাহ্যিক জাকজমকতাৰ উৰ্ধ্বত উঠি যদি আমি এই উৎসৱৰ মূল দৰ্শন—অসত্যৰ বিৰুদ্ধে সত্যৰ জয়, প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু মানৱপ্ৰেমক অক্ষুণ্ণ ৰাখিব পাৰোঁ, তেন্তে শৰতৰ এই আনন্দ কেৱল কেইটামান দিনৰ উৎসৱ হৈ নাথাকি সমাজ জীৱনৰ এক স্থায়ী পোহৰ আৰু শান্তিৰ উৎস হৈ ৰ'ব।

# দুৰ্গোৎসৱৰ পৱিত্ৰতা আৰু একাংশ লোকৰ উচ্ছৃংখল আচৰণ

শংকৰ দেৱ

শৰতৰ নীলা আকাশত শুভ্ৰ মেঘৰ লুকা-ভাকু, পথাৰৰ কাষে কাষে কঁহুৱাৰ মনোমোহা হাঁহি, নিশাৰ বতাহত শেৱালিৰ মৃদু সুবাসৰ পৰশ, সঁচাকৈয়ে প্ৰকৃতিয়েই যেন এই সময়ছোৱাত কোনোবা অদৃশ্য শিল্পীৰ তুলিকাৰে আঁকি দিয়ে এক অপূৰ্ব ছবি। তাৰ মাজতেই দূৰৈৰ পৰা ভাঁহি অহা শংখ-উৰুলিৰ শব্দই জনাই দিয়ে যে আহি পালেহি শাৰদীয় দুৰ্গোৎসৱ।

দেৱী দুৰ্গাৰ আগমনৰ লগে-লগে কেৱল পূজা মণ্ডপেই আলোকিত নহয়, আলোকিত হয় মানুহৰ মন তথা চাৰিওদিশৰ বাতাবৰণ। নতুন সাজ-পোছাকৰ উছাহ, আপোনজনৰ সৈতে মিলনৰ আনন্দ, পূজা মণ্ডপৰ ব্যস্ততা, ধূপ-ধূনাৰ সুবাস আৰু সাংস্কৃতিক অনুষ্ঠানৰ ৰঙেৰে চৌদিশে সৃষ্টি হোৱা এক উৎসৱমুখৰ পৰিৱেশ। জাতি, ধৰ্ম, ভাষা আৰু সামাজিক পৰিচয়ৰ সীমাৰেখা অতিক্ৰম কৰি এই উৎসৱে মানুহক একতাৰ এনাজৰীৰে বান্ধি ৰখাৰ এক অনন্য সুযোগ সৃষ্টি কৰে। কিন্তু এই আনন্দৰ মাজতেই এটা প্ৰশ্ন কেতিয়াবা মনে মনে উত্থাপিত হয় যে আমি সঁচাকৈয়ে এই পৱিত্ৰ উৎসৱৰ পৰম্পৰাক সন্মান কৰিছোঁনে? যি দুৰ্গোৎসৱ অশুভৰ ওপৰত শুভৰ বিজয়ৰ প্ৰতীক, সেই পবিত্ৰ উৎসৱৰ পৰিৱেশত দুই-এজনৰ উচ্ছৃঙ্খল আচৰণে কিয় কেতিয়াবা শান্তি আৰু সৌহাৰ্দ্যত ব্যাঘাত জন্মায়? দেৱী দুৰ্গাৰ পূজা কেৱল প্ৰতিমাৰ সন্মুখত ধূপ-চাকি জ্বলোৱা বা অঞ্জলি আগবঢ়োৱাৰ নামেই নহয়। ই আমাৰ ভিতৰৰ অশুভ শক্তিক জয় কৰাৰ এক প্ৰতীকী আহ্বান। অথচ মদ্যপান কৰি হুলস্থূল কৰা, অশালীন আচৰণ কৰা, উচ্চ শব্দৰে আনৰ অসুবিধা সৃষ্টি কৰা, যান-বাহন চলাচলত বাধা দিয়া অথবা পূজা মণ্ডপৰ পবিত্ৰ পৰিৱেশত অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি কৰা আদি আচৰণে উৎসৱৰ মূল উদ্দেশ্যকেই প্ৰশ্নৰ সন্মুখীন কৰি তোলে।

শেষান্তৰত ক'ব পাৰি যে এই দুই-এজনৰ উচ্ছৃঙ্খল আচৰণে কেনেদৰে এটা বৃহৎ সামাজিক উৎসৱৰ সৌন্দৰ্য ম্লান কৰিব পাৰে আৰু সেই পৰিস্থিতিৰ পৰা মুক্ত হৈ আমি কেনেদৰে আমাৰ পৰম্পৰাগত দুৰ্গোৎসৱৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিব পাৰোঁ। এই দিশৰ প্ৰতিটো কথা সুপৰিকল্পিত ভাৱে ব্যৱস্থা অক্ষুণ্ণ ৰাখি পূজা কমিটি, দল-সংগঠন, আৰক্ষী সকলোৰে সুন্দৰ প্ৰচেষ্টা আৰু সহযোগিতাৰে আগবাঢ়িব লাগিব। যিহেতু শাৰদীয় দুৰ্গোৎসৱ আমাৰ পৰম্পৰা, আমাৰ সংস্কৃতি আৰু সামাজিক সম্প্ৰীতিৰ এক উজ্জ্বল প্ৰতীক। সেয়েহে এই উৎসৱৰ আনন্দ হওক সংযমী, উৎসৱ হওক শৃংখলাবদ্ধ আৰু পৰিৱেশ হওক সকলোৰে বাবে নিৰাপদ তথা আনন্দদায়ক।

# শাৰদীয় দুৰ্গোৎসৱ ঃ মণ্ডপ নিৰ্মাণৰ কলা আৰু শিল্পীৰ মৰ্যাদা

শাৰদীয় ঋতুৰ মনোমোহা পৰিৱেশত আড়ম্বৰ আৰু উলহ-মালহেৰে উদ্‌যাপিত হয় সৰ্বজনীন দুৰ্গোৎসৱ। এই উৎসৱৰ আগমনে মানুহৰ মনলৈ কঢ়িয়াই আনে আনন্দ, ভক্তি, উৎসাহ আৰু নতুন আশাৰ বতৰা। পূজাৰ দিনকেইটাত ৰঙীন আলোকসজ্জাৰে উজলি উঠে পূজামণ্ডপসমূহ। দেৱী দুৰ্গাৰ প্ৰতিমাৰ অপূৰ্ব ৰূপ, মণ্ডপৰ নান্দনিক সজ্জা আৰু চৌদিশে বিৰাজ কৰা উৎসৱমুখৰ পৰিৱেশে সকলোকে আকৰ্ষিত কৰে। কিন্তু এই বাহ্যিক সৌন্দৰ্যৰ আঁৰত লুকাই থাকে শিল্পীসকলৰ অক্লান্ত পৰিশ্ৰম, কাৰিকৰী দক্ষতা আৰু সৃষ্টিশীল চিন্তাৰ এক দীঘলীয়া সাধনা। সেয়েহে দুৰ্গোৎসৱৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰিবলৈ হ'লে মণ্ডপৰ আড়ম্বৰ উপভোগ কৰাৰ লগতে ইয়াৰ স্ৰষ্টাসকলৰ অৱদান আৰু মৰ্যাদাৰ বিষয়েও চিন্তা কৰা প্ৰয়োজন।

দুৰ্গা পূজাৰ অন্যতম প্ৰধান আকৰ্ষণ হৈছে পূজামণ্ডপৰ নিৰ্মাণ আৰু ইয়াৰ নান্দনিক উপস্থাপন। মণ্ডপ নিৰ্মাণ প্ৰক্ৰিয়া কেৱল বাঁহ, কাঠ, কাপোৰ আদি সামগ্ৰীৰে অস্থায়ী গাঁথনি নিৰ্মাণৰ মাজতে সীমাবদ্ধ নহয়। দৰাচলতে ই স্থাপত্যকলা, লোকশিল্প, সৃজনশীল চিন্তা আৰু সাংস্কৃতিক ঐতিহ্যৰ এক অপূৰ্ব সমন্বয়। প্ৰতি বছৰে বিভিন্ন ঠাইত নিৰ্মাণ কৰা মণ্ডপসমূহত শিল্পীসকলে নিজৰ কল্পনাশক্তি আৰু কাৰিকৰী দক্ষতাৰ পৰিচয় দাঙি ধৰে। সাধাৰণ নিৰ্মাণসামগ্ৰীক সৃষ্টিশীলতাৰ পৰশেৰে অসাধাৰণ ৰূপ দিয়াৰ এই প্ৰক্ৰিয়াই দুৰ্গোৎসৱক কেৱল ধৰ্মীয় অনুষ্ঠান হৈ থকাতকৈ এক জীৱন্ত সাংস্কৃতিক উৎসৱলৈ ৰূপান্তৰিত কৰে।

ভাৰতীয় উপমহাদেশত দুৰ্গা পূজাৰ এক সমৃদ্ধ ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা আছে। বিশেষকৈ পশ্চিমবংগত এই উৎসৱে শিল্পকলা, স্থাপত্য, হস্তশিল্প আৰু সামূহিক অংশগ্ৰহণৰ মাজেৰে বিশাল সামাজিক ৰূপ লাভ কৰিছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতি সংস্থাই ২০২১ চনত কলকাতাৰ দুৰ্গা পূজাক মানৱজাতিৰ 'অমূৰ্ত সাংস্কৃতিক ঐতিহ্য'ৰ (Intangible Cultural Heritage of Humanity) প্ৰতিনিধিত্বমূলক তালিকাত অন্তৰ্ভুক্ত কৰে। এই ঐতিহাসিক আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিয়ে উৎসৱটোৰ ধৰ্মীয় তাৎপৰ্যৰ উপৰিও ইয়াৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থকা শিল্পী, কাৰিকৰ, ভাস্কৰ আৰু পৰম্পৰাগত জ্ঞানৰ অপৰিসীম গুৰুত্বক বিশ্বদৰবাৰত উজলাই তুলিছে। ইয়াৰ পৰা স্পষ্ট হৈ পৰে যে দুৰ্গা পূজা কেৱল পূজা-অৰ্চনাৰ সমষ্টি নহয়, বৰঞ্চ ই শিল্প, সংস্কৃতি আৰু সামাজিক সহযোগিতাৰ এক অনুপম বহিৰ্প্ৰকাশ।

মণ্ডপ নিৰ্মাণৰ আঁৰত থাকে বহুজনৰ অহৰহ আৰু সমন্বিত শ্ৰম। এটি পূৰ্ণাংগ পূজামণ্ডপ গঢ়ি তোলাৰ আঁৰত নক্সা প্ৰস্তুত কৰা, মূল গাঁথনি নিৰ্মাণ, প্ৰতিমা গঢ়া, ৰং কৰা, সূক্ষ্ম অলংকৰণ আৰু পোহৰৰ বিজ্ঞানসন্মত ব্যৱস্থা কৰা আদি বহুতো স্বতন্ত্ৰ বিভাগ থাকে। প্ৰতিটো কামৰ বাবে সুকীয়া দক্ষতা, অভিজ্ঞতা আৰু গভীৰ নান্দনিক বোধৰ প্ৰয়োজন। কোনো শিল্পীয়ে বাঁহ-কাঠেৰে মণ্ডপৰ সুউচ্চ জঁকা প্ৰস্তুত কৰে, কোনো মৃৎশিল্পীয়ে মাটি আৰু খেৰেৰে গঢ়ি তোলে দেৱীৰ মাতৃৰূপ, আন কোনোবাই ৰং, কাপোৰ আৰু অন্যান্য উপকৰণৰ জৰিয়তে প্ৰাণৱন্ত কৰি তোলে দৃশ্যপট। এই সকলোৰে মিলনতেই মণ্ডপে পূৰ্ণতা পায়। সেয়েহে ইয়াৰ সৌন্দৰ্য কোনো একক ব্যক্তিৰ কৃতিত্ব নহয়, বৰঞ্চ ই বহু শিল্পী আৰু কাৰিকৰৰ সামূহিক সৃষ্টিশীলতাৰ ফলশ্ৰুতি।



পৰম্পৰাগত শিল্পকলাৰ প্ৰকৃত শক্তি নিহিত থাকে অভিজ্ঞতা, নিৰন্তৰ অনুশীলন আৰু প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বৈ অহা অলিখিত জ্ঞানৰ মাজত। মাটিৰ সঠিক গুণাগুণ চিনাক্ত কৰা, প্ৰতিমাৰ শৰীৰৰ নিখুঁত অনুপাত ৰক্ষা কৰা, বাঁহৰ গাঁথনিৰ ভাৰসাম্য দৃঢ় কৰা আৰু ৰং-সজ্জাৰ মাজত সুষম সামঞ্জস্য স্থাপন কৰাৰ দৰে কাৰ্য কেৱল শাৰীৰিক শ্ৰমেৰে সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন হয় কাৰিকৰী সূক্ষ্মতা, অপৰিসীম ধৈৰ্য আৰু সহজাত নান্দনিক সংবেদনশীলতা। বিশেষকৈ দেৱী প্ৰতিমা নিৰ্মাণৰ ক্ষেত্ৰত খেৰ-মাটিৰে মূল কাঠামো সজাৰ পৰা আৰম্ভ কৰি চকুৰ দৃষ্টি আৰু মুখমণ্ডলত ভক্তি, শৌৰ্য, কৰুণা তথা মাতৃসুলভ স্নেহৰ অপূৰ্ব অভিব্যক্তি ফুটাই তোলাটো শিল্পীৰ সাধনাৰ চৰম পৰীক্ষা। এই দক্ষতা কোনো পুথিগত জ্ঞানেৰে নিমিষতে আহৰণ কৰিব নোৱাৰি, ইয়াৰ বাবে লাগে বছৰজোৰা নিষ্ঠা আৰু ঐকান্তিক একাগ্ৰতা।

অসমতো দুৰ্গোৎসৱে ধৰ্মীয় ভক্তিৰ সমান্তৰালভাৱে সামাজিক মিলন আৰু লোকশিল্প প্ৰদৰ্শনৰ এক সজীৱ মঞ্চ গঢ়ি তোলে। ৰাজ্যখনৰ চহৰ-নগৰৰ পৰা আৰম্ভ কৰি গ্ৰাম্যাঞ্চললৈকে পূজা সমিতিসমূহে নিজস্ব চিন্তা আৰু সামৰ্থ্যৰে মণ্ডপ নিৰ্মাণ কৰে। অসমৰ অতি সমৃদ্ধ বাঁহ-বেতৰ কাৰুশিল্প, কাঠৰ ভাস্কৰ্য, হস্তুতাঁত আৰু লোককলাৰ উপাদানসমূহ উপযুক্ত পৰিকল্পনাৰে মণ্ডপত প্ৰয়োগ কৰিব পাৰিলে ই এক অনন্য স্বকীয় মাত্ৰা লাভ কৰিব। থলুৱা সামগ্ৰীৰ সৃষ্টিশীল ব্যৱহাৰে বহিৰাগত প্লাষ্টিক বা কৃত্ৰিম আড়ম্বৰৰ তুলনাত মণ্ডপক অধিক নান্দনিক, পৰিৱেশ-অনুকূল আৰু অৰ্থবহ কৰি তুলিব। অৱশ্যে কেৱল মণ্ডপৰ সজ্জাত বাঁহ-বেত বা থলুৱা উপাদান প্ৰদৰ্শন কৰিলেই আমাৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰকৃত সংৰক্ষণ নহয়। এই শিল্পসমূহ জীয়াই ৰাখিবলৈ হ'লে ইয়াৰ সৈতে জড়িত পৰম্পৰাগত জ্ঞান, কাৰিকৰী কৌশল আৰু শিল্পীসকলৰ অভিজ্ঞতাক যথোচিত পদ্ধতিৰে সংৰক্ষণ কৰিব লাগিব। আধুনিক সময়ত এই পৰম্পৰাগত জ্ঞান নতুন প্ৰজন্মলৈ হস্তান্তৰ কৰাৰ সুপৰিকল্পিত ব্যৱস্থা গঢ়ি তোলাটো অত্যন্ত জৰুৰী হৈ পৰিছে। বিদ্যালয়, মহাবিদ্যালয়, চাৰুকলা শিক্ষানুষ্ঠান আৰু সাংস্কৃতিক সংস্থাসমূহৰ উদ্যোগত শিল্পীসকলৰ জীৱন, কৰ্মপদ্ধতি আৰু কৌশলসমূহ নথিভুক্ত কৰাৰ লগতে নিয়মিত কৰ্মশালা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। পুৰণি ঐতিহ্য আৰু আধুনিক কলাৰ সুস্থ সমন্বয় ঘটাব পাৰিলেহে অসমৰ থলুৱা লোকশিল্পই মণ্ডপ নিৰ্মাণৰ জৰিয়তে নিজৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'ব।

বৰ্তমান সময়ত মণ্ডপৰ আৰ্হি আৰু সজ্জাত আধুনিক প্ৰযুক্তি, ডিজিটেল লাইটিং, ত্ৰিমাত্ৰিক ডিজাইন আৰু বিভিন্ন নতুন নিৰ্মাণসামগ্ৰীৰ প্ৰচলন বৃদ্ধি পাইছে। ইয়াৰ ফলত শিল্পীৰ কল্পনাৰ দিগন্ত বহল হৈছে আৰু দৰ্শনাৰ্থীয়েও ন-ন দৃশ্যৰ অভিজ্ঞতা লাভ কৰিছে। কিন্তু আধুনিকতাৰ অন্ধ অনুকৰণত পৰম্পৰাগত শিল্পকলা আৰু প্ৰাকৃতিক সৌন্দৰ্যক বিসৰ্জন দিয়া অনুচিত। আধুনিক কাৰিকৰী সুবিধাৰ সৈতে পৰম্পৰাগত দক্ষতাৰ সুস্থ সংমিশ্ৰণ ঘটাইহে অধিক সুৰক্ষিত, আকৰ্ষণীয় আৰু যুগোপযোগী মণ্ডপ নিৰ্মাণ সম্ভৱ। প্ৰকৃত আধুনিকতাৰ অৰ্থ পৰম্পৰাক অস্বীকাৰ কৰা নহয়। ঐতিহ্যক সময়ৰ উপযোগী ৰূপত নতুন প্ৰজন্মৰ সন্মুখত উপস্থাপন কৰাকহে আধুনিকতা বুলিব পাৰি। ইয়াৰ সমান্তৰালভাৱে মণ্ডপ নিৰ্মাণত পৰিৱেশ-সচেতনতা আৰু সুৰক্ষাৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰা উচিত। উৎসৱৰ নামত পৰিৱেশ বিনষ্টকাৰী প্লাষ্টিক, থাৰ্মকল আৰু বিষাক্ত ৰাসায়নিক ৰঙৰ ব্যৱহাৰ কঠোৰভাৱে বৰ্জন কৰা প্ৰয়োজন। তাৰ পৰিৱৰ্তে জৈৱিকভাৱে পচনশীল আৰু পুনৰ ব্যৱহাৰযোগ্য প্ৰাকৃতিক সামগ্ৰীৰ ওপৰত গুৰুত্ব দিয়া উচিত, যাতে পূজা শেষ হোৱাৰ পাছত প্ৰকৃতিৰ বুকুত আৱৰ্জনাৰ পাহাৰ সৃষ্টি নহয়। একেদৰে লাখ লাখ দৰ্শনাৰ্থীৰ সুৰক্ষাৰ স্বাৰ্থত মণ্ডপৰ গাঁথনিৰ দৃঢ়তা, নিৰাপদ বৈদ্যুতিক সংযোগ, বায়ু চলাচলৰ ব্যৱস্থা আৰু অগ্নি-নিৰ্বাপণৰ প্ৰস্তুতি নিখুঁত হোৱা বাঞ্ছনীয়। দায়িত্বশীল পৰিৱেশ-সচেতনতা আৰু সুৰক্ষাৰ ব্যৱস্থাই উৎসৱৰ আনন্দ ম্লান নকৰে, বৰঞ্চ সমাজখনক অধিক সংবেদনশীল আৰু প্ৰগতিশীল কৰি তোলে।



নলিনী ৰঞ্জন ভূঞা

মণ্ডপ নিৰ্মাণ আৰু প্ৰতিমা সজোৱাৰ এই বিশাল পৰিক্ৰমাই এক বৃহৎ অৰ্থনৈতিক কাৰ্যকলাপৰো সূচনা কৰে। প্ৰতি বছৰে দুৰ্গোৎসৱক কেন্দ্ৰ কৰি বহুসংখ্যক মৃৎশিল্পী, ভাস্কৰ, কাঠমিস্ত্ৰী, চিত্ৰশিল্পী, বাঁহ-বেতৰ কাৰিকৰ, বিদ্যুৎকৰ্মী, দৰ্জী আৰু দিনমজুৰৰ উপাৰ্জনৰ বাট মুকলি হয়। একেদৰে কেঁচামাল যেনে- বাঁহ, কাঠ, মাটি, খেৰ, ৰং, সূতা আৰু কাপোৰৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলেও এই সময়ছোৱাত আৰ্থিকভাৱে লাভান্বিত হয়। এইদৰে দুৰ্গোৎসৱে অসম তথা সমগ্ৰ দেশৰে স্থানীয় অৰ্থনীতি আৰু সৃজনীশীল উদ্যোগৰ সৈতে এক এৰাব নোৱৰা সম্পৰ্ক গঢ়ি তোলে।

কিন্তু এনে বিশাল সম্ভাৱনা আৰু বজাৰৰ মাজতো শিল্পকৰ্মৰ মূল স্ৰষ্টাসকলৰ জীৱন আজিও অনিশ্চয়তা আৰু আৰ্থিক সংকটেৰে ভৰপূৰ। সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ তুলনাত শিল্পীসকলে লাভ কৰা পাৰিশ্ৰমিক একেবাৰে সীমিত। উৎসৱৰ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কাম শেষ কৰাৰ তীব্ৰ মানসিক চাপ, দৈনিক ১৪-১৫ ঘণ্টাৰ হাড়ভঙা খাটনি আৰু কামৰ স্থানত ন্যূনতম সা-সুবিধা নথকাৰ পাছতো বহু সময়ত তেওঁলোকে কৰা কামৰ বাবদ পাবলগা উপযুক্ত মজুৰিৰ পৰা বঞ্চিত হয়। পূজা শেষ হোৱাৰ লগে লগে এইসকল শিল্পী সমাজৰ দৃষ্টিৰ আঁৰলৈ গুচি যায় আৰু বছৰটোৰ বাকী সময়ছোৱাত বহুতেই তীব্ৰ কৰ্মহীনতাত ভুগিবলগীয়া হয়। এনে সামাজিক আৰু অৰ্থনৈতিক নিৰাপত্তাহীনতাই নতুন প্ৰজন্মক এই পূৰ্বপুৰুষীয়া শিল্পধাৰাৰ পৰা আঁতৰাই নিবলৈ বাধ্য কৰিছে।

এই পটভূমিত কেৱল শিল্পীসকলৰ শিল্পকৰ্মৰ বাহ্যিক প্ৰশংসা কৰাই যথেষ্ট নহয়, তেওঁলোকৰ শ্ৰমৰ ন্যায্য মূল্য আৰু সামাজিক মৰ্যাদা প্ৰতিষ্ঠা কৰাটো এক অপৰিহাৰ্য সামাজিক দায়িত্ব। পূজা উদ্‌যাপন সমিতিসমূহে মণ্ডপৰ বাহ্যিক আড়ম্বৰ বা বিজ্ঞাপনৰ নামত লাখ লাখ টকা ব্যয় কৰাৰ বিপৰীতে মূল শিল্পী আৰু কাৰিকৰসকলৰ উচিত পাৰিশ্ৰমিক আৰু সুৰক্ষাক অগ্ৰাধিকাৰ দিয়া উচিত। কামৰ চৰ্ত আৰু পাৰিশ্ৰমিকৰ পৰিমাণ আগতীয়াকৈ লিখিতভাৱে স্পষ্ট কৰা, কামৰ অগ্ৰগতি অনুসৰি ধন আদায় দিয়া আৰু নিৰ্মাণস্থলীত শিল্পীসকলৰ স্বাস্থ্য তথা জীৱন বীমাৰ ব্যৱস্থা কৰাটো সমিতিসমূহৰ নৈতিক কৰ্তব্যৰ ভিতৰত পৰে। একেদৰে চৰকাৰ আৰু সচেতন সমাজেও এই লোকশিল্পীসকলৰ জীৱন-ধাৰণৰ মান উন্নত কৰাৰ বাবে বিশেষ কল্যাণমূলক আঁচনি, পেঞ্চন ব্যৱস্থা আৰু অফ-চিজনত বিকল্প উপাৰ্জনৰ বাবে হস্তশিল্প প্ৰকল্প আদি গ্ৰহণ কৰা প্ৰয়োজন। এজন সাধাৰণ দৰ্শনাৰ্থী হিচাপেও আমাৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন ঘটিব লাগিব। মণ্ডপ এটাৰ মূল্যায়ন কেৱল তাৰ বিশালতা বা ব্যয়বহুল আলোকসজ্জাৰে কৰাৰ পৰিৱৰ্তে তাৰ আঁৰৰ কাৰিকৰী নিপুণতা, থলুৱা উপকৰণৰ ব্যৱহাৰ আৰু শিল্পীৰ চিন্তাৰ গভীৰতাক উপলব্ধি কৰিবলৈ শিকা উচিত। যেতিয়া পূজা সমিতি আৰু সাধাৰণ সমাজে শিল্পীসকলক কেৱল মজুৰি লোৱা শ্ৰমিক হিচাপে নলৈ এগৰাকী সন্মানীয় সাংস্কৃতিক সাধক হিচাপে স্বীকৃতি দিব, তেতিয়াহে তেওঁলোকৰ সামাজিক নিৰাপত্তা নিশ্চিত হ'ব।

পৰিশেষত ক'ব পাৰি যে, দুৰ্গা পূজাৰ মণ্ডপৰ সৌন্দৰ্য ক্ষণস্থায়ী। বিজয়া দশমীৰ বিসৰ্জনৰ লগে লগে এই সকলো আড়ম্বৰ ম্লান হৈ পৰে। কিন্তু সেই সৌন্দৰ্যক সৃষ্টি কৰা শিল্পীসকলৰ সাধনা, কাৰিকৰী দক্ষতা আৰু পৰম্পৰাগত জ্ঞান আমাৰ সমাজৰ এক চিৰন্তন অমূল্য সম্পদ। উৎসৱৰ প্ৰকৃত সাৰ্থকতা কেৱল ক্ষণিকৰ চকুৰ তিৰবিৰণিত নহয়, মানুহৰ শ্ৰমৰ প্ৰতি সন্মান, শিল্পৰ প্ৰতি শ্ৰদ্ধা আৰু ঐতিহ্য ৰক্ষাৰ আন্তৰিকতাতহে নিহিত থাকে। দেৱীৰ প্ৰতিমাত আমি যি শক্তিৰ আৰাধনা কৰোঁ, সেই শক্তিক দৃশ্যমান আৰু অনুভৱী ৰূপ দিয়া শিল্পীসকলৰ হাততো প্ৰকৃততে নিহিত হৈ থাকে সৃষ্টিৰ এক অপৰিসীম ঐশ্বৰিক শক্তি। সেই শ্ৰম আৰু শক্তিক যথাযোগ্য মৰ্যাদা প্ৰদান কৰা, শিল্পীৰ জীৱিকা সুৰক্ষিত কৰা আৰু লোকশিল্পক নতুন দিনৰ উপযোগী কৰি জীয়াই ৰখাৰ সংকল্পইহে দুৰ্গোৎসৱৰ সাংস্কৃতিক আৰু মানৱীয় তাৎপৰ্যক প্ৰকৃত অৰ্থত সাৰ্থক কৰি তুলিব।

# দুৰ্গা পূজাত নাৰী শক্তিৰ বন্দনা, পুৰাতন ভাৰতীয় সভ্যতাৰ উজ্জ্বল নিদৰ্শন

**ভা**ৰতীয় সভ্যতা আৰু সংস্কৃতিৰ ইতিহাসত নাৰী কেৱল প্ৰকৃতিৰ এক সৃষ্টিশীল সত্তা নহয়, তেওঁ শক্তি, জ্ঞান, প্ৰজ্ঞা, কৰুণা আৰু সৃষ্টিৰ আধাৰ। ভাৰতীয় দৰ্শনৰ গভীৰতাত নাৰীক জীৱনৰ পৰিপূৰক হিচাপে নহয়, বৰং জীৱনক ধাৰণ আৰু পৰিচালনা কৰা এক মৌলিক শক্তি হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। দুৰ্গা পূজা এই চিৰন্তন চিন্তাধাৰাৰ এক উজ্জ্বল সাংস্কৃতিক আৰু আধ্যাত্মিক প্ৰকাশ। দেৱী দুৰ্গাৰ আৰাধনাৰ মাজেৰে ভাৰতীয় সমাজে যুগে যুগে নাৰীৰ সৃজনশীলতা, সাহস, আত্মমৰ্যাদা আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদী শক্তিক বন্দনা কৰি আহিছে। সেয়েহে দুৰ্গা পূজা কেৱল ধৰ্মীয় উৎসৱ নহয়, ই নাৰী শক্তিৰ স্বীকৃতি, অশুভৰ বিৰুদ্ধে শুভৰ বিজয় আৰু মানৱীয় মূল্যবোধৰ প্ৰতিষ্ঠাৰ এক চিৰন্তন ঘোষণা।

ভাৰতীয় সংস্কৃতিৰ অন্যতম প্ৰাচীন দাৰ্শনিক ধাৰণা হৈছে শক্তিবাদ। এই দৰ্শন অনুসৰি জগতৰ সৃষ্টিৰ আঁৰত যি পৰম শক্তি সক্ৰিয় হৈ আছে, সেয়া হৈছে আদ্যাশক্তি। শিৱ আৰু শক্তিৰ ধাৰণাই ভাৰতীয় দৰ্শনত চেতনা আৰু কৰ্মশক্তিৰ পাৰস্পৰিক নিৰ্ভৰশীলতাক প্ৰকাশ কৰে। শক্তিবিহীন শিৱ নিষ্ক্ৰিয় আৰু চেতনাবিহীন শক্তি অৰ্থহীন— এই দাৰ্শনিক ব্যঞ্জনাই জীৱন আৰু জগতৰ পৰিচালনাত শক্তিৰ অপৰিহাৰ্যতাক প্ৰতিপন্ন কৰে। নাৰী এই শক্তিৰ প্ৰতীকী প্ৰকাশ। সৃষ্টিৰ জন্মদাত্ৰী, জীৱনৰ ধাৰক আৰু সমাজৰ নৈতিক ভেটি হিচাপে নাৰীৰ অৱদানক ভাৰতীয় পৰম্পৰাই বিভিন্ন ৰূপত স্বীকাৰ কৰিছে।

দেৱী দুৰ্গাৰ মাহাত্ম্য বৰ্ণনা কৰা দেৱী-মাহাত্ম্য বা দুৰ্গা সপ্তশতীত নাৰীৰ এই মহাশক্তিৰ সুন্দৰ প্ৰকাশ ঘটিছে। মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত এই গ্ৰন্থত মহিষাসুৰৰ বিৰুদ্ধে দেৱী দুৰ্গাৰ যুদ্ধৰ কাহিনীৰ মাজেৰে অন্যায়, অহংকাৰ আৰু অত্যাচাৰৰ পৰাজয়ৰ কথা বৰ্ণনা কৰা হৈছে। পৌৰাণিক আখ্যান অনুসৰি, মহিষাসুৰৰ অত্যাচাৰত দেৱতাসকল অসহায় হৈ পৰাত তেওঁলোকৰ সামূহিক তেজস্বী শক্তিৰ পৰা দেৱী দুৰ্গাৰ আবিৰ্ভাৱ ঘটে। প্ৰতিগৰাকী দেৱতাই নিজৰ শক্তি আৰু অস্ত্ৰ প্ৰদান কৰি দেৱীক মহিষাসুৰৰ বিৰুদ্ধে যুঁজিবলৈ সক্ষম কৰি তোলে।

এই আখ্যানৰ অন্তৰালত এক গভীৰ সামাজিক আৰু দাৰ্শনিক তাৎপৰ্য নিহিত হৈ আছে। অত্যাচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ সমাজৰ বিচ্ছিন্ন শক্তিসমূহৰ একতা অপৰিহাৰ্য। দেৱী দুৰ্গাৰ বিজয়ে প্ৰমাণ কৰে যে শক্তি কেৱল বাহুবলৰ প্ৰতীক নহয়, ই ন্যায়, সাহস, আত্মবিশ্বাস আৰু নৈতিক দৃঢ়তাৰো প্ৰতীক। মহিষাসুৰৰ পৰাজয়ৰ মাজেৰে প্ৰকাশ পোৱা মূল বাণীটো হৈছে— অহংকাৰ আৰু অত্যাচাৰ যিমানেই শক্তিশালী নহওক কিয়, ন্যায়ৰ শক্তিৰ সন্মুখত সি চিৰস্থায়ী হ'ব নোৱাৰে। দেৱী-মাহাত্ম্যৰ এক বিখ্যাত শ্লোকত কোৱা হৈছে—

"য়া দেৱী সৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।"

অৰ্থাৎ, যিগৰাকী দেৱী সকলো জীৱৰ মাজত শক্তিৰূপে বিৰাজমান, সেই দেৱীক বাৰে বাৰে প্ৰণাম জনাইছোঁ।

এই শ্লোকৰ তাৎপৰ্য কেৱল মন্দিৰত প্ৰতিষ্ঠিত দেৱীমূৰ্তিৰ বন্দনাতে সীমাবদ্ধ নহয়। ইয়াৰ দাৰ্শনিক ব্যাখ্যা অনুসৰি, জীৱজগতৰ প্ৰতিটো সৃষ্টিশীল আৰু জীৱনমুখী কৰ্মৰ মাজতে শক্তিৰ উপস্থিতি অনুভৱ কৰিব পাৰি। এগৰাকী মাতৃৰ স্নেহ, এগৰাকী শিক্ষয়িত্ৰীৰ জ্ঞানদান, এগৰাকী বিজ্ঞানীৰ উদ্ভাৱনী চিন্তা, এগৰাকী কৃষকৰ পৰিশ্ৰম আৰু এগৰাকী সমাজকৰ্মীৰ মানৱসেৱাৰ মাজতো শক্তিৰ বিভিন্ন প্ৰকাশ দেখা যায়। এই দৃষ্টিভংগীয়ে নাৰীশক্তিৰ বন্দনাক ধৰ্মীয় পৰিসৰৰ পৰা উলিয়াই সামাজিক জীৱনৰ বাস্তৱ ক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰে। একেদৰে দেৱী-মাহাত্ম্যৰ আন এটা বহুল প্ৰচলিত শ্লোকত কোৱা হৈছে—

"য়া দেৱী সৰ্বভূতেষু মাতৃৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।"

অৰ্থাৎ, যিগৰাকী দেৱী সকলো জীৱৰ মাজত মাতৃৰূপে অৱস্থান কৰিছে, সেই দেৱীক বাৰে বাৰে প্ৰণাম জনাইছোঁ।

মাতৃত্ব ইয়াত কেৱল সন্তান জন্ম দিয়াৰ জৈৱিক প্ৰক্ৰিয়া নহয়, ই স্নেহ, ত্যাগ, সুৰক্ষা, সহমৰ্মিতা আৰু জীৱনক লালন-পালন কৰাৰ এক ব্যাপক মানৱীয় আদৰ্শ। অৱশ্যে নাৰীৰ মহত্ত্বক কেৱল মাতৃত্বৰ মাজতে সীমাবদ্ধ কৰা উচিত নহয়। নাৰীৰ ব্যক্তিসত্তা, স্বাধীন চিন্তা, শিক্ষা, কৰ্মদক্ষতা আৰু নিজৰ জীৱনৰ সিদ্ধান্ত গ্ৰহণৰ অধিকাৰো সমানেই গুৰুত্বপূৰ্ণ। সেয়েহে এই শ্লোকৰ আধুনিক তাৎপৰ্য হ'ল—প্ৰতিগৰাকী নাৰীৰ মাজত নিহিত মানৱীয় সম্ভাৱনা আৰু সৃষ্টিশীল শক্তিক সন্মান কৰা।



প্ৰাচীন ভাৰতীয় সাহিত্যত নাৰীৰ জ্ঞান আৰু প্ৰজ্ঞাৰ স্বীকৃতিও বিশেষভাৱে উল্লেখযোগ্য। ঋগ্বেদত লোপামুদ্ৰা, ঘোষা আৰু অপালাৰ দৰে নাৰী ঋষিৰ নাম পোৱা যায়। বৃহদাৰণ্যক উপনিষদত গাৰ্গী আৰু মৈত্ৰেয়ীৰ দাৰ্শনিক চিন্তা আৰু বৌদ্ধিক অনুসন্ধিৎসাৰ পৰিচয় পোৱা যায়। গাৰ্গীয়ে যাজ্ঞৱল্ক্যৰ সৈতে ব্ৰহ্মাণ্ডৰ চূড়ান্ত ভিত্তি সম্পৰ্কে গভীৰ দাৰ্শনিক আলোচনা কৰিছিল। মৈত্ৰেয়ীয়ে সম্পদতকৈ আত্মজ্ঞানৰ মূল্য অধিক বুলি বিবেচনা কৰিছিল। এই উদাহৰণসমূহে প্ৰমাণ কৰে যে ভাৰতীয় বৌদ্ধিক পৰম্পৰাত নাৰীৰ জ্ঞানচৰ্চা আৰু দাৰ্শনিক অনুসন্ধানৰ এক স্বীকৃত স্থান আছিল।

দেৱী সৰস্বতী জ্ঞানৰ, দেৱী লক্ষ্মী সমৃদ্ধিৰ আৰু দেৱী দুৰ্গা শক্তি তথা সাহসৰ প্ৰতীক। এই তিনিওটা ৰূপৰ মাজত ভাৰতীয় সংস্কৃতিৰ এক তাৎপৰ্যপূৰ্ণ জীৱনদৰ্শন প্ৰকাশ পাইছে। জ্ঞান, সমৃদ্ধি আৰু শক্তি— এই তিনিটা উপাদানৰ সমন্বয় অবিহনে ব্যক্তি আৰু সমাজৰ পূৰ্ণ বিকাশ সম্ভৱ নহয়। বিশেষকৈ দুৰ্গাৰ দশভুজা ৰূপে বহু দিশত কাৰ্যসম্পাদন কৰিব পৰা সামৰ্থ্য, আত্মৰক্ষা, কৰ্তব্যনিষ্ঠা আৰু সংকটৰ সন্মুখীন হোৱাৰ সাহসক প্ৰতীকীভাৱে প্ৰকাশ কৰে। সিংহ বাহন শক্তি আৰু নিৰ্ভীকতাৰ প্ৰতীক, আনহাতে মহিষাসুৰৰ ওপৰত দেৱীৰ বিজয়ে মানুহৰ অন্তৰত থকা অহংকাৰ, লোভ আৰু অসৎ প্ৰবৃত্তিৰ বিৰুদ্ধে আত্মসংগ্ৰামৰো ইংগিত দিয়ে।

ভাৰতীয় ধৰ্মীয় পৰম্পৰাত নাৰীৰ প্ৰতি সন্মানৰ বহুল উদ্ধৃত শ্লোকটো হ'ল-

"যত্ৰ নাৰ্যস্তু পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্তু ন পূজ্যন্তে সৰ্বাস্তত্ৰাফলাঃ ক্ৰিয়াঃ।।"

মনুস্মৃতিৰ এই শ্লোকৰ অৰ্থ হ'ল, য'ত নাৰীক সন্মান কৰা হয়, তাত দেৱতাসকল সন্তুষ্ট থাকে আৰু য'ত নাৰীক সন্মান কৰা নহয়, তাত সকলো ধৰ্মীয় কৰ্ম নিষ্ফল হয়।

এই শ্লোকৰ সামাজিক তাৎপৰ্য গভীৰ। নাৰীৰ প্ৰতি সন্মান অবিহনে কোনো সমাজৰ নৈতিক উন্নতি সম্ভৱ নহয়। অৱশ্যে নাৰীক সন্মান কৰাৰ অৰ্থ কেৱল পূজা কৰা বা আনুষ্ঠানিক বন্দনা কৰাই নহয়। নাৰীৰ সমান অধিকাৰ নিশ্চিত কৰা, শিক্ষাৰ সুযোগ প্ৰদান কৰা, কৰ্মক্ষেত্ৰত বৈষম্য দূৰ কৰা, মত প্ৰকাশৰ স্বাধীনতা ৰক্ষা কৰা আৰু হিংসা-নিৰ্যাতনৰ পৰা সুৰক্ষা দিয়াহে প্ৰকৃত সন্মানৰ প্ৰকাশ। দেৱী দুৰ্গাৰ চৰণত পুষ্পাঞ্জলি আগবঢ়োৱা হাত দুখনে যদি বাস্তৱ জীৱনত নাৰীৰ স্বাধীনতা আৰু মৰ্যাদা খৰ্ব কৰে, তেন্তে সেই বন্দনা আত্মবিৰোধী হৈ পৰে।

দুৰ্গা পূজাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে নাৰীশক্তি আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক। ভাৰতীয় পৰম্পৰাত প্ৰকৃতিক মাতৃৰূপে কল্পনা কৰা হৈছে। পৃথিৱী, নদী, অৰণ্য আৰু জীৱজগতৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশৰ মাজত এই মাতৃভাৱনাৰ প্ৰতিফলন ঘটে। দেৱীৰ আগমনৰ সৈতে শৰৎকালীন প্ৰকৃতিৰ সৌন্দৰ্য, কহুৱাৰ শুভ্ৰতা আৰু নীলা আকাশৰ মাধুৰ্যৰ যি সাংস্কৃতিক সম্পৰ্ক গঢ় লৈ উঠিছে, সি মানুহৰ মনত প্ৰকৃতিৰ প্ৰতি এক আধ্যাত্মিক অনুভূতি জগাই তোলে। কিন্তু এই অনুভূতিৰ প্ৰকৃত সাৰ্থকতা তেতিয়াহে আহিব, যেতিয়া আমি প্ৰকৃতিৰ সংৰক্ষণ, পৰিৱেশৰ ভাৰসাম্য আৰু জীৱবৈচিত্ৰ্য ৰক্ষাৰ ক্ষেত্ৰতো দায়িত্বশীল হ'ম।

অজিত বৰুৱা

অসমীয়া সমাজতো দুৰ্গা পূজাই ধৰ্মীয় বিশ্বাসৰ লগতে সামাজিক সম্প্ৰীতি, সাংস্কৃতিক বিনিময় আৰু সামূহিক আনন্দৰ পৰিৱেশ সৃষ্টি কৰে। পূজাৰ মণ্ডপত বিভিন্ন জাতি-জনগোষ্ঠী আৰু ধৰ্মীয় পৰিচয়ৰ মানুহৰ সমাগমে সামাজিক মিলনৰ এক পৰিসৰ গঢ়ি তোলে। এই উৎসৱৰ মাজেৰে শিল্পী, কাৰিকৰ, মৃৎশিল্পী আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ জীৱিকাৰো সুযোগ সৃষ্টি হয়। সেয়েহে দুৰ্গা পূজা কেৱল ধৰ্মীয় অনুষ্ঠান নহয়, ই সামাজিক সংহতি, লোকশিল্প আৰু সাংস্কৃতিক ঐতিহ্যৰো বাহক।

কিন্তু আধুনিক সময়ত দুৰ্গা পূজাৰ আড়ম্বৰ, প্ৰতিযোগিতা আৰু বাণিজ্যিকীকৰণৰ মাজত ইয়াৰ মূল দাৰ্শনিক বাণী কেতিয়াবা হেৰাই যোৱাৰ আশংকা দেখা যায়। প্ৰতিমাৰ উচ্চতা, মণ্ডপৰ ব্যয় আৰু আলোকসজ্জাৰ জাকজমকতকৈ অধিক গুৰুত্বপূৰ্ণ হৈছে দেৱীৰ আদৰ্শক জীৱনত প্ৰতিফলিত কৰা। নাৰী নিৰ্যাতন, বাল্যবিবাহ, যৌতুক প্ৰথা, লিংগবৈষম্য, শিক্ষাৰ অসমান সুযোগ আৰু কৰ্মক্ষেত্ৰত বৈষম্যৰ দৰে সমস্যাসমূহৰ বিৰুদ্ধে সামাজিক সচেতনতা গঢ়ি তোলাটো হ'ব পাৰে দুৰ্গা পূজাৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰাৰ এক উল্লেখযোগ্য উপায়।

আজিৰ সমাজত নাৰীশক্তিৰ বন্দনা তেতিয়াহে অৰ্থবহ হ'ব, যেতিয়া কন্যা শিশুৱে নিৰাপদে জন্মগ্ৰহণ কৰিব পাৰিব, প্ৰতিগৰাকী ছাত্ৰীয়ে সমান শিক্ষাৰ সুযোগ লাভ কৰিব, নাৰীয়ে নিজৰ প্ৰতিভা অনুসৰি কৰ্মজীৱন গঢ়িব পাৰিব আৰু প্ৰতিগৰাকী মহিলাই নিজৰ জীৱনৰ সিদ্ধান্ত স্বাধীনভাৱে ল'ব পাৰিব। নাৰীক দুৰ্বল বুলি গণ্য কৰা মানসিকতাৰ পৰিৱৰ্তন আৰু পৰিয়ালৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰীয় পৰ্যায়লৈকে সমতাৰ পৰিৱেশ সৃষ্টি কৰাটো সময়ৰ দাবী।

পৰিশেষত ক'ব পাৰি যে দুৰ্গা পূজাৰ অন্তৰ্নিহিত দৰ্শন হৈছে অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ প্ৰতিষ্ঠা, অজ্ঞানৰ বিৰুদ্ধে জ্ঞানৰ জয় আৰু দুৰ্বলতাৰ বিৰুদ্ধে আত্মবিশ্বাসৰ উত্থান। পুৰাতন ভাৰতীয় সভ্যতাই দেৱী দুৰ্গাৰ মাজেৰে নাৰীশক্তিক যি প্ৰতীকী মৰ্যাদা প্ৰদান কৰিছিল, তাৰ প্ৰকৃত মূল্য উপলব্ধি কৰিবলৈ হ'লে আমি সেই মৰ্যাদাক বাস্তৱ সামাজিক জীৱনতো প্ৰতিষ্ঠা কৰিব লাগিব। দেৱীৰ আৰাধনা কেৱল মন্দিৰ আৰু মণ্ডপত সীমাবদ্ধ নাথাকি আমাৰ চিন্তা, আচৰণ আৰু সামাজিক ব্যৱস্থাৰ মাজতো প্ৰতিফলিত হ'ব লাগিব।

দুৰ্গা পূজাৰ প্ৰকৃত সাৰ্থকতা তেতিয়াই প্ৰতিষ্ঠিত হ'ব, যেতিয়া নাৰীক দেৱীৰূপে বন্দনা কৰাৰ লগতে এগৰাকী স্বাধীন, আত্মমৰ্যাদাসম্পন্ন আৰু সম অধিকাৰসম্পন্ন মানুহ হিচাপেও স্বীকৃতি দিয়া হ'ব। সেই দিনাই নাৰীশক্তিৰ বন্দনা কেৱল প্ৰাচীন ভাৰতীয় সভ্যতাৰ গৌৰৱময় স্মৃতি হৈ নাথাকি আধুনিক ভাৰতৰ ন্যায়সংগত, মানৱীয় আৰু প্ৰগতিশীল সমাজ নিৰ্মাণৰ প্ৰেৰণা হৈ উঠিব।

## শৰতৰ চোতালত শেৱালি

**শ**ৰতৰ আগমনে প্ৰকৃতিৰ বুকুলৈ অনবদ্য সৌন্দৰ্যৰ সম্ভাৰ কঢ়িয়াই আনে। শৰৎ মানেই শুভ্ৰতা, সুবাস আৰু স্নিগ্ধতা। শৰৎ মানেই শেৱালিৰ মনোমোহা সুবাস। দোকমোকালিতে নিয়ৰসিক্ত দুবৰিৰ ভাঁজত লুকাই থকা তলসৰা শেৱালিৰ শুভ্ৰ দলিচাই চৌদিশে সৌৰভ বিলাই মনবোৰ অনাবিল প্ৰশান্তিৰে ভৰাই তোলে। শেৱালিৰ অবিহনে শৰতৰ সৃষ্টি আধৰুৱা। যিদৰে কুলিৰ মাতে বসন্ত অহাৰ আগজাননী দিয়ে, তেনেদৰে শেৱালিৰ সুবাসে শৰৎ অহাৰ ইংগিত দিয়ে।

এতিয়া শেৱালি ফুলাৰ বতৰ। শৰতৰ বাবেই শেৱালি আৰু শেৱালিৰ বাবেই যেন শৰৎ শেৱালি ফুল ৰাতি ফুলে। সূৰ্য অস্ত যোৱাৰ পৰা সূৰ্য উদয় হোৱা এই মাজৰ সময়খিনিত শেৱালিৰ অস্তিত্ব বিৰাজমান। ফৰিংফুটা জোনাক নিশা শেৱালিৰ মনোমোহা সুগন্ধিয়ে হৃদয়ত এক অনুভৱী সত্তাৰ সৃষ্টি কৰে। কিন্তু পুৱা সুৰুযৰ কিৰণৰ স্পৰ্শত আৰু এপাহি-দুপাহিকৈ সৰি পৰে শেৱালি।

শেৱালি ফুলৰ শুভ্ৰ দলিছাত নিয়ৰৰ টোপালে ওমলে। শেৱালি ৰ সুগন্ধ ই কঢ়িয়াই আনে মা দশভূজাৰ ধৰালৈ অহাৰ আগমনৰ বতৰা। নিয়ৰৰ টোপালৰ মুকুতা-মণিয়ে সজায় শাৰদীয় ৰানীৰ শয্যা, জোনাকেও চতিয়াই জিলমিল পোহৰত তলসৰা শেৱালিৰ ফুলৰ দলিচা। দুৰ্গতি নাশিনী মহিষ মৰ্দিনীক। শেৱালি ফুলৰ এধাৰি মালা গাঁঠি তেওঁৰ চৰণত অৰ্পণ কৰা যায় এই শৰতৰ বতৰত।

শৰতৰ চোতালত শেৱালি। জোনাকৰ পোহৰৰ ৰূপালীম ৰাতি, গভীৰ অনুভৱ বোৰে প্ৰেমৰ ভাষাৰে নাচে, লয়লাস ভংগিমাৰে। শব্দ কাননত অনুভৱৰ নৃত্য-নাটিকা, যুৱীয়া ৰাজহংসও কথা পাতে গুণগুণাই। শেৱালি ফুলৰ তলসৰা দলিচাই শৰতৰ চোতাললৈ কঢ়িয়াই আনিছে সমীৰে বোৱাই অনা সুগন্ধি সুবাস, কাৰণ এয়া যে সময় শাৰদীয় ৰাণী অহাৰ।

"হে মা দুৰ্গতি নাশিনী তোমাক শতকৌটি প্ৰণাম।"

**কল্পনা দত্ত**

*লুইত নগৰ, নুনমাটি গুৱাহাটী*

## ১১-১২ ডিচেম্বৰত কানাডা ভ্ৰমণ কৰিব

শেহতীয়া টেলিফোনিক বাৰ্তালাপত দুয়োগৰাকী নেতাই এই সম্পৰ্ক আগুৱাই নিয়াৰ বিষয়ে সন্মতি প্ৰকাশ কৰে। উচ্চায়ুক্তই এক্সত দিয়া এক পোষ্টত উল্লেখ কৰে, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬চনৰ ১১-১২ ডিচেম্বৰত কানাডা ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি সৈতে হোৱা শেহতীয়া বাৰ্তালাপত দুয়োজন নেতাই সম্পৰ্ক অধিক ইতিবাচক কৰি তুলিবলৈ আৰু বাণিজ্য, শক্তি, প্ৰযুক্তি, নিৰাপত্তা তথা জনসাধাৰণৰ সম্পৰ্কত সুনিৰ্দিষ্ট ফলাফলৰ দিশত কাম কৰিবলৈ সন্মত হয়।" মঙলবাৰে হোৱা এই টেলিফোনিক বাৰ্তালাপক প্ৰধানমন্ত্ৰী মোদীয়ে উৎপাদনশীল বুলি অভিহিত কৰে আৰু ভাৰত-কানাডাৰ কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ গুৰুত্ব পুনৰ উল্লেখ কৰে। এক্সত দিয়া এক পোষ্টত তেওঁ কয়, "প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি সৈতে উৎপাদনশীল বাৰ্তালাপ কৰিলোঁ। ভাৰত-কানাডা সম্পৰ্কত ইতিবাচক গতিবেগ গঢ়ি তুলিবলৈ আৰু বাণিজ্য, শক্তি, প্ৰযুক্তি, নিৰাপত্তা আৰু জনসাধাৰণৰ সম্পৰ্কক ধৰি আমাৰ কৌশলগত অংশীদাৰিত্বৰ মূল ক্ষেত্ৰসমূহত সুনিৰ্দিষ্ট ফলাফলৰ দিশত কাম কৰিবলৈ আমি সন্মত হৈছোঁ।" তেওঁ লগতে কয়, "ভাৰত আৰু কানাডাই একেলগে অধিক সুস্থিৰ আৰু সমৃদ্ধিশালী বিশ্বৰ দিশত অৰিহণা যোগাইছে।" কানাডাৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা প্ৰকাশিত এক বিবৃতি অনুসৰি, ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰাৰ প্ৰচেষ্টাক সমৰ্থন কৰি দুয়োগৰাকী নেতাই আগতীয়াকৈ এক বিস্তৃত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ আলোচনা সমাপ্ত কৰাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে। কানাডাৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মন্ত্ৰী মনিন্দৰ সিদ্ধুৰ নেতৃত্বত ভাৰতলৈ অহা টীম কানাডা ট্ৰেড মিছন আৰু কানাডাৰ বৈদেশিক মন্ত্ৰী অনিতা আনন্দৰ নতুন দিল্লী ভ্ৰমণক দুয়োখন দেশে আদৰণি জনায়। আলোচনাত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ভূ-ৰাজনৈতিক অস্থিৰতাৰ প্ৰভাৱ তথা শক্তি আৰু কৃষিৰ ক্ষেত্ৰত বিশ্বাসযোগ্য অংশীদাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে মত বিনিময় হয়। ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াৰ যুদ্ধৰ শান্তিপূৰ্ণ সমাধান বিচৰাৰ বাবেও প্ৰধানমন্ত্ৰী মোদীক কানাডাৰ প্ৰধানমন্ত্ৰী কাৰ্ণিয়ে ধন্যবাদ জনায়। প্ৰধানমন্ত্ৰী মোদীৰ কানাডা ভ্ৰমণৰ পূৰ্বে দুয়োগৰাকী নেতাই ঘনিষ্ঠ যোগাযোগত থাকিবলৈও সন্মত হয়। ইয়াৰ পূৰ্বে বুধবাৰে অনিতা আনন্দে নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰক সাক্ষাৎ কৰি বাণিজ্য, বিনিয়োগ, নিৰাপত্তা, শক্তি, প্ৰযুক্তি আৰু জনসাধাৰণৰ আদান-প্ৰদানৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ সৈতে হোৱা বৈঠকৰ পিছত এক্সত দিয়া এক পোষ্টত আনন্দে কয় যে ভাৰত আৰু কানাডাৰ একেলগে এক সমৃদ্ধিশালী ভৱিষ্যত গঢ়ি তোলাৰ উল্লেখযোগ্য সম্ভাৱনা আছে।" কানাডা আৰু ভাৰতে একেলগে অধিক সমৃদ্ধিশালী ভৱিষ্যত গঢ় দিয়াৰ বিশাল সম্ভাৱনা আছে। আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে আমাৰ কৌশলগত অংশীদাৰিত্ব আৰু বাণিজ্য, বিনিয়োগ তথা নিৰাপত্তাৰ বাবে আগন্তুক সুযোগসমূহৰ বিষয়ে আলোচনা কৰাৰ সুযোগ পাইছিলোঁ, "আনন্দে পোষ্টত উল্লেখ কৰে। দুয়োখন দেশৰ মাজত দীৰ্ঘদিনীয়া জনসাধাৰণৰ সংযোগৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে প্ৰায় ৮০ বছৰীয়া কূটনৈতিক সম্পৰ্ক পৰিয়াল, ছাত্ৰ আৰু উদ্যোগীসকলৰ প্ৰজন্মই শক্তিশালী কৰি তুলিছে। এক্সত দিয়া এক সুকীয়া পোষ্টত আনন্দে কয় যে এবছৰৰ পূৰ্বে নতুন দিল্লীত এছ জয়শংকৰৰ সৈতে হোৱা সাক্ষাৎকাৰৰ পিছত বিশেষকৈ বাণিজ্যিক আলোচনা আৰু শক্তি, উদ্ভাৱন তথা নিৰাপত্তাৰ ক্ষেত্ৰত সহযোগিতাত যি অগ্ৰগতি হৈছে, সেয়াই তেওঁক উৎসাহিত কৰিছে। তেওঁ কয়, "ঠিক এবছৰৰ আগতে নতুন দিল্লীত কানাডা আৰু ভাৰতৰ মাজৰ সম্পৰ্কৰ বাবে এক উমৈহতীয়া ৰোডমেপ স্থাপনৰ বাবে মোৰ সমকক্ষ এছ জয়শংকৰক লগ পাইছিলোঁ। আজি উভতি আহি মই বাণিজ্যিক আলোচনাতেই হওক বা শক্তি, উদ্ভাৱন আৰু নিৰাপত্তাৰ ক্ষেত্ৰত আমাৰ সহযোগিতা শক্তিশালী কৰাত হওক, যি অগ্ৰগতি লাভ কৰিছে, সেয়াই মোক উৎসাহিত কৰিছে। আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাত গভীৰ পৰিৱৰ্তন হোৱাৰ লগে লগে কানাডা আৰু ভাৰতৰ মাজত সম্পৰ্ক শক্তিশালী কৰিলে আমাক অধিক সমৃদ্ধিশালী ভৱিষ্যত গঢ়ি তোলাৰ সুযোগ পোৱা যায় আৰু মুক্ত, মুকলি তথা সমৃদ্ধিশালী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত অৰিহণা যোগোৱাৰ সুযোগ পোৱা যায়।" ইফালে, মনিন্দৰ সিদ্ধুৱে টিম কানাডা ট্ৰেড মিছনৰ অংশ হিচাপে ভাৰতলৈ প্ৰায় ৩০০ ব্যৱসায়িক প্ৰতিনিধিৰ এটা দলৰ নেতৃত্ব দি মূল খণ্ডসমূহৰ মাজত বাণিজ্যিক সুযোগসমূহ অন্বেষণ কৰিছে। দুয়োখন দেশেই বাণিজ্য আৰু বিনিয়োগৰ সুযোগ সম্প্ৰসাৰণৰ বাবে আলোচনাক আগুৱাই নিব বিচাৰিছে।

## আজি মহাসপ্তমী ঃ কালৰাত্ৰিৰ ৰূপত পূজিত

ধামত সম্পন্ন হ'ব পৰম্পৰাগত গট পূজা। কামাখ্যাত শাৰদীয় দুৰ্গা পূজাৰ আৰম্ভণিৰ পৰা দেৱীলৈ বুলি আগবঢ়াই অহা হৈছে ছাগলী, পাৰ, কুঁহিয়াৰ, কচু আৰু কোমোৰাৰ পঞ্চবলি। সেয়ে নিয়ম অনুসৰিয়েই আজি মহাসপ্তমীৰ দিনটোত কামাখ্যা ধামত পঞ্চবলিৰ লগতে আগবঢ়োৱা হ'ব ম'হ বলি। তদুপৰি সম্পন্ন হ'ব কুমাৰী পূজা। নলবাৰী জিলাৰ বেলশৰৰ ঐতিহ্যমণ্ডিত বিলেশ্বৰ দেৱালয়তো আজি মহাসপ্তমী উপলক্ষে দেৱীলৈ আগবঢ়োৱা হ'ব হাঁহ, পাৰ, ছাগলী, কোমোৰা আদিৰ বলি। গুৱাহাটী মহানগৰীৰ উগ্ৰতাৰা দেৱালয়তো আজি সপ্তমী উপলক্ষে আগবঢ়োৱা হ'ব পঞ্চবলি। ঢাক-ঢোলৰ লগতে কামৰূপীয়া ঢুলীয়াৰ বাজনা, কালী পেঁপা, শংখ-ঘণ্টা, তাল আদিৰ ঐক্যন আদিৰে মুখৰ এক পৰিবেশৰ মাজত পূজাথলীসমূহত আৰম্ভ হৈছে আয়তীৰ নাম, গোসাঁনীৰ নাম, নাগাৰা নাম, ওজাপালি নৃত্য-গীত আদিৰ অবিৰত প্ৰদৰ্শন। ইয়াৰ লগতে পূজাথলীত পুতলা নাচ, যাত্ৰা-নাট্যাভিনয় আদিৰো প্ৰদৰ্শন চলিছে।

## নতুন পৰ্যটন বৰ্ষৰ বাবে মুকলি আগৰাতলী

বনাঞ্চলখন মুকলি হোৱাৰ লগে লগে প্ৰকৃতিপ্ৰেমী, বন্যপ্ৰাণী অনুৰাগী আৰু পক্ষী নিৰীক্ষকসকলৰ মাজত নতুন উৎসাহৰ সৃষ্টি হৈছে। আগৰাতলী বনাঞ্চল মুকলি কৰা উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত ছুইডেনৰ এগৰাকী পৰ্যটকৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ডিএফঅ' অৰুণ বিগ্‌নেশ, NEPCOৰ স্বতন্ত্ৰ সঞ্চালক অনিমেষ শইকীয়া, জীপ ছাফাৰী সন্থাৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। নতুন পৰ্যটন বৰ্ষত বনাঞ্চলখনলৈ অহা দেশী-বিদেশী পৰ্যটকক প্ৰকৃতিৰ নিৰ্মল সৌন্দৰ্যৰ মাজত এক অনন্য অভিজ্ঞতা প্ৰদান কৰাৰ আশা প্ৰকাশ কৰা হৈছে। পৰিভ্ৰমী চৰাইৰ স্বৰ্গভূমি চহলা বিলৰ সৌন্দৰ্য এক অনন্য পৰিবেশ। কাজিৰঙাৰ পূব প্ৰান্তত অৱস্থিত আগৰাতলী বনাঞ্চলৰ অন্যতম প্ৰধান আকৰ্ষণ হৈছে চহলা বিল। জলাশয়, ঘাঁহনি আৰু বনাঞ্চলৰ সমন্বয়ে গঢ় লৈ উঠা এই অঞ্চলটোৱে বিভিন্ন প্ৰজাতিৰ স্থানীয় আৰু পৰিভ্ৰমী চৰাইক আকৰ্ষণ কৰে। বিশেষকৈ শীতকালৰ আগমনৰ লগে লগে সুদূৰ বিদেশৰ পৰা অহা পৰিভ্ৰমী চৰাইৰ উপস্থিতিয়ে অঞ্চলটোক এক মনোমোহা ৰূপ প্ৰদান কৰে। চহলা বিলৰ জলভাগত জাক জাক জলচৰ চৰাইৰ বিচৰণ, পানীৰ বুকুত খাদ্যৰ সন্ধানত ব্যস্ত চৰাইৰ দৃশ্য আৰু বনাঞ্চলৰ মাজেৰে ভাহি অহা চৰাইৰ কলৰৱে প্ৰকৃতিপ্ৰেমীসকলক মুগ্ধ কৰে। পেলিকান, শামুকভঙা, মাছৰোকাকে ধৰি বিভিন্ন প্ৰজাতিৰ চৰাইৰ উপস্থিতিয়ে এই অঞ্চলৰ পক্ষী বৈচিত্ৰ্যক বিশেষ মাত্ৰা প্ৰদান কৰিছে। কাজিৰঙাৰ জলাশয়সমূহত পৰিভ্ৰমী জলচৰ চৰাইৰ সমাগমৰ গুৰুত্ব চৰকাৰী তথ্যতো প্ৰতিফলিত হৈছে। ২০২৪ চনৰ জানুৱাৰীত অনুষ্ঠিত কাজিৰঙাৰ পঞ্চম জলচৰ চৰাই গণনাত ৮৪, ৮৩৯টা চৰাইৰ উপস্থিতি নথিভুক্ত হৈছিল। চৰাই নিৰীক্ষণৰ বাবে আগৰাতলী এক বিশেষ আকৰ্ষণীয় স্থান। পক্ষী নিৰীক্ষক আৰু বন্যপ্ৰাণীৰ আলোকচিত্ৰ গ্ৰহণৰ প্ৰতি আগ্ৰহীসকলে ইয়াৰ প্ৰাকৃতিক পৰিৱেশত চৰাইৰ বিচৰণ, খাদ্য আহৰণ আৰু জলাশয়কেন্দ্ৰিক জীৱনচক্ৰৰ বিভিন্ন দৃশ্য উপভোগ কৰাৰ সুযোগ লাভ কৰে। অৱশ্যে চৰাইৰ প্ৰজাতি আৰু সংখ্যা ঋতু, বতৰ তথা প্ৰাকৃতিক পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে। গঁড়, বনৰীয়া ম'হ আৰু হাতীৰ বিচৰণভূমি হিচাপেও আকৰ্ষিত ঠাই অগৰাতলী। আগৰাতলীৰ আকৰ্ষণ কেৱল চৰাইৰ মাজতে সীমাবদ্ধ নহয়। কাজিৰঙাৰ বিস্তীৰ্ণ ঘাঁহনি, জলাশয় আৰু বনাঞ্চলে এশিঙীয়া গঁড়, বনৰীয়া ম'হ আৰু হাতীকে ধৰি বিভিন্ন বন্যপ্ৰাণীক আশ্ৰয় প্ৰদান কৰিছে। ভাগ্যৰ সহায়ত জীপ ছাফাৰীৰ সময়ত পৰ্যটকে প্ৰাকৃতিক পৰিৱেশত এই বন্যপ্ৰাণীসমূহৰ বিচৰণ প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰিব পাৰে। উচ্চ ঘাঁহনিৰ মাজেৰে আগবাঢ়ি যোৱা জীপৰ পৰা হঠাতে দেখা পোৱা গঁড়ৰ অৱয়ব, জলাশয়ৰ দাঁতিত পানী খাবলৈ অহা বন্যপ্ৰাণী অথবা বনাঞ্চলৰ মাজেৰে আগবাঢ়ি যোৱা হাতীৰ জাক, এনে দৃশ্যই কাজিৰঙা ভ্ৰমণক স্মৰণীয় কৰি তোলে। কাজিৰঙাৰ জলাশয়, ঘাঁহনি আৰু বনাঞ্চলৰ এই বৈচিত্ৰ্যই ইয়াক দেশ-বিদেশৰ বন্যপ্ৰাণীপ্ৰেমীৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰ কৰি তুলিছে। জীপ ছাফাৰীৰে উপভোগ কৰিব পাৰিব প্ৰকৃতিৰ অনন্য ৰূপ আগৰাতলী বনাঞ্চলৰ সৌন্দৰ্য উপভোগ কৰাৰ বাবে পৰ্যটকৰ জীপ ছাফাৰীৰ ব্যৱস্থা কৰা হৈছে। বনাঞ্চলখনৰ নিৰ্ধাৰিত পথ আৰু পৰ্যটন ক্ষেত্ৰসমূহৰ মাজেৰে জীপেৰে ভ্ৰমণ কৰি পৰ্যটকে বন্যপ্ৰাণী, চৰাই আৰু প্ৰাকৃতিক পৰিৱেশৰ সান্নিধ্য লাভ কৰিব পাৰিব। আগৰাতলী কাজিৰঙাৰ পূব পৰ্যটন অঞ্চল হিচাপে বিশেষকৈ জলাশয় আৰু পক্ষী বৈচিত্ৰ্যৰ বাবে বিশেষ ভাবে পৰিচিত। বন বিভাগৰ নিৰ্দেশনা অনুসৰি পুৱা আৰু আবেলি, দুটা সময়ত জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। পৰ্যটকৰ সুৰক্ষা, বনাঞ্চলৰ সংৰক্ষণ আৰু ভ্ৰমণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিব পৰা গৈছে। বনাঞ্চলখন ভ্ৰমণৰ সময়ত পৰ্যটকসকলে বন বিভাগৰ নীতি-নিৰ্দেশনা মানি চলা, বন্যপ্ৰাণীৰ পৰা নিৰাপদ দূৰত্ব বজাই ৰখা, চৰাই বা আন জীৱ-জন্তুক খাদ্য নিদিয়া আৰু প্ৰাকৃতিক পৰিৱেশৰ কোনো ক্ষতি নকৰাটো অত্যন্ত জৰুৰী। ইয়াৰ দ্বাৰা পৰ্যটন আৰু স্থানীয় অৰ্থনীতিৰ বিকাশৰ আশা কৰা হৈছে। আগৰাতলী বনাঞ্চল মুকলি হোৱাৰ লগে লগে কাজিৰঙাৰ পৰ্যটন ক্ষেত্ৰত নতুন উদ্দীপনাৰ সৃষ্টি হোৱাৰ আশা কৰা হৈছে। বিশেষকৈ পক্ষী নিৰীক্ষণ, বন্যপ্ৰাণীৰ আলোকচিত্ৰ গ্ৰহণ আৰু প্ৰকৃতি ভ্ৰমণৰ প্ৰতি আগ্ৰহী পৰ্যটকৰ বাবে আগৰাতলী এক উল্লেখযোগ্য গন্তব্যস্থান। পৰ্যটকৰ আগমন বৃদ্ধিয়ে জীপ ছাফাৰী, স্থানীয় পৰিবহণ, টুৰিষ্ট গাইড সেৱা, হোটেল-ৰিজ'ৰ্ট আৰু অন্যান্য পৰ্যটন-সম্পৰ্কীয় ব্যৱসায়ৰ সৈতে জড়িত লোকসকলৰ বাবেও সম্ভাৱনা সৃষ্টি কৰিব পাৰে। প্ৰকৃতিৰ অনন্য সম্পদেৰে সমৃদ্ধ আগৰাতলী বনাঞ্চলৰ সৌন্দৰ্য উপভোগ কৰাৰ লগতে ইয়াৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰতি দায়বদ্ধতা প্ৰদৰ্শন কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। পৰ্যটন আৰু সংৰক্ষণৰ মাজত সুস্থ সমন্বয় বজাই ৰাখিব পাৰিলেহে এই বনাঞ্চলৰ প্ৰাকৃতিক ঐতিহ্য ভৱিষ্যৎ প্ৰজন্মৰ বাবেও সুৰক্ষিত কৰি ৰাখিব পৰা যাব। পৰিভ্ৰমী চৰাইৰ কলৰৱ, চহলা বিলৰ মনোমোহা জলৰাশি আৰু বন্যপ্ৰাণীৰ মুক্ত বিচৰণেৰে আগৰাতলী বনাঞ্চলে নতুন পৰ্যটন বৰ্ষত পৰ্যটকক আকৰ্ষণ কৰিব বুলি উদ্যান কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

## নেঘেৰীবিলত পুনৰ উচ্ছেদৰ জাননী

নেঘেৰীবিলত পুনৰ উচ্ছেদ অভিযান চলোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে বুলি জানিব পৰা গৈছে। ফলত উচ্ছেদৰ সন্মুখীন হোৱা পৰিয়ালসমূহৰ মাজত আতংক আৰু অনিশ্চয়তা বৃদ্ধি পাইছে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে নেঘেৰীবিলত প্ৰশাসনে উচ্ছেদ অভিযান চলাইছিল। সেই সময়ত অঞ্চলটোৰ মুঠ ২০৫টা পৰিয়ালৰ ভিতৰত ৫৯টা পৰিয়ালে উচ্চতম ন্যায়ালয়ৰ স্থগিতাদেশ লাভ কৰাৰ বাবে উচ্ছেদৰ পৰা সাময়িক সকাহ লাভ কৰিছিল বুলি জানিব পৰা যায়। পুনৰ ঘৰ খালী কৰাৰ নিৰ্দেশ লাভ কৰাৰ পাছত সংশ্লিষ্ট পৰিয়ালসমূহে উচ্চতম ন্যায়ালয়ৰ স্থগিতাদেশৰ বৰ্তমানৰ স্থিতি আৰু উচ্ছেদ অভিযানৰ বৈধতা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। অৱশ্যে স্থগিতাদেশৰ বৰ্তমানৰ স্থিতি তথা উচ্ছেদৰ ক্ষেত্ৰত প্ৰযোজ্য নিৰ্দেশনা সন্দৰ্ভত এই পৰ্যন্ত সবিশেষ তথ্য স্পষ্ট হোৱা নাই। ইপিনে, শনিবাৰে উচ্ছেদ অভিযান চলোৱাৰ সম্ভাৱনাই নেঘেৰীবিল অঞ্চলত পুনৰ উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰাৰ আশংকা কৰা হৈছে। এনে পৰিস্থিতিত প্ৰশাসন আৰু বন বিভাগে পৰৱৰ্তী সময়ত কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।

## নিউজিলেণ্ড ভ্ৰমণলৈ ভাৰতীয় দল ঘোষণা

অধিনায়কৰ দায়িত্ব শ্ৰেয়াস আয়াৰক দিয়া হৈছে। ইয়াৰ মূল কাৰণ হ'ল এদিনীয়া শৃংখলা সমাপ্ত হোৱাৰ কিছুদিনৰ পিছতেই দুখন মেচৰ টেষ্ট শৃংখলা আৰম্ভ হ'ব। প্ৰথম তিনিখন এদিনীয়া মেচৰ বাবে ভাৰতীয় দলত শুভমন গীল (অধিনায়ক), ৰোহিত শৰ্মা, বিৰাট কোহলী, শ্ৰেয়াস আয়াৰ (উপ-অধিনায়ক), কে এল ৰাহুল (উইকেটকিপাৰ), নীতিশ কুমাৰ ৰেড্ডী, অক্ষৰ পেটেল, নমন ধীৰ, অংশুল কম্বোজ, গুৰ্ণুৰ বৰাৰ, ঋতুৰাজ গাইকোৱাড, অৰ্শদীপ সিং, ঈশান কিষাণ (উইকেটকিপাৰ), মহম্মদ চিৰাজ, প্ৰসিদ্ধ কৃষ্ণ, কুলদীপ যাদৱ। শেষৰ দুখন এদিনীয়া মেচৰ বাবে টীম ইণ্ডিয়াৰ স্কোৱাডত শ্ৰেয়াস আয়াৰ, ৰোহিত শৰ্মা, বিৰাট কোহলী, তিলক বাৰ্মা, ঈশান কিষাণ (উইকেটকিপাৰ, উপ-অধিনায়ক), নীতিশ কুমাৰ ৰেড্ডী, অক্ষৰ পেটেল, নমন ধীৰ, ঔকিব নবী, গুৰ্ণুৰ বৰা, ঋতুৰাজ গাইকোৱাড, অৰ্শদীপ সিং, কুমাৰ কুশাগ্ৰ (উইকেটকিপাৰ), মহম্মদ চিৰাজ, যশ ঠাকুৰ, কুলদীপ যাদৱ। নিউজিলেণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ বাবে টীম ইণ্ডিয়াৰ স্কোৱাডত শুভমন গীল (অধিনায়ক), যশস্বী জয়ছোৱাল, কে এল ৰাহুল (উপ-অধিনায়ক), দেৱদত্ত পাড্ডীকল, ঋষভ পন্ত (উইকেটকিপাৰ), ধ্ৰুৱ জুৰেল (উইকেটকিপাৰ), ৰবীন্দ্ৰ জাডেজা, অংশুল কম্বোজ, যশপ্ৰীত বুমৰাহ, প্ৰসিদ্ধ কৃষ্ণ, আকাশ দীপ, ছাই সুদৰ্শন, নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদৱ, মহম্মদ চিৰাজ। নিউজিলেণ্ড ভ্ৰমণত টীম ইণ্ডিয়াই পাঁচখন এদিনীয়া মেচৰ শৃংখলা খেলিব। ইয়াৰ শেষৰ দুখন মেচৰ বাবে স্কোৱাডত চাৰিটা পৰিৱৰ্তন কৰা হৈছে। অধিনায়ক শুভমন গীলৰ উপৰি কে এল ৰাহুল, প্ৰসিদ্ধ কৃষ্ণ আৰু অংশুল কম্বোজ এই দুখন মেচৰ অংশ নহ'ব। তেওঁলোকৰ স্থানত কুমাৰ কুশাগ্ৰ, যশ ঠাকুৰ, তিলক বাৰ্মা আৰু ঔকিব নবীয়ে স্থান লাভ কৰিছে। ইপিনে, প্ৰথম তিনিখন এদিনীয়া মেচৰ বাবে স্কোৱাডত স্থান পোৱা দ্ৰুত বেগী বলাৰ প্ৰসিদ্ধ কৃষ্ণক খেলোৱাৰ সন্দৰ্ভত সিদ্ধান্ত ফিটনেছৰ আধাৰত লোৱা হ'ব। এই কথা বিচিচিআয়ে নিজৰ বিবৃতিত সদৰি কৰিছে। আনহাতে, টেষ্টৰ প্ৰধান উইকেটকিপাৰ ঋষভ পন্তও এতিয়াও ফিটনেছ সমস্যাত ভুগি আছে। টেষ্ট শৃংখলাত তেওঁক খেলোৱাৰ সিদ্ধান্ত তেওঁৰ ফিটনেছ পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পিছতহে লোৱা হ'ব। ভ্ৰমণসূচী অনুসৰি, টীম ইণ্ডিয়াই ৪ ৰ পৰা ৰপ্ত নৱেম্বৰলৈ পাঁচখন এদিনীয়া মেচৰ শৃংখলা খেলিব। ইয়াৰ পিছত ১৯ নৱেম্বৰৰ পৰা টেষ্ট শৃংখলা আৰম্ভ হ'ব।

## ক্ষমতাৰ অপব্যৱহাৰে গণতান্ত্ৰিক ভাৱনাক

সমালোচনা কৰিছে। এই ঘটনাত ক্ষুব্ধ হৈ তেওঁ অভিজিৎ দীপক আৰু তেওঁৰ লগৰীয়াসকলক আশ্বাস দি কয় যে তেওঁলোকে ভয় নকৰিব; এতিয়া 'দিদী' তেওঁলোকৰ কাষত আছে। মমতা বেনাৰ্জীয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম 'এক্স'ত দিয়া এক পোষ্টত লিখিছে, "দিল্লী আৰক্ষীয়ে কি কৰিছে? অভিজিৎ দীপকক কেৱল এইবাবেই জিম্মাত লোৱা হ'ল কাৰণ তেওঁলোকে ভাৰতীয় জাতীয় পতাকা হাতত লৈছিল। অলপ ভাবি চাওকচোন স্বাধীন ভাৰতত আমাৰ যুৱক-যুৱতীসকলক তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ শান্তিপূৰ্ণভাৱে প্ৰয়োগ কৰাৰ বাবে জিম্মাত লোৱা হৈছে। এয়া অঘোষিত জৰুৰীকালীন অৱস্থাৰ বাহিৰে আন একো নহয়। যিখন চৰকাৰে মতবিৰোধক ভয় কৰে, সেই চৰকাৰে এতিয়া সমগ্ৰ এটা প্ৰজন্মক ভয়-ভাবুকি দি মৌন কৰাৰ প্ৰয়াস কৰিছে। এয়া এনে এক ফাচীবাদী সত্তাৰ আচৰণ, যিয়ে নিজৰ ইচ্ছামতে নচলা কোনো কণ্ঠকে সহ্য কৰিব নোৱাৰে।" তেওঁ নিজৰ পোষ্টত আগলৈ লিখিছে, "অভিজিৎ, আশুতোষ, সৌৰভ-আপোনালোক ভাৰতৰ যুৱক-যুৱতীসকলৰ সাহস, বিবেক আৰু তেওঁলোকৰ আশাৰ প্ৰতীক। কাৰোবাক কণ্ঠ ৰুদ্ধ কৰি আপোনালোকে সমগ্ৰ এটা প্ৰজন্মক মৌন কৰিব নোৱাৰে। আপোনালোকৰ 'দিদী' সম্পূৰ্ণ দৃঢ়তাৰে আপোনালোকৰ কাষত থিয় দি আছে। কোনো ভাবুকি, কোনো জিম্মাত বা ক্ষমতাৰ কোনো অপব্যৱহাৰে গণতান্ত্ৰিক ভাৱনাক পদদলিত কৰিব নোৱাৰে। সাৰ পাই উঠক, ভাৰতচোন গণতন্ত্ৰ, স্বাধীনতা আৰু মতবিৰোধ প্ৰকাশ কৰাৰ অধিকাৰৰ এই সংগ্ৰাম অব্যাহত থাকিব।" উল্লেখ্য, দিল্লীৰ চেণ্ট্ৰেল পাৰ্ক আজি শুকুৰবাৰে বন্ধ আছে আৰু কাইলৈ শনিবাৰেও বন্ধ থাকিব। কাৰণ চিজেপিয়ে আজি সন্ধিয়া ইয়াত ত্ৰিৰংগা মাৰ্চৰ ঘোষণা কৰিছিল। এই ঘোষণাক প্ৰতিহত কৰিবলৈ কনাট প্লেচ আৰু চেণ্ট্ৰেল পাৰ্কৰ লগতে সমগ্ৰ মধ্য দিল্লীত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অঞ্চলত দিল্লী আৰক্ষীৰ ছ হাজাৰৰো অধিক জোৱান নিয়োজিত কৰা হৈছে।

## বেংগালুৰুত নৱনিৰ্মিত 'অসম ভৱন' উদ্বোধন

অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভৱনটোক প্ৰবাসী অসমীয়াৰ বাবে এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত কয় যে ১৬,০০০ বৰ্গ মিটাৰ ভূমিত নিৰ্মাণ কৰা এই অসম ভৱনটো এক গুৰুত্বপূৰ্ণ প্ৰকল্প। শিক্ষাৰ্থী, ৰোগী আৰু তেওঁলোকৰ পৰিয়ালৰ সুবিধাৰ্থে বহু প্ৰত্যাহ্বানৰ মাজেৰে প্ৰায় ৭১ কোটি টকাৰো অধিক ব্যয়েৰে এই চাৰিমহলীয়া ভৱনটো নিৰ্মাণ কৰা হৈছে। তেওঁ কয় যে এই ভৱনটোৱে দূৰৈত থকা অসমীয়া ৰাইজক এক সুবিধাজনক আৰু সুৰক্ষিত ঠাই প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে নিজৰ এক্স হেণ্ডেলত প্ৰকাশ কৰা পোষ্টত উল্লেখ কৰে যে যত্ন আৰু উদ্দেশ্যৰে নিৰ্মিত এই নতুন স্থানটো আধুনিক সুবিধাৰে সমৃদ্ধ। কোনো শিক্ষাৰ্থীয়ে নিজৰ সপোনৰ পিছত দৌৰি থকা হওক, কোনো পৰিয়ালে চিকিৎসাৰ বাবে আহি থকা হওক, অথবা ঘৰৰ পৰা আঁতৰত কৰ্মৰত কোনো পেছাদাৰী হওক-সকলোৰে বাবে এই ভৱনটোৱে আৰাম, যত্ন আৰু আপোনত্বৰ অনুভূতি প্ৰদান কৰিব। ভৱন নিৰ্মাণৰ ইতিহাস সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে ২০০৮ চনত এই ভৱনটো নিৰ্মাণৰ প্ৰথম অনুমোদন লাভ কৰা হৈছিল। কিন্তু কৰ্ণাটকৰ ৰাজহ বিভাগৰ কিছু খেলিমেলিৰ বাবে ২০১৬ চনত অনুমোদনটো সম্পূৰ্ণৰূপে বাতিল হৈছিল। পিছত ২০১৮ চনত সকলো সমস্যাৰ সমাধান কৰি ২০২২ চনত অসম ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। নৱনিৰ্মিত অসম ভৱনটোত চৰকাৰী কৰ্মচাৰী, মন্ত্ৰী আৰু বিধায়কসকলৰ বাবে আবাসৰ ব্যৱস্থা কৰা হৈছে। ইয়াত ২৬টা মিনি শ্যুট, ৩৬টা দুজনীয়া কোঠা আৰু পাঁচটা সন্মিলন কক্ষ আছে। ইয়াৰ উপৰি এখন পুথিভঁৰাল আৰু অতিথিসকলক গ্ৰহণ কৰিব পৰা এটা ৰূমও আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৰ্তমান দিল্লীত দুটা, চেন্নাই, মুম্বাই, কলকাতা, শ্বিলং আৰু ভেল্লোৰত এটাকৈ অসম ভৱন আছে। দিল্লীত দুটাকৈ নতুন অসম ভৱন নিৰ্মাণ কৰা হৈছে আৰু নৱেম্বৰ-ডিচেম্বৰ মাহত দুয়োটা ভৱন মুকলি কৰা হ'ব। একেদৰে মুম্বাই আৰু কলকাতাতো এটাকৈ অসম ভৱন নিৰ্মাণ চলি আছে। আগন্তুক দিনত গুজৰাটৰ আহেমেদাবাদ, মহাৰাষ্ট্ৰৰ পুনে আৰু বিহাৰৰ গয়াত অসম ভৱন নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। বেংগালুৰুত উদ্বোধন হোৱা এই নতুন অসম ভৱনে প্ৰবাসী অসমীয়াৰ বাবে এক বিশ্বাসৰ ঠাই হিচাপে কাম কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। ইয়াৰ জৰিয়তে অসম আৰু কৰ্ণাটকৰ মাজত সাংস্কৃতিক আৰু সামাজিক সম্পৰ্ক আৰু অধিক দৃঢ় হ'ব বুলিও মত প্ৰকাশ কৰা হৈছে।

## মুখ্য নিৰ্বাচনী আয়ুক্তক লৈ বিৰোধীৰ

প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত এক কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ তথা সমগ্ৰ বিৰোধী শিবিৰক তীব্ৰ সমালোচনা কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে স্পষ্ট ভাষাত কয়, "গণতান্ত্ৰিক অধিকাৰৰ অৰ্থ দেশত অৰাজকতা সৃষ্টি কৰাৰ অনুজ্ঞাপত্ৰ নহয়।" বিৰোধীয়ে আন্দোলনৰ নামত সাংবিধানিক প্ৰতিষ্ঠানসমূহৰ বিশ্বাসযোগ্যতা বিনষ্ট কৰিবলৈ আৰু ৰাজনৈতিক বিশৃংখলতা বিয়পাবলৈ চেষ্টা চলাইছে বুলি তেওঁ অভিযোগ উত্থাপন কৰে। আনহাতে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক লক্ষ্য কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কেইবাটাও প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, "উত্তৰ প্ৰদেশত কংগ্ৰেছ বিগত ৩৭ বছৰ ধৰি ক্ষমতাৰ বাহিৰত আছে। সমাজবাদী পাৰ্টি (SP)ৰ সমৰ্থন অবিহনে নিজৰ পৰম্পৰাগত আসন ৰায়বৰেলীত জয় লাভ কৰাৰ সামৰ্থ্য ৰাহুল গান্ধীৰ আছেনে?" লগতে বিৰোধী দলসমূহে দেশৰ যুৱ শক্তিক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰা বুলি অভিযোগ তুলি ৰাজনাথ সিঙে কয় যে দেশৰ যুৱ প্ৰজন্মৰ সম্ভাৱনাক জাতি গঠন আৰু গঠনমূলক কাৰ্যত ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে ৰাজনৈতিক উদ্দেশ্যত 'দবাৰ গুটি' হিচাপে ব্যৱহাৰ কৰা হৈছে। আন্দোলনৰ নামত দেশৰ অগ্ৰগতিত বাধা সৃষ্টি কৰা আৰু ৰাজনৈতিক স্বাৰ্থসিদ্ধি কৰাই বিৰোধীৰ মূল লক্ষ্য বুলি তেওঁ দাবী কৰে। উল্লেখ্য যে, নিৰ্বাচনী প্ৰক্ৰিয়া আৰু ভোটাৰ তালিকা সংশোধনক লৈ বিৰোধীয়ে মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে শাসকীয় বিজেপি দলৰ ফালৰ পৰা প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এইদৰে বিৰোধীৰ আন্দোলনক কটু সমালোচনা কৰে।

## অসমবাসীয়ে অসহায় হৈ চাই ৰ'বলগীয়া

জনাবলৈ অসম চৰকাৰক আহ্বান জনাইছে আছুৰ সভাপতি উৎপল শৰ্মাই। এক ভিডিঅ'বাৰ্তাৰ জৰিয়তে আছুৰ সভাপতিগৰাকীয়ে কয় যে অমৃতপ্ৰভা মহন্তৰ পাছত সন্দীপন গাৰ্গেও জামিন লাভ কৰাত অসমৰ ৰাইজে অসহায়ভাৱে চাই থাকিবলগীয়া হৈছে। এই ঘটনা সমগ্ৰ জাতিটোৰ বাবেই দুখজনক বুলি তেওঁ মন্তব্য কৰে। উৎপল শৰ্মাই কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ পাছত এতিয়া সন্দীপন গাৰ্গেও জামিন লাভ কৰিলে আৰু অসমবাসীয়ে অসহায় হৈ চাই ৰ'বলগীয়া হৈছে। এইটো জাতিটোৰ বাবে দুখৰ কথা।" তেওঁ উল্লেখ কৰে যে বিশেষ তদন্তকাৰী দল (SIT)-এ দাখিল কৰা অভিযোগনামাৰ ভিত্তিত গোচৰটোৰ বিচাৰ ফাষ্টট্ৰেক আদালতত চলি আছে। এনে পৰিস্থিতিত গোচৰটোৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত বিষয়সমূহ আদালতত তথ্য-প্ৰমাণসহকাৰে প্ৰতিষ্ঠা কৰাৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। আছুৰ সভাপতিগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীয়ে অভিযোগনামাৰ ভিত্তিত ৰাজহুৱাভাৱে উল্লেখ কৰা জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত বিষয়সমূহ আদালতৰ মজিয়াত প্ৰমাণসহকাৰে প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। আনহাতে, গোচৰটো আদালতৰ বিচাৰাধীন হৈ থকাৰ বাবে ৰাইজে ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰিব পৰা নাই বুলি উল্লেখ কৰি উৎপল শৰ্মাই কয় যে ইয়াৰ অৰ্থ এইটো নহয় যে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অসমৰ ৰাইজৰ মনত জ্বলি থকা ক্ষোভৰ জুই নিৰ্বাপিত হৈছে। তেওঁ চৰকাৰক জনসাধাৰণৰ আৱেগ আৰু ক্ষোভৰ গভীৰতা উপলব্ধি কৰিবলৈ আহ্বান জনায়। লগতে অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিনৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰয়োজনীয় আইনী পদক্ষেপ গ্ৰহণ কৰি জামিন বাতিলৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায়সংগত আৰু ক্ষিপ্ৰ বিচাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰে দৃঢ় ভূমিকা গ্ৰহণ কৰাটো প্ৰয়োজনীয় বুলি আছুৰ স্থিতিৰ পৰা স্পষ্ট হৈছে।

## উচ্চ ন্যায়ালয়ৰ ৰায়ত অসন্তুষ্টি ঃ উচ্চতম

লিখিছে, "৯ অক্টোবৰৰ পৰা আজি এটা সপ্তাহ পাৰ হ'লহু উচ্চ ন্যায়ালয়ৰ বিচাৰ মনোমত নহ'লে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ সুবিধা আছে।" তেওঁ প্ৰশ্ন কৰে, "State of Assam vs Accused" গোচৰত ৰাজ্যৰ অভিজ্ঞ SIT দলৰ বাবে এতিয়া যি পৰিস্থিতি সৃষ্টি হৈছে, সেই সকলো গ্ৰহণযোগ্য নে? জুবিন গাৰ্গৰ প্ৰতি এইখিনিয়েই দায়িত্ব আৰু কৰ্তব্য নে? ইমানকণেই মাথোঁ আৱেগ আৰু অনুভৱ নে? লগতে গৰিমাই কয় যে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ গোচৰ দুটা উচ্চতম ন্যায়ালয়লৈ নিয়া হৈছিল। এতিয়া তাৰপৰা যাতে সেই দুটা "দানৱ" ওলাই আহিব নোৱাৰে আৰু বাকী দোষীয়েও কোনো ফালৰ পৰা ৰেহাই নাপায়, সেইটো নিশ্চিত কৰিব লাগে। সেয়েহে, মানি ল'ব নোৱাৰা বিচাৰ উচ্চতম ন্যায়ালয়লৈ লৈ যোৱাৰ আহ্বান জনাই তেওঁ কয়, অন্যথা তেওঁলোকে এইটো বুলি ধৰি ল'ব যে "অসম অসমকৈ" নিজৰ সৰ্বস্ব উজাৰি দিয়া প্ৰাণৰ শিল্পীজনৰ এয়াই প্ৰাপ্য বুলি নীৰৱে ঘোষণা কৰা হ'ল আৰু অপৰাধীৰ আগত পৰাজয় স্বীকাৰ কৰা হ'ল। শেষত তেওঁ #JusticeForZubeenGarg হেচটেগ ব্যৱহাৰ কৰি ন্যায়ৰ দাবী দোহাৰে।

## অমৃতপ্ৰভাৰ পিছতে গুৱাহাটী উচ্চ

কৰিছিল। গুৱাহাটী উচ্চন্যায়ালয়ে তেওঁকো চৰ্ত সাপেক্ষে জামিন প্ৰদান কৰিছিল। অমৃতপ্ৰভা মহন্তৰ জামিনৰ পিছত সন্দীপন গাৰ্গৰ জামিনক লৈও ব্যাপক আলোচনা আৰু প্ৰত্যাশা দেখা গৈছিল। ইপিনে, জুবিন গাৰ্গৰ হত্যা গোচৰৰ বিচাৰ প্ৰক্ৰিয়া গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি আছে। ন্যায়ালয়ে গোচৰটোৰ শুনানি গ্ৰহণ কৰি আইনী প্ৰক্ৰিয়া আগবঢ়াই নিছে। সন্দীপন গাৰ্গৰ জামিনে গোচৰৰ পৰৱৰ্তী পৰ্যায়ত কি প্ৰভাৱ পেলাব, সেই সম্পৰ্কে এতিয়াও স্পষ্ট তথ্য প্ৰকাশ পোৱা নাই। আইনী সূত্ৰ অনুসৰি, জামিনৰ সময়ত ন্যায়ালয়ে তদন্তকাৰী সংস্থাৰ সৈতে সহযোগিতা কৰা, সাক্ষীক প্ৰভাৱিত নকৰা আৰু ন্যায়ালয়ৰ অনুমতি অবিহনে অন্যত্ৰ গমন নকৰা আদিৰ দৰে চৰ্ত আৰোপ কৰিব পাৰে। অৱশ্যে সন্দীপন গাৰ্গৰ জামিনৰ নিৰ্দিষ্ট চৰ্তসমূহৰ বিষয়ে এতিয়ালৈকে সবিশেষ তথ্য প্ৰকাশ পোৱা নাই। জুবিন গাৰ্গৰ মৃত্যুৰ এই গোচৰত এতিয়ালৈকে কেইবাজনো অভিযুক্ত কাৰাগাৰত থকা বুলি জানিব পৰা গৈছে। অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিনে গোচৰটোৰ গতি-প্ৰকৃতিৰ ওপৰত নতুন মাত্ৰা যোগ কৰিব পাৰে বুলি অনুমান কৰা হৈছে। আনহাতে, গোচৰৰ অধিক তথ্য আৰু পৰৱৰ্তী শুনানিৰ বাবে অপেক্ষা কৰা হৈছে।

## দিল্লীত চিজেপি নেতা অভিজিৎ দীপকেক

নতুন দিল্লীত বিএনএছএছৰ ১৬৩ ধাৰা বলবৎ থকাৰ বাবে কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু এই সমদলৰ বাবে নতুন দিল্লী পৌৰ নিগম (NDMC)ৰ পৰা কোনো অনুমতি লোৱা নাই। আৰক্ষীয়ে জনায় যে প্ৰতিবাদী কাৰ্যসূচীলৈ যোৱাৰ আগতে দীপকৰ বাসগৃহত আৰক্ষীৰ এটা দল উপস্থিত হৈ তেওঁলৈ জাননী জাৰি কৰিছিল। ডিপি এক্টৰ অধীনত জাৰি কৰা সেই জাননীত তেওঁক বিএনএছএছৰ ১৬৩ ধাৰা বলবৎ থকাৰ বিষয়ে অৱগত কৰা হৈছিল আৰু আইন মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছিল। কিন্তু ঘোষিত কাৰ্যসূচীলৈ যোৱাৰ সময়ত আৰক্ষীয়ে তেওঁক আটক কৰে। আনহাতে, দিল্লী আৰক্ষীয়ে নেহা বৰাক দিল্লীৰ মাণ্ডি হাউচৰ সমীপৰ পৰা আটক কৰা বুলি জানিব পৰা গৈছে। নতুন দিল্লীৰ ডিচিপি শচীন শৰ্মাই সাংবাদিকৰ আগত কয়, "নতুন দিল্লীত ইতিমধ্যে বিএনএছএছৰ ১৬৩ ধাৰা বলবৎ হৈ আছে, যাৰ বাবে কিছুমান নিষেধাজ্ঞা আৰোপ কৰা হৈছে। সেয়ে আমি সকলোকে আইন মানি চলিবলৈ আহ্বান জনাইছো।" তেওঁ লগতে কয়, "ডিপি এক্টৰ অধীনত এখন জাননী জাৰি কৰা হৈছে। তেওঁক অৱগত কৰা হৈছে যে ইয়াত বিএনএছএছৰ ১৬৩ ধাৰা বলবৎ হৈ আছে আৰু আইন মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। যিহেতু এইটো কনাট প্লেচ অঞ্চল, বিশেষকৈ চলি থকা উৎসৱৰ সময়ছোৱা, সেয়ে তেওঁক এই বিষয়সমূহৰ বিষয়ে অৱগত কৰা হৈছে আৰু আইন মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। আমি প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰিম।" উল্লেখ্য, শুকুৰবাৰে চেণ্ট্ৰেল পাৰ্কত চিজেপিৰ 'লেহৰা দ্যো ত্ৰিৰংগা' সমদলৰ পূৰ্বে নতুন দিল্লী অঞ্চলত ৬,০০০ তকৈ অধিক দিল্লী আৰক্ষী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ (CAPF) 220টা কোম্পানী মোতায়েন কৰা হৈছিল আৰু চিচিটিভিৰ জৰিয়তে নজৰ ৰখা হৈছিল। ইপিনে, মাণ্ডি হাউচৰ সমীপত AISA আৰু বাঁওপন্থী দলৰ কৰ্মীসকলে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত প্ৰতিবাদ কৰাৰ সময়ত আৰক্ষীয়ে তেওঁলোকক আটক কৰে। চিজেপিৰ ফালৰ পৰা দিল্লী আৰক্ষীৰ ব্যৱস্থাক সমালোচনা কৰা হৈছে।

## প্ৰতিবাদ-বিক্ষোভৰ বাতৰি কৰা সাংবাদিকৰ

বজাই ৰাখক। বিক্ষোভত অংশগ্ৰহণ নকৰিব, পক্ষ ল'ব নালাগে, সংঘাতৰ সৃষ্টি নকৰিব, প্ৰতিবাদকাৰী বা আৰক্ষীৰ সৈতে হস্তক্ষেপ নকৰিব।" তদুপৰি সাংবাদিকসকলক সন্মান বজাই ৰাখিবলৈ, উত্তেজনাপূৰ্ণ পৰিস্থিতিত আৰক্ষীৰ বৈধ নিৰ্দেশ মানি চলিবলৈ আৰু শান্তভাৱে নিজৰ প্ৰেছ মৰ্যাদা প্ৰকাশ কৰি অপ্ৰয়োজনীয় যুক্তিৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিয়া হৈছে। স্থান নিৰ্ধাৰণ আৰু ভিৰৰ মাজত সুৰক্ষাৰ বিষয়ে আলোচনা কৰি পৰিষদে সংবাদ মাধ্যমৰ কৰ্মীসকলক উত্তেজনা বৃদ্ধি বা আৰক্ষীৰ প্ৰত্যাশিত পদক্ষেপৰ সময়ত যুক্তিসংগত দূৰত্ব বজাই ৰাখিবলৈ পৰামৰ্শ দিয়ে। ইয়াৰ লগতে স্পষ্টভাৱে কোৱা হৈছে, "আৰক্ষীৰ বেৰিকেড, বাহন বা সঁজুলিত কেমেৰা বা ৰেকৰ্ডিং সঁজুলি এনেদৰে সংলগ্ন নকৰিব যাতে চলাচলত বাধাৰ সৃষ্টি হয় বা সম্পত্তিৰ ক্ষতি হয়।" ব্যক্তিগত সুৰক্ষা ব্যৱস্থাৰ বাবে কঠোৰ প্ৰট'কলৰ ৰূপৰেখাও এই পৰামৰ্শাৱলীত উল্লেখ কৰা হৈছে। ইয়াত মৌলিক প্ৰাথমিক চিকিৎসাৰ সামগ্ৰী, খোৱাপানী, উচ্চ প্ৰ'টিনযুক্ত খাদ্য, টৰ্চ আৰু চকুৰ সুৰক্ষা !গগলছৰ সৈতে সজ্জিত এখন কমপেক্ট জৰুৰীকালীন কিট ৰখাৰ পৰামৰ্শ দিয়া হৈছে। গুৰুত্বপূৰ্ণভাৱে নিৰ্দেশনাৱলীত সতৰ্ক কৰি দিয়া হৈছে যে কেতিয়াও কন্দুৱা গেছৰ কেনিষ্টাৰ, ফ্লেছ-বেং ডিভাইচ বা ধোঁৱাৰ গ্ৰেনেড স্পৰ্শ কৰিব নালাগে, তুলি ল'ব নালাগে বা স্থানান্তৰ কৰিবলৈ চেষ্টা কৰিব নালাগে। কিয়নো এই সামগ্ৰীবোৰ গৰম হৈ থাকিব পাৰে, বিস্ফোৰণ হ'ব পাৰে অথবা বিপজ্জনক অৱশিষ্ট থাকিব পাৰে। নৈতিক আৰু দায়িত্বশীল প্ৰতিবেদনৰ অধীনত পিচিআয়ে সংবাদ মাধ্যমৰ পেছাদাৰীসকলক একাধিক উৎসৰ জৰিয়তে তথ্য পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে আৰু সকলো পক্ষৰ বক্তব্যসমূহক সমান গুৰুত্ব দিবলৈ নিৰ্দেশ দিছে। কাৰ্যকৰী সুৰক্ষা আৰু সংবেদনশীলতাৰ দিশত পৰিষদে নিৰ্দেশ দিছে যে বাস্তৱ সময়ত আৰক্ষীৰ স্থান, কৌশলগত গতিবিধি বা পলায়নৰ পথ সম্প্ৰচাৰ বা প্ৰকাশ কৰিব নালাগে। এনে কৰিলে সুৰক্ষা বা কাৰ্যকৰী সুৰক্ষাৰ লগত আপোচ হ'ব পাৰে। ইয়াৰ উপৰি এক পক্ষীয় ফুটেজৰ প্ৰচাৰেৰে মৌলিক সুৰক্ষাৰ বিবেচনাক অতিক্ৰম কৰিবলৈও নিদিবলৈ সতৰ্ক কৰি দিয়া হৈছে। সামগ্ৰিকভাৱে, এই নিৰ্দেশনাই প্ৰতিবাদ আৰু বিক্ষোভৰ সময়ত সাংবাদিকৰ দায়িত্ব, নিৰপেক্ষতা আৰু ব্যক্তিগত সুৰক্ষাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

## ৪৩ বছৰীয়া জীৱনৰ ৪০ বছৰ ভাৰততে

এতিয়া ইমৰাণ খানে আমিৰ খানৰ প্ৰাক্তন পত্নী কিৰণ ৰাওৰ পৰা সমৰ্থন লাভ কৰিছে। বৃহস্পতিবাৰে কিৰণ ৰাৱে এই ঘটনা সন্দৰ্ভত ছ'চিয়েল মিডিয়াৰ এটা প'ষ্টত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ লিখিছে, "বাহ, এতিয়া মুম্বাই আৰক্ষীও জড়িত হৈ পৰিছে।" ভাৰতৰ সৈতে ইমৰাণৰ দীৰ্ঘদিনীয়া সংযোগৰ সন্দৰ্ভত তেওঁ মন্তব্য কৰে, "তেওঁৰ বয়স ৪৩ বছৰ। সেই সময়ছোৱাত ৪০ বছৰ তেওঁ ভাৰতত কটাই- তেওঁ ইয়াত অধ্যয়ন কৰিছিল, ইয়াত কাম কৰিছিল, ইয়াত সফলতা লাভ কৰিছিল, ইয়াত বিফলতাৰো সন্মুখীন হৈছিল, ইয়াত প্ৰেম বিচাৰি পাইছিল আৰু ইয়াতেই সংগ্ৰাম কৰিছিল।" অভিনেত্ৰী ছাবা আজাদেও ঘটনাটোৰ সমালোচনা কৰে। খবৰটোৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ লিখিছে, "কি? এইটো বাজে কথা।" এই বিতৰ্ক ১০ অক্টোবৰৰ পৰা আৰম্ভ হৈছিল। সেইদিনা আমিৰ খানৰ ভতিজা ইমৰাণ খানে মুম্বাইৰ আগষ্ট ক্ৰান্তি ময়দানত প্ৰতিবাদত অংশগ্ৰহণ কৰিছিল। ক'কৰোচ্ছ জনতা পাৰ্টীৰ উদ্যোগত অনুষ্ঠিত এই বিক্ষোভত নিৰ্বাচনী তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ (SIR) সন্দৰ্ভত সন্দেহ প্ৰকাশ কৰা হৈছিল আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী জনোৱা হৈছিল।

## বিজেপিৰ প্ৰতিবাদী কাৰ্যসূচী 'শতিকাৰ

দলসমূহৰ বিৰুদ্ধে যি প্ৰতিবাদী কাৰ্যসূচী হাতত লৈছে, তাক তীব্ৰ কটাক্ষ কৰিছে অসম জাতীয় পৰিষদৰ (অজাপ) সভাপতি লুৰীণজ্যোতি গগৈয়ে। তেওঁ বিজেপিৰ এই কাৰ্যসূচীক 'শতিকাৰ শ্ৰেষ্ঠ কৌতুক' বুলি অভিহিত কৰে। অজাপ সভাপতিগৰাকীয়ে কয় যে যিটো দলে নিজেই বিভিন্ন সময়ত শান্তিপূৰ্ণ আন্দোলনকাৰীৰ ওপৰত অত্যাচাৰ চলাই আহিছে, সেই দলে এতিয়া নিজেই প্ৰতিবাদ কৰাটো অত্যন্ত হাস্যকৰ। চৰকাৰী শক্তি প্ৰয়োগ কৰি গণতান্ত্ৰিক কণ্ঠ ৰোধ কৰাৰ অভিযোগ তুলি তেওঁ বিজেপিৰ এই প্ৰতিবাদী স্থিতিৰ ওপৰত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ শাসকীয় দলটোক সমালোচনা কৰি লগতে কয় যে গণতান্ত্ৰিক কণ্ঠ ৰোধ কৰা আৰু প্ৰতিবাদকাৰীৰ ওপৰত দমন নীতি চলোৱাৰ ক্ষেত্ৰত বিজেপি সদায় পাকৈত। তেনে অৱস্থাত এতিয়া বিজেপিয়ে নিজেই প্ৰতিবাদকাৰীৰ ওপৰত হোৱা অত্যাচাৰৰ দোহাই দি ৰাজ্যজুৰি বিৰোধীৰ বিৰুদ্ধে প্ৰতিবাদ কৰা কাৰ্যই দলটোৰ দুমুখীয়া চৰিত্ৰ উদঙাই দিছে। অজাপ সভাপতিগৰাকীয়ে কয় যে যিটো দল নিজেই শাসনত আছে আৰু যাৰ হাতত আৰক্ষী তথা প্ৰশাসনৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ আছে, সেই শাসকীয় দলে ৰাজপথলৈ ওলাই বিৰোধীৰ বিৰুদ্ধে প্ৰতিবাদ কৰাটো গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ বিড়ম্বনা আৰু হাস্যকৰ। তেওঁৰ এই চোকা মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক মহলত বিশেষ চৰ্চা লাভ কৰিছে। শেহতীয়াকৈ সমগ্ৰ দেশৰ লগতে অসমতো বিজেপিয়ে বিৰোধী দলসমূহৰ 'অৰাজকতা' আৰু বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি এলানি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। ইয়াৰ প্ৰত্যুত্তৰত লুৰীণজ্যোতি গগৈয়ে উক্ত মন্তব্য আগবঢ়ায়।

# নলবাৰীৰ নিজ পকোৱাত ঐতিহ্যমণ্ডিত ৬১ সংখ্যক নিজ পকোৱা ৰাজহুৱা শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱৰ উদ্‌যাপনৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, চামতা, ১৬অক্টোবৰ ঃ** শৰতৰ আগমনে সকলোৰে দেহ-মন পুলকিত কৰে। শাৰদীয় দুৰ্গোৎসৱৰ পিচতেই আই লখিমীক আদৰাৰ পৰম্পৰা অব্যাহত ৰাখি অইনবেলিৰ দৰে এইবেলিও ৰাজ্যখনৰ অন্য ঠাইৰ লগতে নলবাৰী জিলাৰ ধৰ্মীয় আৰু আধ্যাত্মিক দৰ্শনেৰে সুকীয়া পৰিচয় বহন কৰা ঐতিহ্যমণ্ডিত নিজ পকোৱা ৰাজহুৱা শ্ৰীশ্ৰীলক্ষ্মী পূজাভাগ আগবঢ়াবলৈ চলিছে ব্যাপক আয়োজন। নিজ পকোৱাবাসী ভক্তিপ্ৰাণৰ ভকতিভাৱ তথা অক্লান্ত প্ৰচেষ্টাৰে এইবেলি ২৫ অক্টোবৰৰ পৰা ২৮ অক্টোবৰলৈ চাৰিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ৬১ সংখ্যক নিজ পকোৱা ৰাজহুৱা শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱ উদ্‌যাপন কৰা হ'ব। ইতিমধ্যে শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱ উদ্‌যাপন পৰিচালনা কৰিবলৈ কুমুদ দত্তক সভাপতি, ধীৰেশ দত্তক মুখ্য সম্পাদক, ভাৰ্গৱজ্যোতি দত্তক সম্পাদক আৰু ৰূপক বৈশ্যক প্ৰচাৰ সম্পাদক হিচাপে আৰু বহুকেইগৰাকী লোকক বিভিন্ন বিভাগৰ দায়িত্ব অৰ্পণেৰে এখন উদ্‌যাপন সমিতিও গঠন কৰি দিয়া হৈছে। কাৰ্যক্ৰমণিকা অনুসৰি, ২৫ অক্টোবৰৰ পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব ৬৬ সংখ্যক নিজ পকোৱা ৰাজহুৱা শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি কুমুদ দত্তই। পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সুৰেণ হালৈ, ভুবনেশ্বৰ দত্ত(পাঠক), উমেশ দত্ত, অমলেশ দত্ত, সবিতা দত্ত বৰুৱা, নিৰ্মালী বৈশ্য, শৰৎ ডেকা, শিৱ শংকৰ ডেকা, দ্বীপেন্দ্ৰ নাথ শৰ্মাকে আদি কৰি বহুকেইগৰাকী ব্যক্তিয়ে বন্তি জ্বলাব। বিয়লি ৪-৩০ বজাত বিশ্বশান্তিৰ বাবে ডাঃ স্বাগতা বৈশ্য, প্ৰদীপ দত্ত, সীমান্ত মেনা, দ্বীপন বৰ্মন, শেৱালি বৰ্মন, জ্যোতিপ্ৰসাদ শৰ্মা, বিপুল দত্ত আদিয়ে বন্তি জ্বলাব। বিয়লি ৫ বজাত গীতা শ্লোক পাঠৰ ধৰ্মীয় অনুষ্ঠান। বিয়লি ৫-৩০ বজাত পূজা উদ্বোধন কৰিব অসম চৰকাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী তথা ৪০ নং টিহু বিধানসভা সমষ্টিৰ বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব পশ্চিম নলবাৰী, চামতাৰ খণ্ড উন্নয়ন বিষয়া অসীম মজুমদাৰ। সন্ধিয়া ৬ বজাত পূজা আৰম্ভ আৰু সন্ধিয়া ৬-৩০ বজাত আতচবাজি প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া ৭-৩০ বজাত মিঠাভোগ বিতৰণ। নিশা ৮-৩০ বজাত পুষ্পাঞ্জলি প্ৰদান। নিশা ৯-৩০ বজাত চিপাঝাৰ, দৰঙৰ পাঠক কৃষ্ণ কান্ত নাথৰ দ্বাৰা নাগাৰা নাম প্ৰদৰ্শন কৰোৱা হ'ব। মাজনিশা ১২ বজাত প্ৰসাদ বিতৰণেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ অন্ত পৰিব। ২৬ অক্টোবৰৰ পুৱা ১০ বজাত আয়তীৰ নাম। বিয়লি ৫ বজাত বিশ্বশান্তিৰ বাবে বন্তি জ্বলাব উমেশ চন্দ্ৰ দাস, মুকুল পাটোৱাৰী, বিনয় চক্ৰৱৰ্ত্তী, বিপুল দত্ত, দিপুল ডেকা, চম্পক ডেকাই। সন্ধিয়া ৬ বজাত শোলমাৰাৰ দেৱাংশী থিয় নাম দলৰ পাঠক দীপামণি দাসৰ থিয় নাম প্ৰদৰ্শনৰ পিচত সন্ধিয়া ৭ বজাত ঘগ্ৰাপাৰৰ পাঠক বৈজয়ন্তী নাথ তালুকদাৰৰ দ্বাৰা নাগাৰা নাম প্ৰদৰ্শন কৰোৱা হ'ব। তৃতীয় দিনা অৰ্থাৎ ২৭ অক্টোবৰৰ পুৱা ১০ বজাত আয়তীৰ নাম প্ৰসঙ্গ। বিয়লি ৫ বজাত বিশ্বশান্তিৰ বাবে বন্তি জ্বলাব দিলীপ দত্ত(মুন), ঋতুৰাজ মজুদাৰ, প্ৰিয়ম কুমাৰ ছাগ্ৰাৱালী আৰু থানেশ্বৰ দাসে। বিয়লি ৫-৩০ বজাত যুতিকা দেৱীৰ সোঁৱৰণত নিজ পকোৱা থান উন্নয়ন সমিতি সভাপতি ধীৰেশ্বৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিতব্য সম্বৰ্দ্ধনা সভাত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৭০ শতাংশ আৰু তাৰ উৰ্দ্ধৰ নম্বৰপ্ৰাপ্ত নিজ পকোৱা গাঁৱৰ ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হ'ব। অতিথি হিচাপে উপস্থিত থাকিব নলবাৰী কলেজৰ উপধ্যক্ষা ড° কাকলি দত্ত, অধিবক্তা নৱ কুমাৰ দত্ত, পকোৱা হাইস্কুলৰ প্ৰধান শিক্ষক মইনুৰ হুছেইন, কাৰ্যবাহী অভিযন্তা মইদুল হক। সন্ধিয়া ৭ বজাত দিপলাঙৰ পাঠক ধনমনি লহকৰ আৰু লাছি বিষ্ণুপুৰ, খলিহামাৰীৰ পাঠক নমিতা কলিতাৰ দ্বাৰা নাগাৰা নাম প্ৰদৰ্শন কৰোৱা হ'ব। চতুৰ্থ দিনা অৰ্থাৎ ২৮ অক্টোবৰৰ পুৱা ১০ বজাত আয়তীৰ নাম প্ৰসঙ্গ। সন্ধিয়া ৫ বজাত বিশ্বশান্তিৰ বাবে বন্তি জ্বলাব ডাঃ সৌমেন্দ্ৰ নাথ শৰ্মা, জিতুমনি কলিতা, শশীন্দ্ৰ শৰ্মা, পুলক কুমাৰ শৰ্মা, অশোক দত্ত, বলেন্দ্ৰ মল্ল বৰুৱা আৰু বিমলা সাউদে। সন্ধিয়া ৫-৩০ বজাত পকোৱা ৰত্ন বঁটাপ্ৰাপক অনুষ্ঠানত এইবেলি বঁটাটি প্ৰদান কৰা হ'ব নিজ পকোৱা গাঁৱৰ তাঁতিপাৰা চুবুৰিৰ জ্যেষ্ঠ সমাজকৰ্মী লক্ষ্মীৰাম সাউদক। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডাঃ মনোজ কুমাৰ চৌধুৰী, ফুলকন দত্ত আৰু গীতুমণি বৈশ্য। সন্ধিয়া ৮ বজাত সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় গায়িকা চুইটি দাসে গীত পৰিৱেশন কৰিব। উল্লেখ্য যে, প্ৰচাৰৰ দায়িত্বত থকা নলবাৰীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই জানিবলৈ দিয়ামতে ৬১ সংখ্যক নিজ পকোৱা ৰাজহুৱা শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱ উদ্‌যাপন উপলক্ষে বিভিন্ন মাংগলিক কাৰ্যসূচীৰ লগতে নিজ পকোৱা থান উন্নয়ন সমিতি আৰু নিজ পকোৱা স্পোৰ্টছ্ ক্লাবৰ যৌথ উদ্যোগত আমন্ত্ৰণমৰ্মে ২৫ অক্টোবৰৰ পৰা ২৭ অক্টোবৰলৈ তিনিটা নিশাৰ বাবে নাট প্ৰদৰ্শন কৰিবলগীয়া থিয়েটাৰ সূৰ্যৰ এটি অস্থায়ী কাৰ্যালয় ইতিমধ্যে মুকলি কৰে নিজ পকোৱা স্পোৰ্টছ্ ক্লাবৰ সভাপতি বলেন্দ্ৰ মল্ল বৰুৱাই।

## বাঁহগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৪৮ গৰাকী শিক্ষাৰ্থীক শিক্ষামূলক সামগ্ৰী বিতৰণ

# সপোন কাঢ়ি নিয়া ছাত্ৰ-ছাত্ৰীৰ কাষত অইল ইণ্ডিয়া OBC আৰু MOBC কৰ্মচাৰী সংস্থা




**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৬ অক্টোবৰ ঃ** শেহতীয়া ভয়াৱহ বানপানীয়ে উজনি অসমৰ বিস্তীৰ্ণ অঞ্চল তচনচ কৰি পেলোৱাৰ সমান্তৰালকৈ প্ৰভাৱিত কৰিছিল বহু বিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক। বানৰ প্ৰচণ্ড সংহাৰে বহু বিদ্যালয়ৰ ঘৰ-দুৱাৰ নষ্ট কৰাৰ লগতে ধুই লৈ গৈছিল ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ-পত্ৰ, বহী, স্কুল বেগ আৰু সপোনৰ ৰংবোৰ। পঢ়া-শুনাৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ পানীৰ সোঁতত হেৰুৱাই এক অনিশ্চিত ভৱিষ্যতৰ মুখত পৰা এইসকল শিক্ষাৰ্থীৰ ভাঙি পৰা সপোনক পুনৰ সঞ্জীৱিত কৰাৰ বাবে আগবাঢ়ি আহিছে অইল ইণ্ডিয়া অ' বি চি আৰু এম অ' বি চি কৰ্মচাৰী সংস্থা। এই মানৱীয় তথা সামাজিক দায়বদ্ধতামূলক উদ্যোগৰ অংশস্বৰূপে কালি (১৫ অক্টোবৰ) সংস্থাৰ তৰফৰ পৰা শিৱসাগৰ জিলাৰ বানাক্ৰান্ত এলেকাৰ 'বাঁহগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়'ৰ ১৪৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত নতুন আশাৰ পোহৰ সিঁচি প্ৰয়োজনীয় শিক্ষামূলক সামগ্ৰী যেনে স্কুল বেগ, বহী, কলম আদি বিতৰণ কৰা হয়। দুৰ্দশাগ্ৰস্ত শিক্ষাৰ্থীসকলৰ মুখত হাঁহি ফুটোৱাৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে বিদ্যালয়খন অধ্যক্ষ পৱন চেতিয়া আৰু সংস্থাৰ সাধাৰণ সম্পাদক সুৰেন্দ্ৰ গগৈয়ে। অধ্যক্ষই অইল ইণ্ডিয়াৰ অ বি চি আৰু এম অ' বি চি কৰ্মচাৰী সংস্থাৰ এনে মহৎ কাৰ্যসূচীৰ বাবে সংস্থাক ধন্যবাদ জ্ঞাপন কৰে। কাৰ্যসূচী চলি থকাৰ সময়তে সংস্থাৰ সভাপতি ড° শ্যামল বৰুৱাই নতুন দিল্লীৰ পৰা দূৰভাষৰ মাধ্যমেৰে উপস্থিত সকলো ছাত্ৰ-ছাত্ৰীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে আৰু বানৰ দুৰ্যোগে সৃষ্টি কৰা বাধা স্বত্বেও পঢ়া-শুনা চলাই যাবলৈ উৎসাহ যোগায়। লগতে তেওঁ ভৱিষ্যতেও এনে ধৰণৰ সামাজিক তথা শৈক্ষিক সহযোগিতা অব্যাহত ৰখাৰ পূৰ্ণ আশ্বাস প্ৰদান কৰে। উক্ত গুৰুত্বপূৰ্ণ অনুষ্ঠানটিত সংস্থাৰ উপ-সভাপতি নৱ কুমাৰ গগৈ, সহকাৰী সম্পাদকদ্বয় ক্ৰমে পংকজ প্ৰতীম কোঁৱৰ আৰু হেমকান্ত কুৰ্মী, বিষয়ববীয়া ক্ৰমে জয়ন্ত মাধৱ শইকীয়া, নিলোৎপল গগৈ, মদন মোহন বৰগোহাঁইৰ উপৰিও সংস্থাৰ মৰাণ শাখাৰ সম্পাদক ৰেৱ গগৈ উপস্থিত থাকি কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে। প্ৰকৃতিৰ তাণ্ডৱত সকলো হেৰুৱাই পেলোৱা শিশুসকলৰ হাতত পুনৰ পঢ়া-শুনাৰ সামগ্ৰী তুলি দি নতুনকৈ সপোন দেখুওৱাৰ এই হৃদয়স্পৰ্শী আৰু সময়োপযোগী প্ৰচেষ্টাক বাঁহগড় উচ্চতৰ মাধ্যমিক বিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰে।

# আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উপলক্ষে শিৱসাগৰত জিলা ভিত্তিক টেবুল টেনিছ প্ৰতিযোগিতা সম্পন্ন




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৬ অক্টোবৰ ঃ** আন্তৰাষ্ট্ৰীয় কন্যা শিশু দিৱস ২০২৬ উপলক্ষে যোৱা ১৪ আৰু ১৫ অ'ৌবৰত শিৱসাগৰ জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ "সংকল্প ঃ জিলা মহিলা সৱলীকৰণ কেন্দ্ৰ"ৰ অধীনৰ "বেটী বচাওঁ বেটী পঢ়াওঁ" আঁচনিৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত বৰ্ডিং খেলপথাৰৰ প্ৰাংগণত স্থিত টেবুল টেনিছ ক্লাবত এখনি দুদিনীয়া জিলা ভিত্তিক টেবুল টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত ১১ বছৰ আৰু ১৫ বছৰ বয়সৰ অনুৰ্ধৰ লৰা আৰু ছোৱালীয়ে অংশগ্ৰহণ কৰে। লিংগ বৈষম্যতা আঁতৰোৱাৰ বাবে দেশজুৰি ৰূপায়ণ হোৱা বেটী বচাওঁ বেটী পঢ়াওঁ আঁচনিয়ে কন্যা সন্তানৰ ক্ৰীড়াৰ ক্ষেত্ৰত পাৰদৰ্শিতা তথা সৃষ্টিশীলতা প্ৰকাশ কৰাত সহযোগিতা আগবঢ়াই আহিছে। শিৱসাগৰ জিলা সমাজ কল্যাণ বিভাগো এই ক্ষেত্ৰত অন্যতম দাবীদাৰ। উল্লেখ্য যে উক্ত অনুষ্ঠানৰ শেষৰ দিনা মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল য়াদৱে অনুষ্ঠানত শিৱসাগৰ জিলাৰ ক্ৰীড়া বিভাগৰ টেবুল টেনিছ সন্থাৰ সম্পাদক সত্য বল্লৱ বৰুৱা, শিৱসাগৰ টেবুল টেনিছ ক্লাবৰ সভাপতি প্ৰশান্ত হাজৰিকাকে প্ৰমুখ্যে কৰি ৰেফাৰী ক্ৰমে বিমান কুমাৰ, প্ৰশান্ত শইকীয়া আৰু চীলমা চুলতানাও উপস্থিত থাকে। তদুপৰি, অনুষ্ঠানটোত ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া প্ৰীতীশা কলিতাকে আদি কৰি অংশগ্ৰহণকাৰীৰ অভিভাৱক সকল, জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীসকল উপস্থিত থাকে। উক্ত জিলা পৰ্য্যায়ৰ টেবুল টেনিছ প্ৰতিযোগিতাখনত ১১ বছৰ বয়সৰ অনুৰ্ধৰ ছোৱালী শাখাত তৃতীয় স্থানৰ খিতাপ অৰ্জন কৰে অংগৰিকা বৰুৱা আৰু গাভ্য কাশ্যপে। ৰানাৰ্চ আপ স্থান অৰ্জন কৰে অৰ্চিতা চাহাই আৰু শ্ৰেষ্ঠতাৰ খিতাপ লাভ কৰে খ্যাতি দুৱাৰাই। ঠিক তেনেদৰে, ১১ বছৰ বয়সৰ অনুৰ্ধৰ লৰাৰ শাখাত তৃতীয় স্থানৰ খিতাপ অৰ্জন কৰে আৰ্য়ন বৰুৱা আৰু প্ৰিহান ভাগৱতীয়ে। ৰানাৰ্চ আপ স্থান অৰ্জন কৰে প্ৰিয়ান ভাগৱতী আৰু শ্ৰেষ্ঠতাৰ খিতাপ লাভ কৰে অভিজ্ঞান বৰগোহাঁয়ে। ১৫ বছৰ বয়সৰ অনুৰ্ধৰ ছোৱালীৰ শাখাত তৃতীয় স্থানৰ খিতাপ অৰ্জন কৰে অদিকি স্বৰ্গীয়াৰী আৰু আৰ্না স্তুতি গগৈ। ৰানাৰ্চ আপ স্থান অৰ্জন কৰে স্বাম্ভাৱী কাশ্যপে আৰু শ্ৰেষ্ঠতাৰ খিতাপ লাভ কৰে আনাকিয়া তাছলিমে। তদুপৰি, ১৫ বছৰ বয়সৰ অনুৰ্ধৰ লৰাৰ শাখাত তৃতীয় স্থানৰ অৰ্জন কৰে তানিচ এন আবৰিন আৰু আৰিয়ান ৰাজ দত্তই। ৰানাৰ্চ আপ স্থান অৰ্জন কৰে নীৰ নিহানে আৰু শ্ৰেষ্ঠতাৰ খিতাপ লাভ কৰে সম্পূৰ্ণ দত্তই।

## “ড্ৰাগছ ব্যৱসায়ী, জুৱাৰ মাফিয়া হুছিয়াৰ” ধ্বনিৰে উত্তাল সমদল

# শালবাৰী মহকুমাত এবিআমছু, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ জুৱা, নিচাজাতীয় দ্ৰব্য প্ৰচলনৰ বিৰুদ্ধে সমদল

**অসম বাৰ্তা, খাৰিজাবিজনী, ১৬ অক্টোবৰ ঃ** বাক্সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বিভিন্ন স্থানত আজি অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বাক্সা জিলা সমিতি আৰু এবিআমছুৱে জুৱা আৰু মদ, ভাং, ড্ৰাগছ আদি নিচাজাতীয় দ্ৰব্য প্ৰচলনৰ বিৰুদ্ধে পৃথকে পৃথকে বৃহৎ বৃহৎ সমদল উলিয়ায়। এবিআমছুৰ শালবাৰী জিলা সমিতিৰ উদ্যোগত সংগঠনটোৰ বহু সংখ্যক বিষয়ববীয়া, সচেতন ৰাইজ, ছাত্ৰ-ছাত্ৰীয়ে শালবাৰী মহকুমাৰ বাৰাপেটা মিলন বজাৰৰ পৰা কাজিয়ামাটি ৰিজাব বজাৰলৈ জুৱা আৰু ড্ৰাগছ, ভাং, মদ আদি নিচাজাতীয় সামগ্ৰী প্ৰচলনৰ বিৰুদ্ধে তথা এনেধৰণৰ অসামাজিক কাৰ্যকলাপ বন্ধ কৰাৰ দাবীৰে সজাগতা সমদল উলিয়ায়। এবিআমছুৰ সভাপতি তাইছন হুছেইনৰ নেতৃত্বত উলিওৱা সমদলত "জুৱাৰী হুছিয়াৰ.....", "ড্ৰাগছ ব্যৱসায়ী হুছিয়াৰ......" আদি শ্লোগান দিয়াৰ উপৰিও বিভিন্ন জুৱা আৰু নিচাজাতীয় দ্ৰব্য প্ৰচলন বিৰোধী শ্লোগান সম্বলিত প্লে'কাৰ্ড, বেনাৰ প্ৰদৰ্শনেৰে সমদল কৰি উত্তাল হৈ পৰে সমদলকাৰীয়ে। এবিআমছুৰ সভাপতি তাইছন হুছেইনে শালবাৰী মহকুমাৰ লগতে বিটিচিত জুৱা, ড্ৰাগছৰ প্ৰচলন বন্ধ নোহোৱালৈকে এবিআমছুৱে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিবৰ বুলিও ঘোষণা কৰে। আনহাতে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বাক্সা জিলা সমিতিৰ উদ্যোগত, মানাহ আৰু চুণবাৰী আঞ্চলিক সমিতিৰ সহযোগত আজি জুৱা, মদ, ড্ৰাগছ, ভাং আদি প্ৰচলনৰ বিৰুদ্ধে মটৰ চাইকেল সমদল উলিওৱা হয়। অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বাক্সা জিলা সমিতিৰ লগতে মানাহ আঞ্চলিক সমিতি আৰু চুনবাৰী আঞ্চলিক সমিতিৰ বহু সংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰা জুৱা, মদ, ভাং, ড্ৰাগছ বিৰোধী সমদলটো কালপানী বজাৰ, গোৱৰ্ধনা, মানাসৃহ, বাৰপেটা, মিলন বজাৰ আদি অঞ্চলত পৰিভ্ৰমণ কৰি ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়। সমদলকাৰী সকলে জুৱা আৰু নিচাজাতীয় দ্ৰব্যৰ প্ৰচলনৰ তীব্ৰ বিৰোধিতাৰে হাতে হাতে বিভিন্ন শ্লোগান সম্বলিত প্লে'কাৰ্ড প্ৰদৰ্শন কৰি জুৱা আৰু নিচাজাতীয় দ্ৰব্যৰ বিৰোধিতাৰে বিভিন্ন শ্লোগান দি ৰাইজক জুৱা খেল খেল, মদ, ভাং, ড্ৰাগছ সেৱনৰ পৰা আঁতৰত থাকিবলৈ ৰাইজলৈ মুকলি আহ্বান জনায়। তদুপৰি বিভিন্ন ৰাজহুৱা উৎসৱ পাৰ্বনত জুৱা খেল অনুষ্ঠিত নকৰিবলৈয়ো ৰাইজলৈ আহ্বান জনাই এখন জুৱা আৰু নিচাযুক্ত সমাজ প্ৰতিষ্ঠা কৰাৰো আহ্বান জনায় মটৰ চাইকেল সমদলকাৰী অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নেতা-কৰ্মী সকলে।

# দুৰ্ভাগ্যই লগ নেৰা এটি পৰিয়ালৰ গৰু তিনিটা লৈ গ'ল চোৰে; নিষ্ক্ৰিয় দৰং আৰক্ষী

**অসম বাৰ্তা, মঙলদৈ, ১৬ অক্টোবৰ ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী চপাই গধিয়াপাৰাৰ নিবাসী মুকুট চহৰীয়াৰ তিনিটাকৈ গৰু যোৱা ৯ অক্টোবৰৰ নিশা চোৰে লৈ যোৱাত দৰিদ্ৰ পৰিয়ালটোৰ মুৰত সৰগ ভাগি পৰে। দিন হাজিৰা আৰু খেতি কৰি কোনোমতে পৰিয়ালটোক পোহপাল দিয়াৰ লগতে মুকুট চহৰীয়াই কন্যাক তেজপুৰৰ দৰং কলেজত পঢুৱাই আছে। এনেতে তিনিটাকৈ গৰু চুৰি হোৱাৰ পিছত পৰিয়ালটো একপ্ৰকাৰ দিক বিদিক হেৰুৱাই পেলাইছে। শোক দগ্ধ হৈ মুকুট চহৰীয়াৰ সহধৰ্মিনী ১১ অক্টোবৰত হৃদৰোগত আক্ৰান্ত হৈ বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। পৰিয়ালটোৰ এই বিপদৰ সময়ত সাহস আৰু প্ৰেৰণাৰ প্ৰতীক হৈ কাষত থিয় দিছে মানৱতাবাদী সংগঠন 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে, দৰং, অসম। সংগঠনটোৰ সভাপতি হৰি চন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক গণেশ দত্ত, যুটীয়া সম্পাদক ডাঃ ভূপেন চহৰীয়া, জ্যেষ্ঠ সদস্য উপেন চন্দ্ৰ ডেকাই জি এম চি এইচলৈ গৈ চিকিৎসাৰ বাবে মুকুট চহৰীয়াৰ হাতত যোৱা ১৩ অক্টোবৰত গুজি দিয়ে ৫ হাজাৰ টকা। উল্লেখ্য যে, চাৰি বছৰ পূৰ্বে মুকুট চহৰীয়াৰ কন্যা বৰষা চহৰীয়াই পাঁচটা বিষয়ত লেটাৰসহ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ সময়তো 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে, দৰং, অসমে মঙলদৈ ব্ৰিলিয়েণ্ট একাডেমীৰ সহযোগত উচ্চতৰ মাধ্যমিক কলা শাখাত বিনামূলীয়াকৈ পঢ়োৱাৰ পদক্ষেপ গ্ৰহণ কৰিছিল। দুৰ্ভাগ্যই লগ নেৰা পৰিয়ালটোৱে আজিলৈ আৰক্ষীয়ে গৰু চোৰ সন্ধান উলিয়াব নোৱাৰাত ক্ষোভ প্ৰকাশ কৰি আৰক্ষীক সক্ৰিয়তাৰে পদক্ষেপ গ্ৰহণ কৰিবলৈ কাতৰ আহ্বান জনাইছে।

# নাজিৰাত AJYCPৰ প্ৰাক্তন নেতা পলদ্বীপ নেওগৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, গেলেকী, ১৬ অক্টোবৰ ঃ** শেহতীয়াকৈ আকস্মিকভাৱে উচ্চ ৰক্তচাপজনিত কাৰণত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ (AJYCP)-ৰ শিৱসাগৰ জিলা সমিতিৰ প্ৰাক্তন সম্পাদক, বিশিষ্ট সমাজসেৱী তথা জনপ্ৰিয় ক্ৰীড়া সংগঠক পলদ্বীপ নেওগৰ অকাল বিয়োগত সমগ্ৰ নাজিৰা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। প্ৰয়াত যুৱনেতাগৰাকীৰ স্মৃতিত বৃহস্পতিবাৰে সন্ধিয়া নাজিৰা নগৰৰ মাজমজিয়াত এক আৱেগঘন স্মৃতিচাৰণ তথা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সমাজসেৱী ৰঞ্জন মহন্তই সুন্দৰভাৱে আঁতধৰা উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত পলদ্বীপ নেওগৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শিক্ষাবিদ দিগন্ত বৰগোঁহাইয়ে। বন্তিপ্ৰজ্বলনৰ পাছতে নিজৰ বক্তব্যত শিক্ষাবিদগৰাকীয়ে প্ৰয়াত নেওগৰ সমাজসেৱা আৰু যুৱ সমাজলৈ আগবঢ়োৱা অৱদানৰ কথা সোঁৱৰণ কৰে। উক্ত স্মৃতিচাৰণ অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি দাদুল নেওগ, নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰোহিত বৰুৱা, বিশিষ্ট সমাজকৰ্মী বলিন গগৈৰ লগতে স্থানীয় বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াৰ লগতে, স্থানীয় সাংবাদিক উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত সকলো ব্যক্তিয়ে জাতীয়তাবাদী চিন্তা-চেতনাৰে উদ্বুদ্ধ হৈ দেশ আৰু জাতিৰ উন্নয়নৰ বাবে প্ৰয়াত পলদ্বীপ নেওগে আগবঢ়াই যোৱা অনবদ্য সংগ্ৰামী অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। কাৰ্যসূচীৰ শেষত উপস্থিত ৰাইজে এক মিনিট সময় মৌন প্ৰাৰ্থনা সাব্যস্ত কৰি প্ৰয়াত আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰে।

# বীৰ লাচিত সেনাৰ আমগুৰি আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, চেলেংহাট, ১৬ অক্টোবৰ ঃ** আমগুৰি পৌৰসভাৰ সভাকক্ষত আজি বীৰ লাচিত সেনা অসমৰ শিৱসাগৰ জিলা সমিতিৰ অন্তৰ্গত আমগুৰি আঞ্চলিক সমিতিৰ সাধাৰণ সভা আৰু যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। শিৱসাগৰ জিলা সমিতিৰ সভাপতি মাধুৰ্য ৰাজকোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে ৰঞ্জন গগৈয়ে। শতাধিক যুৱকৰ উপস্থিতিত সৰ্বসন্মতিক্ৰমে ৫১ জনীয়া সদস্যৰে শক্তিশালী আমগুৰি আঞ্চলিক সমিতিখন গঠন কৰা হয়। নতুন সমিতিত ৰঞ্জন গগৈক সভাপতি, দিপাংকৰ গগৈক উপ-সভাপতি, অনুপম চেতিয়াক মুখ্য সচিব আৰু যোগানন্দ গগৈ তথা মঞ্জিল শইকীয়াক যুটীয়া সচিবৰ দায়িত্ব অৰ্পণ কৰা হয়। সভাত জিলা সমিতিৰ মুখ্য সচিব অনুপম সন্দিকৈ, জিলা মুখ্য প্ৰশাসনিক সচিব উদয়াদিত্য বড়া, যুটীয়া সচিব পংকজ দাসকে ধৰি কেইবাজনো জিলা বিষয়ববীয়া উপস্থিত থাকে। সভাৰ শেষত নৱনিৰ্বাচিত আমগুৰি আঞ্চলিক সমিতিয়ে আমগুৰি অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণৰ লগতে অসমৰ খিলঞ্জীয়াৰ স্বাৰ্থত আৰু জাতিৰ হকে কাম কৰাৰ সংকল্প গ্ৰহণ কৰে।

# বৰপেটাৰোডৰ জিএলচি মহাবিদ্যালয়ত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ চেক বিতৰণ

**অসম বাৰ্তা, বৰপেটাৰোড, ১৬অক্টোবৰ ঃ** অসম চৰকাৰে ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰহণ কৰা এক অভিলাষী আঁচনি নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰথম কিস্তিৰ চেক আজি বিতৰণ কৰে বৰপেটাৰোডৰ গণেশ লাল চৌধুৰী মহাবিদ্যালয়ত। মহাবিদ্যালয়খনৰ মুঠ ১৯০০ ছাত্ৰ-ছাত্ৰীয়ে নিযুত মাইনা আৰু নিযুত বাবু আঁচনিৰ চেক লাভ কৰে। বৰপেটাৰোডৰ গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ অনুষ্ঠানৰ পিচত অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে এই কাৰ্যসূচীতো উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চেক বিতৰণ কৰে। উল্লেখ্য যে, শিক্ষাৰ্থীসকলক উচ্চ শিক্ষাৰ প্ৰতি উৎসাহিত কৰা আৰু আৰ্থিক বাধা হ্ৰাস কৰাৰ লক্ষ্যৰে অসম চৰকাৰে এই আঁচনি দুটি ৰূপায়ণ কৰিছে। অসম চৰকাৰৰ এই অভিলাষী নিযুত মাইনা আৰু নিযুত বাবু আঁচনিৰ অধীনত ধনৰ চেক লাভ কৰি ছাত্ৰ-ছাত্ৰীসকল উৎসাহী হোৱাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

# দাহালাপাৰাত ৩.৪৪১ কিলোগ্ৰাম সন্দেহজনক গাঞ্জাসহ দুজন গ্ৰেপ্তাৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৬ অক্টোবৰ ঃ** বৰপেটা জিলাৰ সৰভোগ আৰক্ষী থানাৰ আৰক্ষীৰ এটা দলে অভিযান চলাই ২৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দাহালাপাৰাৰ পৰা দুজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত লোক দুজনক অজিত বসুমতাৰী আৰু নাথুৰাম বসুমতাৰী বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, কালি আৰক্ষীয়ে চলোৱা অভিযানৰ সময়ত ধৃত লোক দুজনৰ কবলৰ পৰা ৩.৪৪১ কিলোগ্ৰাম সন্দেহজনক গাঞ্জা উদ্ধাৰ কৰে। নিচাজাতীয় সামগ্ৰীৰ অবৈধ ব্যৱসায়ৰ সৈতে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে দুয়োজনকে গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে। অৱশ্যে, এই সন্দৰ্ভত আৰক্ষীৰ আনুষ্ঠানিক বিস্তৃত বক্তব্য জানিব পৰা হোৱা নাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন